रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 19 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 15
নং ১৯ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ১৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮ (২০০৮ ৰ ২২)

# ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ


| | | |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ১ |
| ৩। | বিশ্ববিদ্যালয় | ৩ |
| ৪। | বিশ্ববিদ্যালয়ৰ উদ্দেশ্য | ৩ |
| ৫। | বিশ্ববিদ্যালয়ৰ ক্ষমতা | ৩ |
| ৬। | অধিকাৰিতা | ৭ |
| ৭। | বিশ্ববিদ্যালয়, সকলো শ্ৰেণী, জাতি আৰু ধৰ্মৰ বাবে মুকলি থাকিব | ৭ |
| ৮। | বিশ্ববিদ্যালয়ৰ নিধি | ৭ |
| ৯। | কুলাধ্যক্ষ | ৮ |
| ১০। | বিশ্ববিদ্যালয়ৰ পদাধিকাৰী | ৯ |
| ১১। | আচাৰ্য্য | ১০ |
| ১২। | উপাচাৰ্য্য | ১০ |
| ১৩। | প্ৰতি উপাচাৰ্য্য | ১১ |
| ১৪। | বিদ্যালয়ৰ ডীন | ১১ |
| ১৫। | সঞ্চালক | ১১ |
| ১৬। | পঞ্জীয়ক | ১১ |
| ১৭। | বিত্ত পদাধিকাৰী | ১১ |
| ১৮। | আন পদাধিকাৰীসমূহ | ১১ |
| ১৯। | বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী | ১১ |
| ২০। | সভা | ১১ |
| ২১। | কাৰ্য্যনিৰ্বাহক পৰিষদ | ১২ |
| ২২। | শৈক্ষিক পৰিষদ | ১২ |
| ২৩। | শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড | ১২ |
| ২৪। | পৰিকল্পনা বোৰ্ড | ১২ |

২৫। বিদ্যালয় বোৰ্ড ১২

২৬। বিত্ত সমিতি ১২

২৭। বিশ্ববিদ্যালয়ৰ আন প্ৰাধিকাৰীসমূহ ১২

২৮। পৰিনিয়ম প্ৰণয়নৰ ক্ষমতা ১২

২৯। পৰিনিয়ম কেনেকৈ প্ৰণীত কৰা হ'ব ১৩

৩০। অধ্যাদেশ প্ৰণয়নৰ ক্ষমতা ১৪

৩১। বিনিয়মাৱলী ১৫

৩২। বাৰ্ষিক প্ৰতিবেদন ১৫

৩৩। বাৰ্ষিক হিচাপ ১৫

৩৪। কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্তাৱলী ১৬

৩৫। মধ্যস্থৰ ন্যায়াধিকৰণ ১৬

৩৬। ছাত্ৰসকলৰ বিৰুদ্ধে অনুশাসনিক আৰু গোচৰত আপিল আৰু মধ্যস্থতাৰ প্ৰক্ৰিয়া ১৬

৩৭। আপীলৰ অধিকাৰ ১৬

৩৮। ভৱিষ্য আৰু অৱসৰকালীন নিধি ১৭

৩৯। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী আৰু নিকায়ৰ গঠন সম্পৰ্কে থকা বিবাদসমূহ ১৭

৪০। সমিতিৰ গঠন ১৭

৪১। আকস্মিক পদৰিক্তি পূৰণ কৰা ১৭

৪২। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী বা নিকায়ৰ কাৰ্য্যবাহী পদৰিক্তিৰ দ্বাৰা অবিধিমান্য নহ'ব ১৭

৪৩। সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ১৭

৪৪। বিশ্ববিদ্যালয় অভিলেখৰ প্ৰমাণৰ ৰীতি ১৭

৪৫। জটিলতা দূৰীকৰণৰ ক্ষমতা ১৭

৪৬। অন্তৰৰ্তীকালীন উপৱন্ধ ১৮

৪৭। পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়ম চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব ১৮

৪৮। বিশ্ববিদ্যালয়ত শাখাভুক্ত হোৱা মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানসমূহত পাঠ্যক্ৰমৰ সম্পূৰ্ণকৰণ ১৯

৪৯। সম্পত্তিৰ অন্তৰণ আৰু কৰ্মচাৰীৰ বিকল্প ১৯

৫০। কেন্দ্ৰীয় চৰকাৰ আৰু জাহাজৰ মহা সঞ্চালকৰ ভূমিকা। ১৯

## অনুসূচী

**(ধাৰা ২৯ চাওঁক)**

বিশ্ববিদ্যালয় পৰিনিয়ম


১। আচাৰ্য্য ২০

২। উপাচাৰ্য্য ২০

৩। উপাচাৰ্য্যৰ ক্ষমতা আৰু কৰ্তব্য ২১

৪। প্ৰতি উপাচাৰ্য্য ২২

৫। পঞ্জীয়ক ২৩

৬। বিত্ত পদাধিকাৰী ২৫

৭। অধ্যয়নৰ কেন্দ্ৰৰ ডীন ২৬

৮। বিভাগৰ মুৰব্বী ২৬

৯। কুলানুশাসক ২৭

১০। গ্ৰন্থাগাৰিক ২৭

১১। কাৰ্য্যনিৰ্বাহক পৰিষদৰ সদস্য পদ গঠন, থূল আৰু অৱধি ২৭

১২। কাৰ্য্যনিৰ্বাহক পৰিষদৰ ক্ষমতা আৰু কৃত্য ২৮

১৩। সভাৰ বৈঠকসমূহ ২৯

১৪। শৈক্ষিক পৰিষদৰ সদস্য পদ, গঠন আৰু পদাধিকাৰ কাল ৩১

১৫। শৈক্ষিক পৰিষদৰ ক্ষমতা ৩২

১৬। পৰিকল্পনা বোৰ্ডৰ সদস্য পদ, গঠন থূল আৰু পদাধিকাৰ কাল ৩২

১৭। পৰিকল্পনা বোৰ্ড ৩৩

১৮। অধ্যয়ন কেন্দ্ৰ আৰু বিভাগসমূহ ৩৪

১৯। অধ্যয়ন বোৰ্ড ৩৪

২০। বিত্ত সমিতি ৩৫

২১। বাছনি সমিতি ৩৫

২২। নিযুক্তিৰ বিশেষ পদ্ধতি ৩৭

২৩। এটা নিৰ্ধাৰিত পদাধিকাৰ কালৰ নিযুক্তি ৩৮

২৪। স্বীকৃতিপ্ৰাপ্ত শিক্ষক ৩৮

| | | |
|---|---|---|
| ২৫। | সমিতি | ৩৮ |
| ২৬। | শিক্ষক, ইত্যাদিৰ সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী আৰু আচৰণ বিধি | ৩৮ |
| ২৭। | আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী আৰু আচৰণ বিধি | ৩৮ |
| ২৮। | জ্যেষ্ঠতাৰ তালিকা | ৩৯ |
| ২৯। | বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ অপসাৰণ | ৩৯ |
| ৩০। | সন্মানিক উপাধি | ৪০ |
| ৩১। | উপাধি, ইত্যাদিৰ প্ৰত্যাহাৰকৰণ | ৪০ |
| ৩২। | বিশ্ববিদ্যালয় ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা | ৪০ |
| ৩৩। | মহাবিদ্যালয়, ইত্যাদিৰ ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা | ৪১ |
| ৩৪। | বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত মহাবিদ্যালয়, ইত্যাদিৰ স্বীকৃতি | ৪১ |
| ৩৫। | সমাবৰ্তন | ৪৩ |
| ৩৬। | বৈঠকৰ কাৰ্য্যকাৰী অধ্যক্ষ | ৪৩ |
| ৩৭। | ইস্তফা | ৪৩ |
| ৩৮। | অনৰ্হতা | ৪৩ |
| ৩৯। | সদস্যপদ আৰু কাৰ্য্যালয়ৰ বাবে আৱাসৰ চৰ্ত | ৪৪ |
| ৪০। | আন নিকায়ৰ সদস্য পদৰ গুণৰ দ্বাৰা প্ৰাধিকাৰীসমূহৰ সদস্য পদ | ৪৪ |
| ৪১। | পূৰ্ব ছাত্ৰ সংঘ | ৪৪ |
| ৪২। | ছাত্ৰ পৰিষদ | ৪৪ |
| ৪৩। | অধ্যাদেশ কেনেকৈ প্ৰণীত কৰা হ'ব | ৪৪ |
| ৪৪। | বিনিয়মাৱলী | ৪৫ |
| ৪৫। | ক্ষমতা আৰোপণ | ৪৬ |
| ৪৬। | সমতুল্য সমিতি | ৪৬ |
| ৪৭। | মাচুলসমূহৰ পুনৰীক্ষণ। | ৪৮ |

# ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮

## ২০০৮ ৰ সংখ্যা ২২

[১১ নৱেম্বৰ, ২০০৮]

সামুদ্ৰিক অধ্যয়ন আৰু গৱেষণা সহজসাধ্য আৰু বিকাশ ঘটাবলৈ ৰাষ্ট্ৰীয় স্তৰত শিক্ষণ আৰু সহযোগী বিশ্ববিদ্যালয় স্থাপন আৰু সংঘবদ্ধ কৰিবলৈ আৰু সামুদ্ৰিক বিজ্ঞান আৰু কাৰিকৰী, সামুদ্ৰিক পাৰিপাৰ্শ্বিকতা আৰু আন সম্পৰ্কিত ক্ষেত্ৰসমূহৰ এলেকাত উৎকৰ্ষ সাধন কৰিবলৈ আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুষংগিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ উনষষ্ঠিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮ বুলি অভিহিত হ'ব।

(২) ই কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলবৎ হ'ব।

*পৰিভাষা*

২। এই অধিনিয়মত আৰু ইয়াৰ অধীনত প্ৰণীত সকলো পৰিনিয়মত, প্ৰসংগত অন্যথা অপেক্ষিত নহ'লে, —

(ক) "শৈক্ষিক পৰিষদ" মানে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদ ;

(খ) "শৈক্ষিক কৰ্মীবৃন্দ" মানে অধ্যাদেশৰ দ্বাৰা শৈক্ষিক কৰ্মীবৃন্দৰ ৰূপে মনোনীত কৰা কৰ্মীবৃন্দৰ এনে বৰ্গ;

(গ) "শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড" মানে বিশ্ববিদ্যালয়ৰ শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড;

(ঘ) "অধ্যয়ন বোৰ্ড" মানে বিশ্ববিদ্যালয়ৰ অধ্যয়ন বোৰ্ড;

(ঙ) "চৌহদ" মানে শিক্ষণ, গৱেষণা, শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাৰা স্থাপিত বা গঠিত গোট;

*১৯৫৮ ৰ ৪৪*

(চ) "সক্ষমতাৰ প্ৰমাণ পত্ৰ" মানে বাণিজ্য নৌ পৰিবহন অধিনিয়ম, ১৯৫৮ ৰ অধীনত সক্ষম প্ৰাধিকাৰীৰ দ্বাৰা জাৰি কৰা এখন প্ৰমাণ পত্ৰ;

(ছ) "আচাৰ্য্য" উপাচাৰ্য্য আৰু "প্ৰ-প্ৰতি উপাচাৰ্য্য" মানে যথাক্ৰমে বিশ্ববিদ্যালয়ৰ আচাৰ্য্য উপাচাৰ্য্য আৰু প্ৰ-প্ৰতি উপাচাৰ্য্য;

(জ) "মহাবিদ্যালয়" মানে সামুদ্ৰিক অধ্যায়নত বা ইয়াৰ সহযুক্ত শিক্ষাৰ বিষয়সমূহত শিক্ষা আৰু প্ৰশিক্ষণ দিয়াৰ বাবে বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰৰ দ্বাৰা পৰিচালিত বা গৃহীত এখন মহাবিদ্যালয়;

(ঝ) "সভা" মানে বিশ্ববিদ্যালয়ৰ সভা;

(ঞ) "বিভাগ" মানে অধ্যয়নবিভাগ, আৰু ই, এখন অধ্যয়ন কেন্দ্ৰক অন্তৰ্ভূক্ত কৰে;

*১৯৫৮ ৰ ৪৪*

(ট) "মহানিৰ্দেশক" মানে বাণিজ্য নৌ পৰিবহন অধিনিয়ম, ১৯৫৮ ৰ ধাৰা ৭ ৰ অধীনত ভাৰত চৰকাৰৰ দ্বাৰা নিয়োজিত নৌ-পৰিবহনৰ মহানিৰ্দেশক;

(ঠ) "দূৰৱৰ্তী শিক্ষা ব্যৱস্থা" মানে সম্প্ৰাচাৰণ, দূৰদৰ্শন যোগে কৰা প্ৰচাৰ, পত্ৰাচাৰ অধ্যয়ন, অধ্যয়ন চক্ৰ, সংযোগী কাৰ্য্যক্ৰম, ই-শিক্ষণ বা দুই বা ততোধিক এনে কোনো মাধ্যমৰ সংমিশ্ৰণৰ দৰে সংযোগৰ কোনো মাধ্যমৰ জৰিয়তে শিক্ষা দিয়াৰ পদ্ধতি;

(ড) "কৰ্মচাৰী" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত কোনো ব্যক্তি আৰু ই বিশ্ববিদ্যালয়ৰ প্ৰতিনিযুক্তিকাৰীক অন্তৰ্ভুক্ত কৰি শিক্ষক আৰু আন কৰ্মীবৃন্দক অন্তৰ্ভূক্ত কৰে;

(ঢ) "কাৰ্য্যনিৰ্বাহক পৰিষদ" মানে বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদ;

(ণ) "বিত্তীয় সমিতি" মানে বিশ্ববিদ্যালয়ৰ বিত্তীয় সমিতি;

(ত) এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ সম্পৰ্কত "শাসকীয় নিকায়" মানে এনে মহাবিদ্যালয় বা যথাস্থিতি শিক্ষা প্ৰতিষ্ঠান যি নামৰেই অভিহিত হওঁক বা যি কাৰ্য্যকলাপৰ পৰিচালনাৰ দায়িত্ব থাকক আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা এনেদৰে স্বীকৃতিপ্ৰাপ্ত কোনো শাসকীয় নিকায় বা কোনো আন নিকায়;

(থ) "ছাত্ৰ নিবাস" মানে বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰসকলৰ আৱাসগৃহৰ এটা গোট;

(দ) "শিক্ষা প্ৰতিষ্ঠান" মানে সামুদ্ৰিক অধ্যয়নত বা ইয়াৰ সহযুক্ত শিক্ষাৰ বিষয়সমূহত শিক্ষা আৰু প্ৰশিক্ষণ দিয়াৰ বাবে বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰৰ দ্বাৰা পৰিচালিত বা গৃহীত এখন শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয়, মহাবিদ্যালয় বা অধ্যয়ন কেন্দ্ৰ;

(ধ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা;

(ন) "সমুদ্ৰাভিমুখী চৌহদ" মানে দেশৰ বাহিৰত স্থাপন কৰিব পৰা এখন শিক্ষা প্ৰতিষ্ঠান, মহাবিদ্যালয়, কেন্দ্ৰ, বিদ্যালয় বা বিশ্ববিদ্যালয়ৰ চৌহদ;

(প) "পৰিকল্পনা বোৰ্ড" মানে বিশ্ববিদ্যালয়ৰ পৰিকল্পনা বোৰ্ড;

(ফ) "অধ্যক্ষ" মানে এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বী;

(ব) "স্বীকৃতিপ্ৰাপ্ত শিক্ষা প্ৰতিষ্ঠান" মানে সামুদ্ৰিক অধ্যয়নত বা ইয়াৰ সহযুক্ত শিক্ষাৰ বিষয়সমূহত শিক্ষা দিয়াৰ বাবে বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰৰ দ্বাৰা গৃহীত এখন শিক্ষা প্ৰতিষ্ঠান;

(ভ) "স্বীকৃতিপ্ৰাপ্ত শিক্ষক" মানে বিশ্ববিদ্যালয়ৰ বিশেষধিকাৰৰ দ্বাৰা গৃহীত এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানত শিক্ষা দিয়াৰ প্ৰয়োজনাৰ্থে বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত, এনে ব্যক্তি;

(ম) "বিদ্যালয়" মানে বিশ্ববিদ্যালয়ৰ এখন অধ্যয়ন কেন্দ্ৰ;

(য) "পৰিনিয়ম" অধ্যাদেশ আৰু "বিনিয়মন" মানে, যথাক্ৰমে এই অধিনিয়মৰ অধীনত প্ৰণীত পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মন;

(য ক) "বিশ্ববিদ্যালয়" মানে এই অধিনিয়মৰ অধীনত স্থাপিত ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয়;

(য খ) "বিশ্ববিদ্যালয়ৰ শিক্ষক" মানে বিশ্ববিদ্যালয়ত বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানত শিক্ষা দিয়া বা গৱেষণা চলোৱাৰ বাবে নিয়োজিত অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক, ৰিডাৰ, জ্যেষ্ঠ প্ৰবক্তা, প্ৰবক্তা আৰু এনে আন ব্যক্তিসমূহ; আৰু

১৯৫৬ ৰ ৩ (য গ) "বিশ্ববিদ্যালয় অনুদান আয়োগ" মানে বিশ্ববিদ্যালয় অনুদান আয়োগ অধিনিয়ম, ১৯৫৬ ৰ ধাৰা ৪ৰ অধীনত স্থাপিত আয়োগ;

*বিশ্ববিদ্যালয়* ৩। (১) ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় নামৰে এখন বিশ্ববিদ্যালয় স্থাপিত হ'ব।

(২) বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্য্যালয় চেন্নাইত হ'ব আৰু ই উচিত গণ্য কৰা দৰে মুম্বাই, কলকাতা, চেন্নাই, বিশাখাপট্টমৰ আৰু এনে আন স্থানসমূহত ইয়াৰ চৌহদ থাকিব।

(৩) প্ৰথম আচাৰ্য্য, প্ৰথম উপাচাৰ্য্য, সভাৰ প্ৰথম সদস্য, কাৰ্য্য নিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ, পৰিকল্পনা বোৰ্ড আৰু সকলো ব্যক্তি যি ইয়াৰ পিচত এনে পদাধিকাৰী বা সদস্য হয়, যিমান দিনলৈকে তেওঁলোকে, এনে পদ বা সদস্য পদ ধাৰণ কৰি থাকে, তেওঁলোকে বিশ্ববিদ্যালয় গঠন কৰিব।

(৪) বিশ্ববিদ্যালয়ৰ শাশ্বত উত্তৰাধিকাৰী আৰু এটা সাধাৰণ মোহৰ থাকিব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদমুক্ত হ'ব।

(৫) বিশ্ববিদ্যালয়খন উভয়ে এটা শিক্ষণ আৰু সম্বন্ধক বিশ্ববিদ্যালয় হ'ব।

*বিশ্ববিদ্যালয়ৰ উদ্দেশ্য।* ৪। নিম্নলিখিতসমূহ বিশ্ববিদ্যালয়ৰ উদ্দেশ্য হ'ব,—

(I) সামুদ্ৰ বিজ্ঞান, সামুদ্ৰিক বুৰঞ্জী, সামুদ্ৰিক বিধি, সামুদ্ৰিক সুৰক্ষা, অন্বেষণ আৰু উদ্ধাৰকৰণ, বিপদজনক জাহাজৰে পৰিবহন, পাৰিপাৰ্শ্বিক অধ্যয়ন আৰু আন সম্পৰ্কিত ক্ষেত্ৰসমূহৰ দৰে অধ্যয়নৰ এনে জনাজাত এলেকাত আলোকপাত কৰি সামুদ্ৰিক অধ্যয়ন প্ৰশিক্ষণ, গৱেষণা আৰু বিস্তাৰ কাৰ্য্য সহজসাধ্য কৰা আৰু বিকাশ ঘটোৱা আৰু সেই ক্ষেত্ৰ আৰু তাৰ সম্পৰ্কিত ক্ষেত্ৰসমূহৰ আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুষংগিক আন বিষয়সমূহৰ উৎকৰ্ষ সাধন কৰা;

(II) ই উচিত গণ্য কৰাৰ দৰে শিক্ষণৰ এনে শাখাসমূহত শৈক্ষণিক আৰু গৱেষণা সুবিধাৰ ব্যৱস্থাৰ দ্বাৰা উন্নত জ্ঞানৰ বিকাশ ঘটোৱা আৰু বিশ্ববিদ্যালয়ৰ শৈক্ষিক কাৰ্য্যক্ৰমত বিজ্ঞানৰ একীকৃত পাঠ্যক্ৰম আৰু আন ব্যৱস্থা আৰু কাৰিকৰীৰ সীমান্ত এলেকাসমূহ আৰু সহবদ্ধ শিক্ষাৰ এটা বিভাগৰ বাবে উপবন্ধ কৰা;

(III) অধ্যাপন শিক্ষণ প্ৰক্ৰিয়া অন্তৰবিজ্ঞানীয় অধ্যয়ন আৰু গৱেষণাত নৱ প্ৰৱৰ্তনৰ বিকাশৰ বাবে সমুচিত ব্যৱস্থা গ্ৰহণ কৰা আৰু ভাৰতৰ জনসাধাৰণত শৈক্ষিক আৰু অৰ্থনৈতিক হিতৰ বিকাশ আৰু কল্যাণৰ বাবে বিশেষ মনোযোগ দিয়া;

(IV) ভাৰতৰ সংবিধানত শ্ৰদ্ধাৰে নিবেদিত স্বাধীনতা, ধৰ্মনিৰপেক্ষতা, সাম্যতা আৰু সামাজিক ন্যায়ৰ বিকাশ ঘটোৱা আৰু ৰাষ্ট্ৰীয় উন্নয়নৰ অস্তিত্বৰ মূল দৃষ্টিভংগী আৰু মূল্যৰ বিকাশৰ দ্বাৰা আৰ্থ সামাজিক পৰিৱৰ্তনত উৎপ্ৰেৰক হিচাপে কাৰ্য্য কৰা আৰু;

(V) স্থানীয় আঞ্চলিক আৰু ৰাষ্ট্ৰীয় বিষয়সমূহৰ বিকাশক ঘনিষ্ঠভাৱে লৈ বিশ্ববিদ্যালয়ৰ সহযোগীৰ দ্বাৰা ব্যক্তি আৰু সমাজৰ বিকাশৰ বাবে জ্ঞান আৰু দক্ষতাৰ সুবিধা বিস্তাৰ কৰা।

*বিশ্ববিদ্যালয়ৰ ক্ষমতা।* ৫। বিশ্ববিদ্যালয়ৰ নিম্নলিখিত ক্ষমতাসমূহ থাকিব, অৰ্থাৎ ঃ—

(I) বিশ্ববিদ্যালয়ে সময়ে সময়ে, নিৰ্ধাৰণ কৰা দৰে শিক্ষাৰ এনে শাখাসমূহত শিক্ষণৰ বাবে ব্যৱস্থা কৰা আৰু গৱেষণাৰ বাবে আৰু জ্ঞানৰ বৃদ্ধি আৰু বিস্তাৰণৰ বাবে উপবন্ধ কৰা;

(II) বিশেষ অধ্যয়নৰ গ্ৰহণ কৰিবলৈ স্বীকৃতিপ্ৰাপ্ত শিক্ষা প্ৰতিষ্ঠানৰ বাবে উপবন্ধ কৰা;

(III) চৌহদ, মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান, বিভাগ, গৱেষণাগাৰ, গ্ৰন্থাগাৰ, সংগ্ৰহালয়, গৱেষণা, প্ৰশিক্ষণ আৰু বিশেষজ্ঞীয় অধ্যয়ন কেন্দ্ৰৰ স্থাপন আৰু পৰিচালনা কৰা ;

(IV) প্ৰেক্ষাগৃহ, খেলপথাৰ, ব্যায়াম গৃহ, সাতোৰা পুখুৰী, প্ৰশিক্ষণ জাহাজ আদিৰ দৰে ছাত্ৰাবাস, স্বাস্থ্য কেন্দ্ৰ, আৰু আন সম্পৰ্কিত সুবিধাসমূহৰ স্থাপন আৰু পৰিচালনা কৰা;

(V) স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়ৰ এটা শ্ৰেণীৰ ব্যৱহাৰৰ বাবে চৌহদৰ স্থাপনৰ উপবন্ধ কৰা আৰু গ্ৰন্থাগাৰ, গৱেষণাগাৰ, কম্পিউটাৰৰ কেন্দ্ৰ আৰু শিক্ষণৰ এনে সদৃশ কেন্দ্ৰৰ ৰূপত থকা এনে চৌহদসমূহত কেন্দ্ৰসমূহ সাধাৰণ সাধন কেন্দ্ৰ আৰু শিক্ষাৰ এনে সদৃশ কেন্দ্ৰৰ উপবন্ধ আৰু পৰিচালনা কৰা;

(VI) বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰা দৰে এনে চৰ্তৰ সাপেক্ষে, নাবিকৰ দক্ষতাৰ প্ৰমাণপত্ৰ ব্যতিৰেকে প্ৰমাণ পত্ৰ ডিপ্লোমা মঞ্জুৰ কৰা, যিটো, যি পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰে বিনিশ্চয় নকৰে আৰু ব্যক্তিসমূহৰ ওপৰত পৰীক্ষা, মূল্যাংকন বা পৰীক্ষণৰ কোনো আন পদ্ধতিৰ আধাৰত উপাধি আৰু আন বিদ্যা সম্বন্ধয়ী উপাধি প্ৰদান নকৰে, ভাৰত চৰকাৰৰ নৌ পৰিবহনৰ মহা নিৰ্দেশকৰ দ্বাৰা জাৰি হৈ থাকিব, আৰু হিতকাৰী আৰু পৰ্যাপ্তৰ কাৰণৰ বাবে এনে কোনো ডিপ্লোমা, প্ৰমাণ পত্ৰ, ডিগ্ৰী বা আন বিদ্যা সম্বন্ধীয় উপাধি প্ৰত্যাহাৰ কৰা;

(VII) পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত সম্মানীয় উপাধিক আন বিদ্যা সম্বন্ধীয় উপাধি প্ৰদান কৰা;

(VIII) পাঠ বৰ্হিভূত অধ্যয়ন প্ৰশিক্ষণ আৰু বিস্তাৰ, সেৱা অনুষ্ঠিত কৰা আৰু গ্ৰহণ কৰা;

(IX) বিশ্ববিদ্যালয়ৰ দ্বাৰা অপেক্ষিত সঞ্চালন পদ, অধ্যক্ষ পদ, অধ্যাপক পদ, সহযোগী অধ্যাপক পদ, সহকাৰী অধ্যাপক পদ, আৰু আন শিক্ষণ বা শৈক্ষিক স্থিতিক সংস্থিত কৰা আৰু এনে অধ্যক্ষ পদ, অধ্যাপক পদ, সহযোগী অধ্যাপক পদ, সহকাৰী অধ্যাপক পদ বা শৈক্ষিক স্থিতিৰ ব্যক্তিসমূহক নিযুক্তি দিয়া;

(X) নিম্নলিখিতসমূহৰ সেৱাৰ নিৰন্ধণৰ আৰু চৰ্তাৱলীৰ বাবে—

(i) বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত সঞ্চালক, অধ্যক্ষ, শিক্ষক আৰু শৈক্ষিক কৰ্মীবৃন্দৰ আন সদস্যসমূহ;

(ii) কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ দ্বাৰা নিয়োজিত শিক্ষক আৰু শৈক্ষিক কৰ্মীবৃন্দৰ আন সদস্যসমূহ; আৰু

(iii) বিশ্ববিদ্যালয় বা এনে মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ দ্বাৰা নিয়োজিত হওঁক বা নহওঁক স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ কোনো আন কৰ্মচাৰীৰ উপবন্ধ কৰা;

(XI) এটা বিনিৰ্দিষ্ট কালৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষক ৰূপে কোনো আন বিশ্ববিদ্যালয় বা সংগঠনত কাৰ্য্য কৰা ব্যক্তিক নিযুক্তি দিয়া;

(XII) বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰা দৰে এনে প্ৰয়োজনৰ বাবে, উচ্চ শিক্ষাৰ এটা শিক্ষা প্ৰতিষ্ঠানৰ স্বীকৃতি দিয়া আৰু এনে স্বীকৃতি প্ৰত্যাহাৰ কৰা;

(XIII) শিক্ষক, মূল্যাংকনকাৰী আৰু আন শৈক্ষিক কৰ্মীবৃন্দৰ বাবে উন্নয়ন পাঠ্যক্ৰম, কৰ্মশালা, অধ্যয়নচক্ৰ আৰু আন কাৰ্য্যক্ৰম, অনুষ্ঠিত আৰু পৰিচালনা কৰা;

(XIV) বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ উন্নয়নত বৰঙণি যোগোৱা অভ্যাগত অধ্যাপক, প্ৰতিষ্ঠিত অধ্যাপক, পৰামৰ্শকাৰী বিদ্বান আৰু এনে আন ব্যক্তিসমূহক চুক্তিৰ আধাৰত অন্যথা নিযুক্তি দিয়া;

(XV) বিশ্ববিদ্যালয়ত শিক্ষণ, অ-শিক্ষণ, প্ৰশাসনিক, মন্ত্ৰালয়িক আৰু আন পদ সৃষ্টি কৰা আৰু তাত নিযুক্তি দিয়া;

(XVI) বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰাৰ দৰে এনে ৰীতিত আৰু এনে প্ৰয়োজনৰ বাবে ভাৰতৰ ভিতৰত বা বাহিৰত কোনো আন বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ প্ৰাধিকাৰ বা শিক্ষা প্ৰতিষ্ঠানৰ সৈতে সহযোগ বা সহযোগিতা সম্মিলিত কৰা;

(XVII) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰলৈ গৃহীত কোনো শিক্ষা প্ৰতিষ্ঠানত শিক্ষা দিয়াৰ বাবে ব্যক্তিসমূহৰ নিয়োজনৰ অনুমোদন দিয়া আৰু এনে অনুমোদন প্ৰত্যাহাৰ কৰা;

(XVIII) এই প্ৰয়োজনৰ বাবে স্থাপিত উপযুক্ত কৌশলৰ জৰিয়তে স্বীকৃতিপ্ৰাপ্ত শিক্ষা প্ৰতিষ্ঠানসমূহ পৰিদৰ্শন কৰা আৰু তেওঁলোকৰ দ্বাৰা শিক্ষা, শিক্ষণ আৰু প্ৰশিক্ষণৰ সঠিক মানদণ্ডৰ পৰিচালিত কৰা হৈছেবুলি আৰু উপযুক্ত গ্ৰন্থাগাৰ, গৱেষণাগাৰ চিকিৎসালয়, কৰ্মশালা আৰু আন শৈক্ষিক সুবিধাসমূহৰ, উপবন্ধ কৰা হৈছে বুলি সুনিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা;

(XIX) স্ব-বিত্তপোষিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ ছাত্ৰসকলৰ ওপৰত উদ্গ্ৰহণ কৰিবলগীয়া মাচুল আৰু আন প্ৰভাৰ বিহিত কৰা;

(XX) একেই আৰু অনুৰূপ এলেকাত কাৰ্য্য কৰা বিভিন্ন মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্য্যক সমন্বিত কৰা;

(XXI) কম্পিউটাৰ কেন্দ্ৰ, প্ৰশিক্ষণ কেন্দ্ৰ, যান্ত্ৰিক কেন্দ্ৰ, গ্ৰন্থাগাৰ, পৰিবেশ দ্ৰষ্টা যন্ত্ৰপাতি সদৃশ কেন্দ্ৰীয় সুবিধাসমূহ গঠন কৰা;

(XXII) বিভিন্ন বিষয়ৰ বাবে পাঠসূচী উন্নয়ন কেন্দ্ৰ গঠন কৰা;

(XXIII) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত নোহোৱা ইয়াৰ বিশেষাধিকাৰত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহক গৃহীত কৰা আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে চৰ্তাৱলীৰ অনুসৰণত সেই বিশেষাধিকাৰৰ সকলো বা কোনোটোক প্ৰত্যাহাৰ কৰা;

(XXIV) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত নোহোৱা ছাত্ৰ নিবাসৰ পৰিচালনা, পৰ্য্যবেক্ষণ আৰু নিয়ন্ত্ৰণ আৰু ছাত্ৰসকলৰ আন ব্যৱস্থাপনাৰ স্বীকৃতি দিয়া, আৰু এনে কোনো স্বীকৃতিক প্ৰত্যাহাৰ কৰা;

(XXV) বিশ্ববিদ্যালয়ে উচিত গণ্য কৰা দৰে গৱেষণা আৰু পৰামৰ্শ সেৱাৰ বাবে আৰু সেই প্ৰয়োজনৰ বাবে আন শিক্ষা প্ৰতিষ্ঠানক নিকায়ৰ এনে বন্দোবস্তত প্ৰবিষ্ট হ'বলৈ উপবন্ধ কৰা;

(XXVI) মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ স্বীকৃতিৰ বাবে মাচুল বিহিত কৰা;

(XXVII) বিশ্ববিদ্যালয়ৰ নাম ভৰ্তিৰ মানদণ্ড নিৰ্ধাৰণ কৰা যিয়ে পৰীক্ষা, মূল্যাংকন, বা পৰীক্ষণৰ কোনো আন পদ্ধতিক অন্তৰ্ভুক্ত কৰে;

(XXVIII) বিশ্ববিদ্যালয়ৰ বৃত্তিভোগী সদস্য পদ, বৃত্তি, ছাত্ৰাৱস্থা, সহকাৰী পদ, মেডেল, আৰু পুৰস্কাৰ সংস্থিতি আৰু প্ৰদান কৰা;

(XXIX) মাচুল আৰু আন প্ৰভাৰসমূহৰ আদায় দাবী আৰু গ্ৰহণ কৰা;

(XXX) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ আৱাস গৃহ পৰ্য্যবেক্ষণ কৰা আৰু তেওঁলোকৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণৰ বিকাশৰ বাবে বন্দোবস্ত কৰা;

(XXXI) বিশ্ববিদ্যালয়ে বাঞ্ছনীয় বিবেচনা কৰাৰ দৰে মহিলা ছাত্ৰীসকলৰ সম্বন্ধত এনে বিশেষ বন্দোবস্ত কৰা;

(XXXII) বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ ছাত্ৰসকলৰ আচৰণক শৃংখলিত কৰা;

(XXXIII) বিভাগ, স্বীকৃতিপ্ৰাপ্ত শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় আৰু অধ্যয়নৰ কেন্দ্ৰসমূহত অধ্যয়নৰ বিভিন্ন পাঠ্যক্ৰমৰ বাবে ছাত্ৰকলৰ নামভৰ্তিৰ নিয়ন্ত্ৰণ আৰু বিনিয়মিত কৰা;

(XXXIV) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী আৰু মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰী কাৰ্য্য আৰু আচৰণক বিনিয়মিত কৰা;

(XXXV) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী আৰু ছাত্ৰসকলৰ মাজত অনুশাসন বিনিয়মিত আৰু বলৱৎ কৰা আৰু আৱশ্যকীয় গণ্য কৰাৰ দৰে এই সম্বন্ধত এনে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা;

(XXXVI) স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ ব্যৱস্থাপনাৰ বাবে আচৰণ বিধি বিহিত কৰা;

(XXXVII) বিশ্ববিদ্যালয় আৰু সেই মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীসকলৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণৰ বিকাশৰ বাবে বন্দোবস্ত কৰা;

(XXXVIII) ব্যক্তিসমূহৰ পৰা উপকাৰ, দান, আৰু উপহাৰ গ্ৰহণ কৰা আৰু এনে সন্মানৰ আসন, শিক্ষা প্ৰতিষ্ঠান, ভৱন আৰু এনে সদৃশবোৰত পিচত নাম লিখা, বিশ্ববিদ্যালয়ে বিনিশ্চয় কৰাৰ দৰে, যাৰ উপহাৰ বা দান শ্ৰেষ্ঠ হয় তাৰ পৰিমাণ বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰে;

(XXXIX) বিশ্ববিদ্যালয়ৰ প্ৰয়োজনাৰ্থে ন্যাস আৰু স্থায়ী সম্পত্তিক অন্তৰ্ভুক্ত কৰি অস্থাৱৰ বা স্থাৱৰ কোনো সম্পত্তি অৰ্জন, ধাৰণ, পৰিচালন আৰু নিষ্পত্তি কৰা;

(XL) বিশ্ববিদ্যালয়ৰ সম্পত্তিৰ প্ৰতিভূতিত, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনসহ, বিশ্ববিদ্যালয় প্ৰয়োজনাৰ্থে ধন ধাৰ কৰা;

(XLI) হ্ৰস্ব আৰু দীৰ্ঘকালীন আধাৰত বিষয়সমূহৰ ক্ষেত্ৰত বিশেষজ্ঞৰ ক্ষেত্ৰত, শিক্ষাৰ স্তৰ আৰু কাৰিকৰী মানৱশক্তিৰ প্ৰশিক্ষণত, ছাত্ৰসকলৰ প্ৰয়োজনৰ মূল্যাংকন কৰা আৰু সেই প্ৰয়োজন পূৰণৰ বাবে আৱশ্যকীয় কাৰ্য্যসূচী সংস্থিত কৰা;

(XLII) পৰিপূৰক সুবিধাসমূহৰ উপবন্ধ কৰিবলৈ উদ্যোগৰ সহযোগৰ অংশগ্ৰহণৰ ব্যৱস্থাৰ প্ৰবৰ্তন কৰা;

(XLIII) 'দূৰৱৰ্তী শিক্ষণ' আৰু 'মুকলি প্ৰৱেশ'ৰ জৰিয়তে শিক্ষণৰ বাবে আৰু অনানুষ্ঠানিক মুকলি শিক্ষণ বৃত্তিৰ পৰা আনুষ্ঠানিক সৃতিলৈ আৰু তদ্বিপৰীতভাৱে ছাত্ৰসকলৰ গতিশীলতাৰ বাবে উপবন্ধ কৰা;

(XLIV) বিশ্ববিদ্যালয়ৰ মতত, ইয়াৰ উদ্দেশ্যৰ পৃষ্ঠপোষকতাৰ বাবে আৱশ্যকীয় গৱেষণা আৰু শিক্ষণৰ বাবে এনে চৌহদ, বিশেষ কেন্দ্ৰ, বিশেষজ্ঞ গৱেষণাগাৰ বা আন গোট স্থাপন কৰা;

(XLV) পৰিনিয়ম অনুসৰি, এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠান বা যথাস্থিতি এটা বিভাগত, স্বতন্ত্ৰ পৰিনিয়ম প্ৰদান কৰা;

(XLVI) উদ্যোগ আৰু শিক্ষা প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলৰ সামুদ্ৰিক মানদণ্ডৰ উন্নতি কৰিবলৈ প্ৰশিক্ষণৰ বাবে বন্দোবস্ত কৰা আৰু পৰিনিয়মত দ্বাৰা বিহিত কৰাৰ দৰে এনে প্ৰশিক্ষণৰ বাবে মাচুল উদ্গ্ৰহণ কৰা;

(XLVII) দেশৰ বাহিৰত কোনো স্থানত সমুদ্ৰাভিমুখী চৌহদ স্থাপন কৰা যেতিয়া বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেস্যসমূহৰ উন্নতিৰ বাবে ই আৱশ্যকীয় বুলি বিবেচনা কৰে;

(XLVIII) ইয়াৰ উদ্দেশ্যসমূহৰ সকলো বা কোনোটোৰ প্ৰাপ্তিৰ বাবে আৱশ্যকীয় আনুষংগিক বা সাধনমুখী হোৱা দৰে এনে আন সকলো কাৰ্য্য আৰু কৰ্ম কৰা।

*আধিকাৰিতা*

৬। বিশ্ববিদ্যালয়ৰ অধিকাৰিতা সমগ্ৰ ভাৰতত বিস্তাৰ হ'ব।

*বিশ্ববিদ্যালয়, সকলো শ্ৰেণী, জাতি আৰু ধৰ্মৰ বাবে মুকলি থাকিব।*

৭। বিশ্ববিদ্যালয়, যিকোনো লিংগৰ ব্যক্তিসমূহৰ আৰু জাতি, ধৰ্ম, গোত্ৰ বা শ্ৰেণী যিটোৱেই হওঁক সকলোৰে বাবে মুকলি থাকিব আৰু বিশ্ববিদ্যালয়ৰ এজন শিক্ষকৰূপে নিযুক্তি দিবলৈ তেওঁক হকদাৰ কৰাৰ বাবে ধৰ্মীয় বিশ্বাস বা বৃত্তি যিটোৱেই হওঁক কোনো ব্যক্তিৰ ওপৰত কোনো পৰীক্ষা ল'বলৈ বা আৰোপ কৰিবলৈ বা তাত আন কোনো ধাৰণ কৰা বা বিশ্ববিদ্যালয়ত এজন ছাত্ৰ ৰূপে নামভৰ্তি কৰা বা তাত স্নাতক হোৱা বা তাত কোনো বিশেষাধিকাৰ উপভোগ বা কাৰ্যকৰী কৰাটো বিশ্ববিদ্যালয়ৰ বাবে বিধিপূৰ্ণ নহ'ব ঃ

পৰন্তু এই ধাৰাত থকা কোনো কথাই, শাৰিৰীকভাৱে অক্ষম মহিলা বা সমাজৰ দুৰ্বল শ্ৰেণীৰ ব্যক্তিসকলৰ আৰু বিশেষত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ শিক্ষাগত স্বাৰ্থৰ নিয়োজন বা পদোন্নতিৰ বাবে বিশেষ উপবন্ধসমূহ প্ৰস্তুত কৰাৰ পৰা বিশ্ববিদ্যালয়ক নিষেধ কৰা বুলি গণ্য নহ'ব।

*বিশ্ববিদ্যালয়ৰ নিধি.*

৮। (১) এটা বিশ্ববিদ্যালয় নিধি থাকিব যিয়ে নিম্নলিখিত সমূহক অন্তৰ্ভুক্ত কৰিব——

(ক) কেন্দ্ৰীয় চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ এখন সাধনোপায়ৰ দ্বাৰা দিয়া কোনো বৰঙণি বা মঞ্জুৰী;

(খ) ৰাজ্য চৰকাৰৰ দ্বাৰা দিয়া কোনো বৰঙণি বা মঞ্জুৰী;

(গ) নৌ পৰিবহন কোম্পানী, সমুদ্ৰাভিমুখী নিৰ্মাণ কোম্পানী আৰু দাইভিং কোম্পানীৰ পৰা পোৱা কোনো বৰঙণি;

(ঘ) কোনো নিজস্ব ব্যক্তি বা প্ৰতিষ্ঠানৰ দ্বাৰা দিয়া কোনো ইচ্ছাপত্ৰৰ দ্বাৰা দান কৰা, দান, স্থায়ী নিধি, বা আন মঞ্জুৰী;

(ঙ) মাচুল আৰু প্ৰভাৰৰ পৰা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰাপ্ত কৰা আয়; আৰু

(চ) আন কোনো উৎসৰ পৰা প্ৰাপ্তি ধনৰাশি;

(২) উক্ত নিধিক, পৰিনিয়ম আৰু অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে বিশ্ববিদ্যালয়ৰ এনে প্ৰয়োজনৰ বাবে আৰু এনে ৰীতিত ব্যৱহৃত কৰা হ'ব।

কুলাধ্যক্ষ ৯। (১) ভাৰতৰ ৰাষ্ট্ৰপতি বিশ্ববিদ্যালয়ৰ কুলাধ্যক্ষ হ'ব।

(২) কুলাধ্যক্ষই, সময়ে সময়ে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহক অন্তৰ্ভুক্ত কৰি বিশ্ববিদ্যালয়ৰ কাৰ্য্য আৰু প্ৰগতিৰ পুনৰীক্ষণ কৰিবলৈ আৰু ইয়াৰ ওপৰত এখন প্ৰতিবেদন দাখিল কৰিবলৈ এক বা ততোধিক ব্যক্তিক নিযুক্তি দিব পাৰে; আৰু সেই প্ৰতিবেদনৰ প্ৰাপ্তিত কুলাধ্যক্ষই, উপাচাৰ্য্যৰ জৰিয়তে ইয়াৰ ওপৰত লোৱা কাৰ্য্যবাহী পৰিষদৰ মতামত প্ৰাপ্তিৰ পিচত প্ৰতিবেদনৰ জড়িত বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত তেওঁ আৱশ্যকীয় বিবেচনা কৰাৰ দৰে এনে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু এনে নিৰ্দেশনা জাৰি কৰিব পাৰে আৰু বিশ্ববিদ্যালয়, এনে নিৰ্দেশনা পালন কৰিবলৈ বাধ্য হ'ব।

(৩) কুলাধ্যক্ষৰ তেওঁ নিৰ্দেশ দিয়াৰ দৰে এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা বিশ্ববিদ্যালয়, ইয়াৰ ভৱন, গ্ৰন্থাগাৰ, গৱেষণাগাৰ আৰু সা-সৰঞ্জাম, আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা ইয়াৰ বিশেষাধিকাত থকা কোনো মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান বা চৌহদ; আৰু বিশ্ববিদ্যালয় দ্বাৰা পৰিচালিত বা কৰা পৰীক্ষা, শিক্ষণ আৰু আন কাৰ্য্যৰ পৰিদৰ্শন কৰিবলৈ আৰু বিশ্ববিদ্যালয়, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰশাসন বা বিত্তৰ সৈতে জড়িত আন বিষয়ৰ সম্বন্ধত এনে সদৃশ ৰীতিত এটা অনুসন্ধান কৰিবলৈ অধিকাৰ থাকিব।

(৪) কুলাধ্যক্ষই, উপধাৰা (৩) ত নিৰ্দেশিত প্ৰত্যেক বিষয়ত,—

(ক) বিশ্ববিদ্যালয়ক এটা পৰিদৰ্শন বা অনুসন্ধান কৰাৰ তেওঁৰ অভিপ্ৰায়ৰ বিষয়ে বিশ্ববিদ্যালয়ক সূচনা দিব, যদি এনে পৰিদৰ্শন বা অনুসন্ধান ইয়াৰ দ্বাৰা পৰিচালিত বিশ্ববিদ্যালয় বা কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ সম্বন্ধত কৰা হয়; বা

(খ) মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালনাৰ এটা পৰিদৰ্শন বা অনুসন্ধান কৰাৰ তেওঁৰ অভিপ্ৰায়ৰ বিষয়ে বিশ্ববিদ্যালয়ক সূচনা দিব যদিহে পৰিদৰ্শন বা অনুসন্ধান বিশ্ববিদ্যালয়ৰ বিশেষাধিকাত গৃহীত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ সম্বন্ধত কৰা হয়, আৰু বিশ্ববিদ্যালয় বা যথাস্থিতি কৰ্তৃপক্ষৰ, ই আৱশ্যক বিবেচনা কৰা দৰে, কুলাধ্যক্ষলৈ এনে প্ৰতিবেদন দিবলৈ অধিকাৰ থাকিব, ই

(৫) বিশ্ববিদ্যালয় বা যথাস্থিতি কৰ্তৃপক্ষৰ দ্বাৰা দিয়া প্ৰতিবেদনসমূহ, যদি কিবা থাকে, বিবেচনা কৰাৰ পিচত,কুলাধ্যক্ষই, উপধাৰা (৩)ত নিৰ্দেশিত দৰে এনে পৰিদৰ্শন বা অনুসন্ধান কৰিবলৈ কাৰিত কৰিব পাৰে।

(৬) যেতিয়া কুলাধ্যক্ষৰ দ্বাৰা কোনো পৰিদৰ্শন বা অনুসন্ধান কৰা হয় বিশ্ববিদ্যালয় বা কৰ্তৃপক্ষই এজন প্ৰতিনিধিক নিযুক্তি দিবলৈ হক্‌দাৰ হ'ব যাৰ এনে পৰিদৰ্শন বা অনুসন্ধানত ব্যক্তিগতভাৱে হাজিৰ হ'বলৈ আৰু শুনানী ল'বলৈ অধিকাৰ থাকিব।

(৭) কুলাধ্যক্ষই, ইয়াৰ দ্বাৰা পৰিচালনা কৰা বিশ্ববিদ্যালয়, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ সম্বন্ধত যদিহে কোনো পৰিদৰ্শন বা অনুসন্ধান কৰে, এনে মতামতৰ সৈতে একেলগে এনে পৰিদৰ্শন বা অনুসন্ধানৰ পৰিনামৰ সন্দৰ্ভত মত, উপাচাৰ্য্যক সম্বোধিত কৰিব পাৰে আৰু কুলাধ্যক্ষই প্ৰদান কৰিবলৈ সন্তুষ্টি প্ৰকাশ কৰাত ইয়াৰ ওপৰত গ্ৰহণ কৰিবলগীয়া কাৰ্য্য ব্যৱস্থাৰ লক্ষ্য ৰাখি পৰামৰ্শ দিব পাৰে, আৰু কুলাধ্যক্ষৰ দ্বাৰা

দিয়া সম্বোধনৰ প্ৰাপ্তিত, উপাচাৰ্য্যই পৰিদৰ্শন বা অনুসন্ধানৰ পৰিনাম, আৰু কুলাধ্যক্ষৰ মতামত আৰু ইয়াৰ ওপৰত গ্ৰহণ কৰিবলগীয়া কাৰ্য্য ব্যৱস্থাৰ ওপৰত তেওঁৰ দ্বাৰা প্ৰদান কৰা পৰামৰ্শ কাৰ্য্যনিৰ্বাহক পৰিষদক শীঘ্ৰে সূচিত কৰিব;

(৮) কুলাধ্যক্ষই, বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰ গৃহীত কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ সম্বন্ধত যদি কোনো পৰিদৰ্শন বা অনুসন্ধান কৰা হয়, এনে পৰিদৰ্শন বা অনুসন্ধান পৰিনাম, সন্দৰ্ভত ইয়াৰ ওপৰত তেওঁৰ মতামত আৰু ইয়াৰ ওপৰত গ্ৰহণ কৰিবলগীয়া কাৰ্য্য ব্যৱস্থাৰ ওপৰত সন্তুষ্টি প্ৰদান কৰিবলৈ তেওঁ সন্তুষ্টি প্ৰকাশ কৰাত উপাচাৰ্যৰ জৰিয়তে সংশ্লিষ্ট ব্যৱস্থাপনক বা সম্বোধন কৰিব পাৰে।

(৯) কাৰ্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি কৰ্তৃপই এনে কাৰ্য্য ব্যৱস্থা যদি কিবা থাকে, কুলাধ্যক্ষলৈ উপাচাৰ্য্যৰ যোগেদি সূচিত কৰিব যিদৰে ই এনে পৰিদৰ্শন বা অনুসন্ধানৰ পৰিনামত এনে কাৰ্য্য ব্যৱস্থা ল'বলৈ বা লৈছে বুলি প্ৰস্তাৱ কৰে।

(১০) যেতিয়া, কাৰ্য্যনিৰ্বাহক পৰিষদ, বা কৰ্তৃপক্ষই এটা যুক্তিসংগত সময়ৰ ভিতৰত, কুলাধ্যক্ষৰ সন্তুষ্টিলৈ কোনো কাৰ্য্য ব্যৱস্থা নলয়, তেতিয়া কুলাধ্যক্ষই, কাৰ্য্যনিৰ্বাহক পৰিষদ বা কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা কোনো স্পষ্টীকৰণ বা দিয়া প্ৰতিবেদন বিবেচনা কৰাৰ পিচত, তেওঁ উচিত ভৱা কৰা দৰে এনে নিৰ্দেশনা জাৰি কৰিব পাৰে আৰু কাৰ্য্যনিৰ্বাহক পৰিষদে এনে নিৰ্দেশনা পালন কৰিব।

(১১) এই ধাৰাৰ পূৰ্বগামী উপৰন্ধাৱলীৰ প্ৰতিকূল নোহোৱাকৈ, কুলাধ্যক্ষই, লিখিত আদেশৰ দ্বাৰা, অধিনিয়ম পৰিনিয়ম বা অধ্যাদেশৰ অসঙ্গত নোহোৱা বিশ্ববিদ্যালয়ৰ কোনো কাৰ্য্যবাহী বদ্ কৰিব পাৰেঃ

পৰন্তু এনে কোনো আদেশ কৰাৰ পূৰ্বে, কুলাধ্যক্ষই, কিয় এনে এটা আদেশ কৰা নহ'ব তাৰ কাৰণ দৰ্শাবলৈ পঞ্জীয়কক আহ্বান কৰিব আৰু যদিহে এটা যুক্তিসংগত সময়ৰ ভিতৰত কোনো কাৰণ দৰ্শোৱা হয়, তেওঁ সেইবোৰক বিবেচনা কৰিব।

(১২) পূৰ্বগামী উপৰন্ধাৱলীত কোনো কথা থকা সত্বেও, কুলাধ্যক্ষই, বিশ্ববিদ্যালয়ক এটা সুযোগ দিয়াৰ পিচত বিশ্ববিদ্যালয়লৈ কোনো নিৰ্দেশনা দিব পাৰে যিদৰে পৰিস্থিতিয়ে সমৰ্থন নকৰে।

(১৩) কুলাধ্যক্ষৰ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে আন ক্ষমতা থাকিব।

*বিশ্ববিদ্যালয়ৰ পদাধিকাৰী।*

১০। নিম্নলিখিত সমূহ বিশ্ববিদ্যালয়ৰ পদাধিকাৰী হ'ব ঃ—

(১) আচাৰ্য্য;

(২) উপাচাৰ্য্য;

(৩) প্ৰতি উপাচাৰ্য্য;

(৪) বিদ্যালয়ৰ ডীন;

(৫) সঞ্চালক;

(৬) পঞ্জীয়ক;

(৭) বিত্ত পদাধিকাৰী; আৰু

(৮) বিশ্ববিদ্যালয়ৰ পদাধিকাৰী হ'বলৈ পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰা এনে আন পদাধিকাৰী।

আচাৰ্য্য

১১। (১) আচাৰ্য্যক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰাদৰে এনে ৰীতিত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) আচাৰ্য্য, তেওঁৰ পদাভিধানত বিশ্ববিদ্যালয়ৰ মুৰব্বী হ'ব।

(৩) আচাৰ্য্যই, যদি উপস্থিত থাকে, উপাধিসমূহৰ প্ৰদানৰ বাবে অনুষ্ঠিত কৰা বিশ্ববিদ্যালয়ৰ সমাবৰ্তনৰ সভাপতিত্ব কৰিব।

উপাচাৰ্য্য

১২। (১) উপাচাৰ্য্যক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰাদৰে এনে ৰীতিত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) উপাচাৰ্য্য, বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্য্যপালিকা আৰু শৈক্ষিক পদাধিকাৰী হ'ব আৰু বিশ্ববিদ্যালয়ৰ কাৰ্য্যকলাপৰ ওপৰত সাধাৰণ পৰ্যবেক্ষণ আৰু নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰিব নিয়ন্ত্ৰণ আৰু বিশ্ববিদ্যালয় সকলো প্ৰাধিকাৰীৰ বিনিশ্চয়ক প্ৰভাৰী কৰিব।

(৩) উপাচাৰ্য্যই, কোনো বিষয়ৰ ওপৰত শীঘ্ৰে কাৰ্য্যব্যৱস্থা লোৱাটো আৱশ্যকীয় বুলি যদি অভিমত দিয়ে, তেন্তে তেওঁ এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ ওপৰত প্ৰদান কৰা কোনো ক্ষমতা কাৰ্য্যকৰী কৰিব পাৰে আৰু এনে বিষয়ৰ ওপৰত এনে প্ৰাধিকাৰীক, তেওঁৰ দ্বাৰা লোৱা কাৰ্যব্যৱস্থাৰ প্ৰতিবেদন দিব ঃ

পৰন্তু সংশ্লিষ্ট প্ৰাধিকাৰীৰ, এনে কাৰ্য্যব্যৱস্থা লোৱাটো উচিত নহ'ব বুলি যদিহে অভিমত হয়, তেতিয়া ই বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব পাৰে, ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

উপৰন্তু বিশ্ববিদ্যালয়ৰ সেৱাত থকা কোনো ব্যক্তি যিয়ে এই উপধাৰাৰ অধীনত উপাচাৰ্য্যৰ দ্বাৰা লোৱা কাৰ্য্য ব্যৱস্থাৰ দ্বাৰা ব্যথিত হয় তেওঁৰ, এনেকাৰ্য্য ব্যৱস্থাৰ ওপৰত দিয়া বিনিশ্চয় তেওঁক সূচিত কৰা তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত কাৰ্য্যনিৰ্বাহ পৰিষদলৈ এনে কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে আপীল কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত কাৰ্য্য নিৰ্বাহক পৰিষদে উপাচাৰ্য্যৰ দ্বাৰা লোৱা কাৰ্য্য ব্যৱস্থা দৃঢ় পৰিবৰ্তন বা বিপৰীত কৰিব পাৰে।

(৪) উপাচাৰ্য্যৰ বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ কোনো বিনিশ্চয় এই অধিনিয়মৰ উপবন্ধাৱলী, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা প্ৰদত্ত প্ৰাধিকাৰৰ ক্ষমতাৰ বাহিৰত বুলি বা লোৱা কোনো বিনিশ্চয় বিশ্ববিদ্যালয়ৰ স্বাৰ্থত নহয়, বুলি যদিহে তেওঁৰ অভিমত হয়, তেন্তে এনে বিনিশ্চয়ৰ ষাঠিদিনৰ ভিতৰত ইয়াৰ বিনিশ্চয় পুনৰীক্ষণ কৰিবলৈ সংশ্লিষ্ট প্ৰাধিকাৰীক ক'ব পাৰে আৰু যদি প্ৰাধিকাৰীয়ে বিনিশ্চয়টো সম্পূৰ্ণভাৱে বা আংশিকভাৱে পুনৰীক্ষণ কৰিবলৈ অস্বীকাৰ কৰে বা উক্ত ষাঠিদিনৰ কালৰ ভিতৰত ইয়াৰ দ্বাৰা কোনো বিনিশ্চয় লোৱা নহয়, তেন্তে বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰা হ'ব, ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

(৫) উপাচাৰ্য্যই, নিৰ্দেশ দিয়াৰ দৰে ইয়াৰ ভৱন, গ্ৰন্থাগাৰ, গৱেষণাগাৰ আৰু সা-সৰঞ্জাম আৰু মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ দ্বাৰা পৰিচালিত বা কৰা কোনো পৰীক্ষা, শিক্ষণ আৰু আন কাৰ্য্যক বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত নোহোৱা এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা এটা পৰিদৰ্শন কৰাবলৈ কাৰিত কৰিব পাৰে আৰু মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰশাসন বা বিত্তৰ সৈতে জড়িত কোনো বিষয়ৰ সম্বন্ধত সদৃশ ৰীতিত এটা অনুসন্ধান কাৰিত কৰিব পাৰে।

(৬) উপাচাৰ্য্যই, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা বিহিত কৰাদৰে এনে আন ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে আন কৰ্তব্য সম্পাদন কৰিব।

*প্ৰতি উপাচাৰ্য্য*

১৩। প্ৰতি উপাচাৰ্য্যক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত সেৱাৰ এনে নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত নিয়োজিত কৰা হ'ব আৰু তেওঁক এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্য সম্পাদন কৰিব।

*বিদ্যালয়ৰ ডীন*

১৪। এখন বিদ্যালয়ৰ প্ৰত্যেক ডীনক পৰিনিয়মৰ দ্বাৰা বিহিত কৰাদৰে এনে ৰীতিত নিয়োজিত কৰা হ'ব আৰু তেওঁ এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্য সম্পাদন কৰিব।

*সঞ্চালক*

১৫। প্ৰত্যেক সঞ্চালকক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত, সেৱাৰ এনে নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত নিয়োজিত কৰা হ'ব আৰু তেওঁ এনে কৰ্তব্য সম্পাদন কৰিব।

*পঞ্জীয়ক*

১৬। (১) প্ৰত্যেক পঞ্জীয়কক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰাদৰে এনে ৰীতিত নিয়োজিত কৰা হ'ব।

(২) পঞ্জীয়কৰ বিশ্ববিদ্যালয়ৰ হকে চুক্তি কৰাৰ, দস্তাবেজ স্বাক্ষৰ কৰাৰ আৰু অভিলেখৰ অধিপ্ৰমাণিত কৰাৰ ক্ষমতা থাকিব।

(৩) প্ৰত্যেক পঞ্জীয়কৰ পৰিনিয়মত বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্য সম্পাদন কৰিব।

*বিত্ত পদাধিকাৰী*

১৭। বিত্ত পদাধিকাৰীক পৰিনিয়মত বিহিত কৰা দৰে এনে ৰীতিত নিয়োজিত কৰা হ'ব আৰু তেওঁ এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্য সম্পাদন কৰিব।

*আন পদাধিকাৰীসমূহ।*

১৮। বিশ্ববিদ্যালয়ৰ আন পদাধিকাৰীসমূহৰ নিয়োজনৰ ৰীতি আৰু ক্ষমতা আৰু কৰ্তব্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী।*

১৯। নিম্নলিখিতসমূহ বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী হ'ব ঃ—

(১) সভা;

(২) কাৰ্য্যনিৰ্বাহক পৰিষদ;

(৩) শৈক্ষিক পৰিষদ;

(৪) পৰিকল্পনা বোৰ্ড;

(৫) শাখা;

(৬) বিদ্যালয় বোৰ্ড;

(৭) বিত্ত সমিতি আৰু;

(৮) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী হ'বলৈ পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰা এনে আন প্ৰাধিকাৰী।

*সভা*

২০। (১) সভাৰ গঠন আৰু ইয়াৰ সদস্যসমূহৰ পদাৱধি পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

(২) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, সভাৰ, নিম্নলিখিত ক্ষমতা আৰু কৃত্য থাকিব, অৰ্থ্যাৎ ঃ—

(ক) বিশ্ববিদ্যালয়ৰ বোৰ্ডৰ নীতি আৰু কাৰ্য্যক্ৰম সময়ে সময়ে পুনৰীক্ষণ কৰা আৰু বিশ্ববিদ্যালয়ৰ উন্নতি আৰু বিকাশৰ বাবে ব্যৱস্থাৰ পৰামৰ্শ দিয়া;

(খ) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন আৰু বাৰ্ষিক হিচাপৰ বিবেচনা আৰু প্ৰস্তাৱ পাৰিত কৰা আৰু এনে হিচাপসমূহ ওপৰত থকা প্ৰতিবেদনৰ হিচাপ পৰীক্ষা কৰা;

(গ) উপদেশৰ বাবে ইয়ালৈ নিৰ্দেশিত কৰা কোনো বিষয়ৰ সম্বন্ধত কুলাধ্যক্ষৰ পৰামৰ্শ দিয়া;

(ঘ) পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে আন কৃত্য সম্পাদন কৰা।

*কাৰ্য্যনিৰ্বাহক পৰিষদ।*

২১। (১) কাৰ্য্যনিৰ্বাহক পৰিষদ, বিশ্ববিদ্যালয়ৰ মুখ্য নিৰ্বাহক নিকায় হ'ব।

(২) কাৰ্য্যনিৰ্বাহক পৰিষদৰ গঠন, ইয়াৰ সদস্যসমূহৰ পদাৱধি আৰু ইয়াৰ ক্ষমতা আৰু কৃত্যসমূহক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*শৈক্ষিক পৰিষদ*

২২। (১) শৈক্ষিক পৰিষদ, বিশ্ববিদ্যালয়ৰ মুখ্য শৈক্ষিক নিকায় হ'ব আৰু এই অধিনিয়মৰ, উপৰন্ধাৱলী পৰিনিয়ম আৰু অধ্যাদেশৰ সাপেক্ষে, বিশ্ববিদ্যালয়ৰ ভিতৰত শিক্ষণ, শিক্ষা আৰু পৰীক্ষাৰ মানদণ্ডৰ সংৰক্ষণৰ ওপৰত নিয়ন্ত্ৰণ আৰু পৰ্য্যবেক্ষণ কৰিব আৰু ইয়াৰ বাবে দায়ী হ'ব আৰু ইয়াৰ ওপৰত প্ৰদত্ত বা আৰোপিত এনে আন কৰ্তব্যসমূহৰ সম্পাদন কৰিব।

(২) শৈক্ষিক পৰিষদৰ, সকলো শৈক্ষিক বিষয়ৰ ওপৰত কাৰ্য্যনিৰ্বাহক পৰিষদক পৰামৰ্শ দিবলৈ অধিকাৰ থাকিব।

(৩) শৈক্ষিক পৰিষদৰ গঠন আৰু ইয়াৰ সদস্যসকলৰ পদাৱধি, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব।

*শাখা ভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড।*

২৩। (১) শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত, মহাবিদালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহক গৃহীত কৰাৰ বাবে দায়ী হ'ব।

(২) শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ডৰ গঠন, ইয়াৰ সদস্যসমূহৰ পদাৱধি আৰু ইয়াৰ ক্ষমতা আৰু কৰ্তব্যসমূহ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব।

*পৰিকল্পনা বোৰ্ড*

২৪। (১) পৰিকল্পনা বোৰ্ড, বিশ্ববিদ্যালয়ৰ মুখ্য পৰিকল্পনা নিকায় হ'ব।

(২) পৰিকল্পনা বোৰ্ড, বিশ্ববিদ্যালয়ৰ বিকাশৰ নিৰীক্ষণৰ বাবে দায়ী হ'ব।

(৩) পৰিকল্পনা বোৰ্ডৰ গঠন, ইয়াৰ সদস্যসমূহৰ পদাৱধি আৰু ইয়াৰ ক্ষমতা আৰু কৃত্যসমূহ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিদ্যালয় বোৰ্ড*

২৫। (১) বিশ্ববিদ্যালয়ে সময়ে সময়ে নিৰ্ধাৰণ কৰা দৰে এনে সংখ্যক বিদ্যালয় বোৰ্ড থাকিব।

(২) বিদ্যালয় বোৰ্ডৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব।

*বিত্ত সমিতি*

২৬। বিত্ত সমিতিৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিশ্ববিদ্যালয়ৰ আন প্ৰাধিকাৰীসমূহ।*

২৭। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী হ'বলৈ পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰাদৰে আন প্ৰাধিকাৰীৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*পৰিনিয়ম প্ৰণয়নৰ ক্ষমতা।*

২৮। এই অধিনিয়মৰ, উপাৰন্ধাৱলীৰ সাপেক্ষে, পৰিনিয়মসমূহে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থ্যাৎ ঃ—

(ক) সময়ে সময়ে গঠিত হোৱা দৰে বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী আৰু আন নিকায়সমূহৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ;

(খ) উক্ত প্ৰাধিকাৰী আৰু নিকায়সমূহৰ সদস্যসকলৰ নিৰ্বাচন আৰু পদৰ নিৰন্তৰতা, সদস্যসমূহৰ পদৰিক্তিৰ পূৰণ কৰা আৰু সেই প্ৰাধিকাৰী আৰু আন নিকায়সমূহৰ সম্পৰ্কিত আন সকলো বিষয়, যাৰ বাবে উপবন্ধ কৰাটো আৱশ্যকীয় বা বাঞ্ছনীয় হয়।

(গ) বিশ্ববিদ্যালয়ৰ পদাধিকাৰীসমূহৰ নিযুক্তিৰ ৰীতি, সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী, তেওঁলোকৰ ক্ষমতা আৰু কৰ্তব্য আৰু পৰিভূতি;

(ঘ) বিশ্ববিদ্যালয়ৰ শিক্ষক, শৈক্ষিক কৰ্মীবৃন্দ আৰু আন কৰ্মচাৰীবৃন্দৰ নিযুক্তিৰ ৰীতি আৰু তেওঁলোকৰ পৰিভূতি;

(ঙ) কোনো যুটীয়া প্ৰকল্পৰ গ্ৰহণৰ বাবে এটা বিনিৰ্দিষ্টকালৰ বাবে কোনো আন বিশ্ববিদ্যালয়ত বা সংগঠনত কাম কৰা শিক্ষক আৰু শৈক্ষিক কৰ্মচাৰীবৃন্দৰ নিযুক্তিৰ ৰীতি, তেওঁলোকৰ সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী আৰু পৰিভূতি;

(চ) পেঞ্চন বীমা আৰু ভৱিষ্যনিধি, সেৱাৰ অসৱানৰ ৰীতি আৰু অনুশাসনিক কাৰ্য্যৰ বাবে থকা উপবন্ধক অন্তৰ্ভুক্ত কৰি কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্তাৱলী;

(ছ) বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ সেৱাৰ জ্যেষ্ঠতা পৰিচালনা কৰা নীতি;

(জ) কৰ্মচাৰীবৃন্দ বা ছাত্ৰবৃন্দ আৰু বিশ্ববিদ্যালয়ৰ মাজত বিবাদৰ গোচৰসমূহত মধ্যস্থতাৰ বাবে প্ৰক্ৰিয়া;

(ঝ) বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীৰ কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে কোনো কৰ্মচাৰীবৃন্দ বা ছাত্ৰৰ দ্বাৰা কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আপীল কৰাৰ বাবে প্ৰক্ৰিয়া;

(ঞ) এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠান বা এটা বিভাগত স্বায়ত্ব স্থিতিৰ প্ৰদান;

(ট) বিদ্যালয়, বিভাগ, কেন্দ্ৰ, ছাত্ৰ নিৱাস, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ স্থাপন আৰু সমাপ্তকৰণ;

(ঠ) সন্মানিক উপাধিসমূহৰ প্ৰদান;

(ড) উপাধি, ডিপ্লোমা, প্ৰমাণ পত্ৰ আৰু আন শৈক্ষিক বিদ্যা সম্বন্ধীয় উপাধিৰ প্ৰত্যাহাৰকৰণ;

(ঢ) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত গৃহীত হোৱা মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধীনৰ চৰ্তাৱলী আৰু এনে বিশেষাধিকাৰৰ প্ৰত্যাহাৰকৰণ;

(ণ) শিক্ষানুষ্ঠানৰ বৃত্তি ভোগী সদস্যপদ, বৃত্তি, ছাত্ৰ পদ, সহকাৰী পদ, মেডেল আৰু পুৰস্কাৰৰ শিক্ষা প্ৰতিষ্ঠান;

(ত) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী বা পদাধিকাৰীসমূহত ন্যস্ত কৰা ক্ষমতাৰ আৰোপণ;

(থ) কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা; আৰু

(দ) এই অধিনিয়মৰ দ্বাৰা, আন সকলো বিষয় পৰিনিয়মৰ দ্বাৰা উপবন্ধ কৰে বা কৰিব পাৰে।

*পৰিনিয়ম কেনেকৈ প্ৰণয়ন কৰা হ'ব।*

২৯। (১) অনুসূচিত বৰ্ণিতসমূহ প্ৰথম পৰিনিয়ম।

(২) কাৰ্য্যনিৰ্বাহক পৰিষদে, সময়ে সময়ে নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা উপধাৰা (১)ত নিৰ্দেশিত পৰিনিয়ম সংশোধন বা নিৰসন কৰিব পাৰে ঃ

পৰন্তু কাৰ্যনিৰ্বাহক পৰিষদে, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ স্থিতি, ক্ষমতা বা গঠন প্ৰভাৱী কৰা কোনো পৰিনিয়ম প্ৰণয়ন সংশোধন বা নিৰসন, নকৰিব যি পৰ্যন্ত এনে প্ৰাধিকাৰীক, প্ৰস্তাৱিত সালসলনিৰ ওপৰত লিখিতভাৱে এটা মতামত অভিব্যক্ত কৰাৰ কোনো সুযোগ দিয়া নহয় আৰু এনেদৰে অভিব্যক্ত কোনো মতামতক কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিবেচনা কৰা হ'ব।

(৩) প্ৰত্যেক নতুন পৰিনিয়ম, বা পৰিনিয়মৰ অতিৰিক্ত বা এটা পৰিনিয়মৰ কোনো সংশোধন বা নিৰসনে, কুলাধ্যক্ষৰ সন্মতিৰ অপেক্ষা কৰিব যিজনে ইয়াত সন্মতি জনাব বা প্ৰত্যাহাৰ কৰিব পাৰে বা বিবেচনাৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে।

(৪) এটা নতুন পৰিনিয়ম বা এটা বিদ্যমান পৰিনিয়মৰ সংশোধন বা নিৰসন কৰা এটা পৰিনিয়মৰ, বিধিমান্যতা নাথাকিব যি পৰ্যন্তই, কুলাধ্যক্ষৰ দ্বাৰা সন্মতিপ্ৰাপ্ত নহয়।

(৫) পূৰ্বগামী উপধাৰাত কোনো কথা থকা সত্ত্বেও, কুলাধ্যক্ষই, এই অধিনিয়মৰ প্ৰাৰম্ভৰ ঠিক পিচত তিনি বছৰৰ এটা কালৰ ভিতৰত নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা উপধাৰাৰ (১)ত নিৰ্দেশিত পৰিনিয়ম সংশোধন বা নিৰসন কৰিব পাৰে ঃ

পৰন্তু কুলাধ্যক্ষই, তিনি বছৰৰ উক্ত কালৰ অৱসানত, এনে অৱসানৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত, তেওঁ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে বিস্তৃত পৰিনিয়ম প্ৰণয়ম কৰিব পাৰে আৰু এনে বিস্তৃত পৰিনিয়মসমূহক সংসদৰ উভয় সদনত উত্থাপিত কৰা হ'ব।

(৬) পূৰ্বগামী উপ-ধাৰাত কোনো কথা থকা সত্বেও, কুলাধ্যক্ষই, তেওঁৰ দ্বাৰা বিনিৰ্দিষ্ট কোনো বিষয়ৰ সম্বন্ধত পৰিনিয়মসমূহত উপবন্ধ প্ৰণয়ন কৰিবলৈ বিশ্ববিদ্যালয়ক নিৰ্দেশ দিব পাৰে আৰু যদি কাৰ্যনিৰ্বাহক পৰিষদে, ইয়াৰ প্ৰাপ্তিৰ ষাঠি দিনৰ ভিতৰত এনে নিৰ্দেশনা প্ৰয়োগ কৰিবলৈ অসমৰ্থ হয়, কুলাধ্যক্ষই, এনে নিৰ্দেশনা পালন কৰিবলৈ ইয়াৰ অসামৰ্থতাৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা সূচিত কৰা কাৰণসমূহক বিবেচনা কৰাৰ পিচত, যদি কিবা থাকে, উপযুক্তভাৱে পৰিনিয়ম প্ৰণয়ন বা সংশোধন কৰিব পাৰে।

*অধ্যাদেশ প্ৰণয়নৰ ক্ষমতা।*

৩০। (১) এই অধিনিয়ম আৰু পৰিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, অধ্যাদেশ নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থ্যাৎ ঃ—

(ক) বিশ্ববিদ্যালয়ত ছাত্ৰসকলৰ ভৰ্তিকৰণ আৰু এনেদৰে হোৱা তেওঁলোকৰ নাম, ভৰ্তিকৰণ;

(খ) বিশ্ববিদ্যালয়ৰ সকলো ডিগ্ৰী, স্নাতক, উপাধি, ডিপ্লোমা আৰু প্ৰমাণ পত্ৰৰ বাবে ব্যৱস্থা কৰা অধ্যয়নৰ পাঠ্যক্ৰম;

(গ) শিক্ষণ আৰু পৰীক্ষাৰ মাধ্যম;

(ঘ) সেইবোৰৰ বাবে উপাধি, ডিপ্লোমা, প্ৰমাণ পত্ৰ আৰু আন শৈক্ষিক উপাধি প্ৰদান কৰা আৰু সেইবোৰক মঞ্জুৰ আৰু প্ৰাপ্ত কৰাৰ সম্পৰ্কে গ্ৰহণ কৰিবলগীয়া উপায়সমূহ;

(ঙ) বিশ্ববিদ্যালয়ত অধ্যয়নৰ পাঠ্যক্ৰমৰ বাবে আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষা, উপাধি আৰু ডিপ্লোমা গৃহীত কৰাৰ বাবে আৰোপ কৰিবলগীয়া মাচুল;

(চ) শিক্ষানুষ্ঠানৰ বৃত্তিভোগী সদস্যপদ, বৃত্তি, ছাত্ৰপদ, সহকাৰী পদ, মেডেল আৰু পুৰস্কাৰৰ প্ৰদানৰ বাবে চৰ্তাৱলী;

(ছ) পৰীক্ষক নিকায়, পৰীক্ষক আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ পদাবধি, নিযুক্তিৰ ৰীতি আৰু কৰ্তব্যক অন্তৰ্ভুক্ত কৰি, পৰীক্ষাৰ পৰিচালনা;

(জ) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ আবাসগৃহৰ চৰ্তাৱলী;

(ঝ) বিশেষ বন্দোবস্ত, যদি কিবা থাকে যিবোৰ মহিলা ছাত্ৰীসকলৰ আবাসগৃহ, অনুশাসন আৰু শিক্ষণৰ বাবে কৰা হয় আৰু তেওঁলোকৰ বাবে অধ্যয়নৰ বিশেষ পাঠ্যক্ৰমৰ বিহিতকৰণ;

(ঞ) আনবোৰৰ ব্যতিৰেকে, কৰ্মচাৰীৰ নিয়োজন আৰু পৰিভূতি যাৰ বাবে পৰিনিয়মত উপবন্ধ কৰা হৈছে;

(ট) অধ্যয়নৰ কেন্দ্ৰ, অধ্যয়ন বোৰ্ড, বিশেষ কেন্দ্ৰ, বিশেষজ্ঞ, গৱেষণাগাৰ আৰু আন সমিতিৰ স্থাপন;

(ঠ) শিক্ষিত নিকায় বা সংগঠনক অন্তৰ্ভুক্ত কৰি ভাৰতবৰ্ষৰ বা ভাৰতৰ বাহিৰত থকা আন বিশ্ববিদ্যালয় আৰু প্ৰাধিকাৰীৰ সহকাৰী আৰু সহযোগৰ ৰীতি;

(ড) কোনো আন নিকায়ৰ সৃষ্টি, গঠন আৰু কাৰ্য্য যিটো বিশ্ববিদ্যালয়ৰ শৈক্ষিক জীৱনৰ উন্নতিৰ বাবে আৱশ্যকীয় বুলি বিবেচিত হয়;

(ঢ) শিক্ষক আৰু আন কৰ্মচাৰীবৰ্গৰ সেৱাৰ এনে আন চৰ্ত আৰু নিবন্ধনসমূহ যিবোৰ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা নহয়;

(ণ) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ ব্যৱস্থাপন;

(ত) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত গৃহীত, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ পৰ্য্যবেক্ষণ আৰু ব্যৱস্থাপন;

(থ) কৰ্মচাৰীৰ অভিযোগৰ উপশমৰ বাবে শাসন যন্ত্ৰৰ গঠন;

(দ) এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা আন সকলো বিষয়ক অধ্যাদেশৰ দ্বাৰা উপবন্ধিত কৰা হয়।

(২) কেন্দ্ৰীয় চৰকাৰৰ পূৰ্বৰ অনুমোদনসহ উপাচাৰ্য্যৰ দ্বাৰা প্ৰথম অধ্যাদেশক প্ৰণয়ন কৰা হ'ব আৰু এনেদৰে প্ৰণীত অধ্যাদেশ, পৰিনিয়মৰ দ্বাৰা বিহিত ৰীতিত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা যিকোনো সময়ত সংশোধন, নিৰসন বা সংযোগ কৰা হ'ব পাৰে।

*বিনিয়মাৱলী*

৩১। বিশ্ববিদ্যালয়ত প্ৰাধিকাৰীয়ে তেওঁলোকৰ নিজা ব্যৱসায় আৰু তেওঁলোকৰ দ্বাৰা নিয়োজিত আৰু এই অধিনিয়ম পৰিনিয়ম আৰু অধ্যাদেশৰ দ্বাৰা উপবন্ধিত নকৰা সমিতিসমূহ, যদি কিবা থাকে, তাৰ পৰিচালনাৰ বাবে পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ সুসংগত হোৱা বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

*বাৰ্ষিক প্ৰতিবেদন*

৩২। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন কাৰ্য্যনিৰ্বাহক পৰিষদৰ নিৰ্দেশনাধীনত প্ৰস্তুত কৰা হ'ব যিয়ে আন বিষয়সমূহৰ ভিতৰত, ইয়াৰ উদ্দেশ্যসমূহৰ পূৰণৰ অৰ্থে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা ব্যৱস্থা অন্তৰ্ভুক্ত কৰিব আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে তাৰিখত সভাত বা এনে তাৰিখৰ পিচত দাখিল কৰা হ'ব আৰু সভাই, ইয়াৰ বাৰ্ষিক সভাত প্ৰতিবেদন বিবেচনা কৰিব।

(২) সভাই, ইয়াৰ মন্তব্যসহ যদি কিবা থাকে বাৰ্ষিক প্ৰতিবেদন কুলাধ্যক্ষক দাখিল কৰিব।

(৩) উপধাৰা (১)ৰ অধীনত প্ৰস্তুত কৰা, বাৰ্ষিক প্ৰতিবেদনৰ এটা প্ৰতিলিপিও, কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব যাক যথাশীঘ্ৰে সংসদৰ উভয় সদনত সেইবোৰক উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

*বাৰ্ষিক হিচাপ*

৩৩। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু উদ্বৃত্ত পত্ৰ, কাৰ্য্যনিৰ্বাহক পৰিষদৰ নিৰ্দেশনাধীনত প্ৰস্তুত কৰা হ'ব আৰু প্ৰত্যেক বছৰত কমেও এবাৰ আৰু পোন্ধৰ মাহৰ অনধিক অৱকাশত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা বা এই মৰ্মে তেওঁ প্ৰাধিকৃত কৰা এনে ব্যক্তিৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হ'ব।

(২) হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে বাৰ্ষিক হিচাপৰ এটা প্ৰতিলিপি, কাৰ্য্যনিৰ্বাহক পৰিষদৰ পৰ্য্যবেক্ষণসমূহৰ সৈতে একেলগে যদি কিবা থাকে কুলাধ্যক্ষ আৰু সভাত দাখিল কৰা হ'ব।

(৩) বাৰ্ষিক হিচাপৰ ওপৰত কুলাধ্যক্ষৰ দ্বাৰা কৰা কোনো পৰ্য্যবেক্ষণক সভাৰ দৃষ্টিলৈ অনা হ'ব আৰু সভাৰ পৰ্য্যবেক্ষণসমূহ, যদি কিবা থাকে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিবেচনা কৰাৰ পিচত, কুলাধ্যক্ষলৈ দাখিল কৰা হ'ব।

(৪) কুলাধ্যক্ষলৈ দাখিল কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে বাৰ্ষিক হিচাপৰ এটা প্ৰতিলিপি কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰা হ'ব, যাক যথাশীঘ্ৰে, সংসদৰ উভয় সদনত সেইবোৰক উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

(৫) সংসদৰ উভয় সদনত উত্থাপিত হোৱাৰ পিচত হিচাপ পৰীক্ষা কৰা বাৰ্ষিক প্ৰতিবেদনক ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

*কৰ্মচাৰীবৃন্দৰ সেৱাৰ চৰ্তাৱলী।*

৩৪। (১) বিশ্ববিদ্যালয়ে নিয়মিত আধাৰত বা অন্যথা আৰু নিয়োজিত বিশ্ববিদ্যালয়ৰ প্ৰত্যেক কৰ্মচাৰীৰ সৈতে সেৱাৰ লিখিত সংবিদাত প্ৰবিষ্ট হ'ব আৰু এই চুক্তিৰ নিবন্ধন আৰু চৰ্তাৱলী, এই অধিনিয়ম পৰিনিয়ম আৰু অধ্যাদেশৰ উপবন্ধাৱলীৰ অসংগত নহ'ব।

(২) উপধাৰা (১)ত নিৰ্দেশিত সংবিদাৰ এটা প্ৰতিলিপি বিশ্ববিদ্যালয়ত ৰখা হ'ব আৰু ইয়াৰ এটা প্ৰতিলিপি সংশ্লিষ্ট কৰ্মচাৰীলৈও দাখিল কৰা হ'ব।

*মধ্যস্থৰ ন্যায়াধিকৰণ।*

৩৫। (১) বিশ্ববিদ্যালয় আৰু কোনো কৰ্মচাৰীৰ মাজত সংবিদাৰ পৰা উদ্ভূত হোৱা কোনো বিবাদক, কৰ্মচাৰীৰ অনুৰোধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত এজন সদস্য, সংশ্লিষ্ট কৰ্মচাৰীৰ দ্বাৰা মনোনীত এজন সদস্য আৰু কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত এজন মধ্যস্থ লোকেৰে গঠিত এখন মধ্যস্থৰ ন্যায়াধিকৰণলৈ নিৰ্দেশিত কৰা হ'ব।

(২) মধ্যস্থৰ ন্যায়াধিকৰণৰ বিনিশ্চয় চূড়ান্ত হ'ব আৰু পক্ষসমূহত অৱদ্ধকৰ হ'ব।

*১৯৯৬ ৰ ২৬*

(৩) উপধাৰা (১)ৰ অধীনত কৰ্মচাৰীৰ দ্বাৰা কৰা প্ৰত্যেক অনুৰোধক, মধ্যস্থ আৰু চালিচী অধিনিয়ম, ১৯৯৬ৰ অৰ্থৰ ভিতৰত এই ধাৰাৰ নিবন্ধনৰ ওপৰত মধ্যস্থলৈ এটা দাখিলকৰণ কোনো বুলি গণ্য কৰা হ'ব।

(৪) ন্যায়াধিকৰণৰ কাৰ্য্য বিনিয়মিত কৰাৰ প্ৰক্ৰিয়াক, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*ছাত্ৰসকলৰ বিৰুদ্ধে অনুশাসনিক আপীল গোচৰত আপীল আৰু মধ্যস্থতাৰ প্ৰক্ৰিয়া।*

৩৬। (১) এটা পৰীক্ষাৰ বাবে কোনো ছাত্ৰ বা পৰীক্ষাৰ্থীক, যাৰ নাম উপাচাৰ্যৰ আদেশ বা প্ৰস্তাৱৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ নামাৱলীৰ পৰা অপসাৰিত কৰা হৈছে আৰু যিয়ে, এবছৰতকৈ অধিক কালৰ বাবে বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ উপস্থিতিৰ পৰা বঞ্চিত হৈছে, তেওঁ, তেওঁৰ দ্বাৰা এনে আদেশ বা এনে প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰাপ্তিৰ তাৰিখৰ পৰা দহদিনৰ ভিতৰত কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আপীল কৰিব পাৰে আৰু কাৰ্য্যনিৰ্বাহক পৰিষদে, উপাচাৰ্য বা যথাস্থিতি কমিটিৰ বিনিশ্চয় দৃঢ় সালসলনি বা বিপৰীত কৰিব পাৰে।

(২) এজন ছাত্ৰৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা কোনো অনুশাসনমূলক ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদ, এনে ছাত্ৰৰ অনুৰোধত, মধ্যস্থতাৰ ন্যায়াধিকৰণলৈ নিৰ্দেশিত কৰা হ'ব আৰু ধাৰা ৩৫ৰ উপবন্ধাৱলী যিমানদূৰ পৰা যায়, এই ধাৰাৰ অধীনত প্ৰণীত এটা প্ৰসংগৰ নিৰ্দেশলৈ প্ৰযোজ্য হ'ব।

*আপীলৰ অধিকাৰ*

৩৭। বিশ্ববিদ্যালয় বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰত্যেক কৰ্মচাৰী বা ছাত্ৰই, এই অধিনিয়মত কোনো কথা থকা সত্বেও, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে সময়ৰ ভিতৰত, বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰী বা যথাস্থিত, কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ বিনিশ্চয়ৰ বিৰুদ্ধে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আপীল কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত কাৰ্য্যনিৰ্বাহক পৰিষদে, যাৰ বিৰুদ্ধে আপীল কৰিছিল তাৰ বিনিশ্চয় দৃঢ় সালসলনি বা বিপৰীত কৰিব পাৰে।

*ভবিষ্য আৰু অৰসৰকালীন নিধি।*

৩৮। (১) বিশ্ববিদ্যালয়ে, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত আৰু এনে চৰ্তাৱলীৰ সাপেক্ষে উচিত গণ্য কৰা দৰে, ইয়াৰ কৰ্মচাৰীৰ লাভৰ বাবে এনে ভবিষ্য আৰু অৰসৰকালীন নিধিৰ গঠন কৰিব আৰু এনে বীমা আঁচনিৰ উপবন্ধ কৰিব।

*১৯২৫ ৰ ১৯*

(২) য'ত এনে ভৱিষ্যনিধি বা অৰসৰকালীন নিধি, এনেদৰে গঠিত হৈছে, কেন্দ্ৰীয় চৰকাৰে, ভৱিষ্যনিধি অধিনিয়ম, ১৯২৫ ৰ উপবন্ধ, এনে নিধিলৈ প্ৰযোজ্য হ'ব বুলি ঘোষণা কৰিব পাৰে, যেনিবা ই এটা চৰকাৰী ভৱিষ্যনিধিহে আছিল।

*বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী আৰু নিকায়ৰ গঠন সম্পৰ্কে থকা বিবাদসমূহ।*

৩৯। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা আন নিকায়ৰ এজন সদস্যৰূপে সম্যকভাৱে নিৰ্বাচিত বা নিয়োজিত বা হকদাৰ হোৱা কোনো ব্যক্তি, যিয়েই হওঁক সেই বিষয়ে যদি কোনো প্ৰশ্ন উদ্ভৱ হয়, তেতিয়া বিষয়টোক কুলাধ্যক্ষলৈ নিৰ্দেশিত কৰা হ'ব ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

*সমিতিৰ গঠন*

৪০। যেতিয়া বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীক, এই অধিনিয়ম, বা পৰিনিয়মৰ দ্বাৰা সমিতিসমূহক নিযুক্তি দিবলৈ ক্ষমতা দিয়া হয়, এনে সমিতি, অন্যথা উপবন্ধিত ব্যতিৰেকে, প্ৰাধিকাৰীয়ে প্ৰত্যেক গোচৰত উচিত বিবেচনা কৰাৰ দৰে সংশ্লিষ্ট প্ৰাধিকাৰীৰ সদস্য আৰু এনে আন ব্যক্তিৰে, যদি কোনো থাকে গঠিত হ'ব।

*আকস্মিক পদৰিক্তি পূৰণ কৰা।*

৪১। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা আন নিকায়ৰ (পদেন সদস্যৰ ব্যতিৰেকে) সদস্যসমূহৰ মাজত থকা সকলো আকস্মিক পদৰিক্তি, ব্যক্তি বা নিকায়ৰ দ্বাৰা যথাশীঘ্ৰে পূৰণ কৰা হ'ব, যিয়ে সদস্যক নিয়োজিত, নিৰ্বাচিত বা সহনিযুক্তি দিছিল যাৰ স্থান ৰিক্ত হৈছে আৰু এটা আকস্মিক পদৰিক্তিলৈ নিয়োজিত, নিৰ্বাচিত বা সহ-নিযুক্ত ব্যক্তি অৱধিৰ অৱশেষৰ বাবে এনে প্ৰাধিকাৰী বা নিকায়ৰ এজন সদস্য হ'ব যাৰ বাবে যি ব্যক্তি স্থান তেওঁ পূৰণ কৰে, তেওঁ এজন সদস্য হ'লহেঁতেন।

*বিশ্ববিদ্যালয় প্ৰাধিকাৰী বা নিকায়ৰ কাৰ্য্যবাহী পদৰিক্তিৰ দ্বাৰা অৱধিমান্য নহ'ব।*

৪২। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা আন নিকায়ৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী, ইয়াৰ সদস্যসমূহৰ মাজত থকা কোনো পদৰিক্তি বা পদৰিক্তিসমূহৰ কেৱল বিদ্যমান তাৰ কাৰণৰ বাবে অবৈধ নহ'ব।

*সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা।*

৪৩। কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ উপবন্ধাৱলীৰ কোনোটোৰ অনুসৰণত সদ্‌বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা আন কৰ্মচাৰীৰ বিৰুদ্ধে, নচলিব।

*বিশ্ববিদ্যালয় অভিলেখৰ প্ৰমাণৰ ৰীতি।*

৪৪। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা সমিতিৰ কোনো ৰচিদ, আবেদন, সূচনা, আদেশ, কাৰ্য্যবাহী, প্ৰস্তাৱৰ এটা প্ৰতিলিপি, বা বিশ্ববিদ্যালয়ৰ দখলত থকা আন দস্তাবেজ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা সম্যকভাৱে সংৰক্ষিত কোনো পঞ্জীত থকা কোনো প্ৰবিষ্টি, যদি পঞ্জীয়কৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হয়, তেন্তে এনে ৰচিদ, আবেদন, সূচনা, আদেশ, কাৰ্য্যবাহী, প্ৰস্তাৱ বা দস্তাবেজ বা পঞ্জীত প্ৰবিষ্টিৰ বিদ্যমানতাক প্ৰথম দৃষ্টিত সাক্ষ্যৰূপে গ্ৰহণ কৰা হ'ব আৰু

*১৮৭২ ৰ ১*

বিষয়সমূহৰ সাক্ষ্যৰূপে স্বীকৃত কৰা হ'ব আৰু, ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ বা সম্প্ৰতি বলৱৎ আন কোনো বিধিত কোনো কথা থকা সত্বেও, তাৰ মুলবিলাক, য'ত সেইবোৰৰ সংব্যৱহাৰ কৰা হয়, যদি সেইবোৰ দাখিল কৰা হয়, তেন্তে সেইবোৰ সাক্ষ্যত গ্ৰহণযোগ্য হ'লহেঁতেন।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৪৫। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোঁতে যদি কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, এই অধিনিয়মৰ

উপবন্ধাৱলীৰ সৈতে অসংগত নোহোৱাকৈ জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বা সমীচীন হোৱা বুলি ইয়ালৈ প্ৰতীত হোৱাত, এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা তিনিবছৰৰ অৱসানৰ পিচত এই ধাৰাৰ অধীনত এনে কোনো আদেশ প্ৰণীত কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশক, ইয়াক প্ৰণয়ন কৰাৰ পিচত, যথাশীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

*অন্তৰৰ্তীকালীন উপবন্ধ।*

৪৬। এই অধিনিয়ম আৰু পৰিনিয়মত কোনো কথা থকা সত্বেও,—

(ক) প্ৰথম আচাৰ্য্য আৰু প্ৰথম উপাচাৰ্য্য, কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু উক্ত পদাধিকাৰীসকলৰ প্ৰত্যেকেই, তিনিবছৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব;

(খ) প্ৰথম পঞ্জীয়ক আৰু প্ৰথম বিত্ত পদাধিকাৰী, উপাচাৰ্য্যৰ অনুমোদনত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব, আৰু উক্ত পদাধিকাৰীসকলৰ প্ৰত্যেকেই দুবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব;

(গ) প্ৰথম সভা আৰু প্ৰথম কাৰ্য্যনিৰ্বাহক পৰিষদ, কুলাধ্যক্ষৰ দ্বাৰা মনোনীত পোন্ধৰজনৰ অনধিক সদস্যৰে গঠিত হ'ব আৰু তেওঁলোকে দুবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব;

(ঘ) (I) প্ৰথম পৰিকল্পনা বোৰ্ড, উপাচাৰ্য্যৰ দ্বাৰা দাখিল কৰা এখন নামসূচীৰ পৰা, কুলাধ্যক্ষৰ দ্বাৰা মনোনীত কৰা পোন্ধৰজনৰ অনধিক সদস্যৰে গঠিত হ'ব আৰু তেঁওলোকে দুবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব; আৰু

(II) প্ৰথম পৰিকল্পনা বোৰ্ডে, এই অধিনিয়মৰ দ্বাৰা ইয়ালৈ প্ৰদত্ত, ক্ষমতা আৰু কৃত্যসমূহৰ অতিৰিক্ত কাৰ্য্যনিৰ্বাহক পৰিষদৰ ক্ষমতা কাৰ্য্যকৰী কৰিব যি পৰ্যন্ত শৈক্ষিক পৰিষদ, এই অধিনিয়ম আৰু পৰিনিয়মৰ উপবন্ধাৱলীৰ অধীনত গঠিত নহয় আৰু এনে ক্ষমতাসমূহৰ কাৰ্য্যকৰীকৰণত, পৰিকল্পনা বোৰ্ডে, ই উচিত বিনিশ্চয় কৰা দৰে, এনে সদস্যসমূহৰ সহ নিযুক্তি দিব পাৰে;

পৰন্তু, যদিহে উপৰোক্ত কাৰ্য্যালয় বা প্ৰাধিকাৰীত কোনো পদৰিক্তি হয়, তেন্তে সেইবোৰত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজন বা যথাস্থিতি, মনোনয়নৰ দ্বাৰা পূৰণ কৰা হ'ব আৰু এনেদৰে নিয়োজিত বা মনোনীত ব্যক্তিয়ে পদাধিকাৰী বা সদস্যৰূপে সিমান দিনলৈ পদ ধাৰণ কৰিব যাৰ স্থানত তেওঁক নিয়োজিত বা মনোনীত কৰা হৈছে, পদ ধাৰণ কৰিলেহেঁতেন, যদি এনে পদৰিক্তি নহ'লহেঁতেন।

*পৰিনিয়ম, অধ্যাদেশ আৰু বিনিময়ক চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব।*

৪৭। (১) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মনক চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম, অধ্যাদেশ বা বিনিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে, অধিবেশন চলি থকা সময়ত, বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অৱসানৰ পূৰ্বে, উভয় সদনে পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মনত কোনো সালসলনি কৰিব সন্মত হয় বা উভয় সদনে সন্মত হয় যে পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মণ প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিচত পৰিনিয়ম অধ্যাদেশ বা বিনিয়মণ কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহ'ব;

সেয়ে হ'লেও এনে সালসলনি বা ৰদ্‌কৰণে সেই পৰিনিয়ম অধ্যাদেশ, বা বিনিয়মণৰ অধীনত পূর্বে কৃত কোনো কার্য্যৰ বিধিমান্যতাৰ ওপৰত প্রতিকূল প্রভাব নেপেলোৱাকৈ হ'ব।

(৩) পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মন প্রণয়ন কৰা ক্ষমতাই, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পূর্বে নোহোৱা কোনো তাৰিখৰ পৰা কোনো পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মণ বা তেওঁলোকৰ কোনোটোক ভূতলক্ষী প্রভাৱ দিয়াৰ ক্ষমতাক অন্তর্ভুক্ত কৰিব কিন্তু এনে পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মন প্রযোজ্য হোৱা এনে ব্যক্তিৰ স্বাৰ্থক প্রতিকূলভাৱে প্রভাবিত কৰা এনে পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মনক কোনো ভূতলক্ষী প্রভাৱ নিদিব।

*বিশ্ববিদ্যালয়ত শাখাভুক্ত হোৱা মহাবিদ্যালয় বা শিক্ষা প্রতিষ্ঠানসমূহত পাঠ্যক্ৰমৰ সম্পূর্ণকৰণ।*

৪৮। এই অধিনিয়মত বা পৰিনিয়মত বা অধ্যাদেশত কোনো কথা থকা সত্বেও, বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত এনে মহাবিদ্যালয় বা শিক্ষা প্রতিষ্ঠানৰ নামভৰ্তিকৰণৰ অব্যৱহিত পূর্বে কোনো অধিনিয়মৰ অধীনত গঠিত কোনো বিশ্ববিদ্যালয়ৰ এটা উপাধি, ডিপ্লোমা বা প্রমাণ পত্ৰৰ বাবে এখন মহাবিদ্যালয় বা শিক্ষা প্রতিষ্ঠানৰ অধ্যয়ন কৰি থকা কোনো ছাত্ৰই সেই উপাধি, ডিপ্লোমা বা যথাস্থিতি, প্রমাণ পত্ৰৰ বাবে তেওঁৰ পাঠ্যক্রম সম্পূর্ণ কৰিবলৈ, বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমতি প্রাপ্ত হ'ব আৰু বিশ্ববিদ্যালয়ে, এনে মহাবিদ্যালয় বা শিক্ষা প্রতিষ্ঠান বা যথাস্থিতি বিশ্ববিদ্যালয়ৰ অধ্যয়নৰ পাঠ্যক্ৰমৰ অনুসৰণত এনে ছাত্ৰৰ শিক্ষণ আৰু পৰীক্ষাৰ বাবে উপবন্ধ কৰিব।

*সম্পত্তিৰ অন্তৰণ আৰু কৰ্মচাৰীৰ বিকল্প।*

৪৯। এই অধিনিয়মত বা পৰিনিয়মত বা অধ্যাদেশত কোনো কথা থকা সত্বেও, প্ৰশিক্ষণ জাহাজ চাণক্য, মুম্বাই, সামুদ্রিক অভিযান্ত্রিক আৰু গৱেষণা সংস্থা, ক'লকাতা, লালাবাহাদুৰ শাস্ত্রী উচ্চ সামুদ্রিক অধ্যয়ন মহাবিদ্যালয়, মুম্বাই, ৰাষ্ট্ৰীয় সামুদ্রিক একাডেমী, চেন্নাই, ভাৰতীয় বন্দৰ ব্যৱস্থাপন সংস্থা, ক'লকাতা আৰু ৰাষ্ট্ৰীয় জাহাজ ডিজাইন আৰু গৱেষণা কেন্দ্ৰ, ভাৰতীয় সামুদ্রিক বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিশাখাপট্টমত সন্মিলিত হোৱাৰ ফলস্বৰূপে, সকলো সম্পত্তি আৰু কৰ্মচাৰী বিশ্ববিদ্যালয়লৈ অন্তৰিত হ'ব আৰু এনে কৰ্মচাৰীৰ নিম্নলিখিত বিকল্পসমূহৰ থাকিব ঃ

(I) ভাৰতীয় সামুদ্রিক বিশ্ববিদ্যালয়লৈ অন্তৰিত হোৱা অধ্যয়ন সংস্থাৰ অধীনত চাৰিজন প্ৰশিক্ষণ সংস্থাৰ কৰ্মচাৰীৰ, কেন্দ্ৰীয় চৰকাৰৰ বলবৎ থকা চৰ্ত আৰু নিবন্ধনৰ ওপৰত ভাৰতীয় সামুদ্রিক বিশ্ববিদ্যালয়ত প্রতিনিযুক্ত বুলি গণ্য কৰাৰ ওপৰত চলি থাকিবলৈ আৰু নিহিত হৈ থাকিবলৈও বা তেওঁলোকৰ অৱসৰ পৰ্যন্ত ইয়াৰ পৰিৱৰ্তে চৰকাৰী আৱাসগৃহ সুবিধা দিবলৈ আৰু কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনি উপভোগ কৰাৰ বিকল্প থাকিব;

(II) ৰাষ্ট্ৰীয় সামুদ্রিক একাডেমী, চেন্নাই, ভাৰতীয় বন্দৰ ব্যৱস্থাপন সংস্থা, ক'লকাতা আৰু ৰাষ্ট্ৰীয় জাহাজ ডিজাইন আৰু গৱেষণা কেন্দ্ৰ, বিশাখাপট্টমৰ কৰ্মচাৰীবৃন্দৰ তেওঁলোকৰ অৱসৰ পৰ্যন্ত তেওঁলোকৰ নিজ নিজ সংস্থাৰ নিবন্ধন আৰু চৰ্তাৱলীৰ ওপৰত চলি থাকিবলৈ বিকল্প থাকিব; আৰু

(III) সকলো কৰ্মচাৰীৰ বিশ্ববিদ্যালয়ৰ সেৱাৰ চৰ্তৰ দৰে বিশ্ববিদ্যালয়ত যোগদান কৰাৰ বিকল্প থাকিব।

*কেন্দ্ৰীয় চৰকাৰ আৰু জাহাজৰ মহাসঞ্চালকৰ ভূমিকা।*

৫০। (১) বিশ্ববিদ্যালয়, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বাহনত, কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে, ইয়ালৈ লিখিতভাৱে দিয়া দৰে নীতিৰ প্ৰশ্নৰ ওপৰত দিয়া এনে নির্দেশনাৰ দ্বাৰা আৱদ্ধ হ'ব।

(২) প্ৰশ্নটো নীতিৰ এটা হয় নে নহয়, সেই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ বিনিশ্চয় চূড়ান্ত হ'ব।

# অনুসূচী

## (ধাৰা ২৯ চাওঁক)

### বিশ্ববিদ্যালয়ৰ পৰিনিয়ম

আচাৰ্য্য ১। (১) উপাচাৰ্য্য, দেশৰ শৈক্ষিক, সামুদ্ৰিক, লোক প্ৰশাসন বা জনজীৱনৰ ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত তিনিজন ব্যক্তিৰ মাজৰ পৰা কাৰ্যনিৰ্বাহক পৰিষদৰ অনুমোদনত, কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু যদি কুলাধ্যক্ষই, এনেদৰে অনুমোদিত ব্যক্তিসমূহৰ যি কোনোজনক সংমোদন নকৰে, তেতিয়া তেওঁ কাৰ্য্যনিৰ্বাহক পৰিষদৰ পৰা নতুন অনুমোদন বিচাৰিব পাৰে।

(২) আচাৰ্যই, তিনিবছৰৰ এটা অৱধিৰ বাবে পদধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব ঃ

পৰন্তু তেওঁৰ পদাৱধিৰ অৱসান সত্বেও, আচাৰ্যই পদ ধাৰণ কৰি থাকিব যি পৰ্যন্ত তেওঁৰ উত্তৰাধিকাৰীয়ে তেওঁৰ পদত প্ৰবিষ্ট নহয় :

উপাচাৰ্য ২। (১) উপাচাৰ্যক, মানৱ সম্পদ ব্যৱস্থাপনা, সামুদ্ৰিক, লোক প্ৰশাসন সমুদ্ৰ বা বন্দৰ প্ৰশাসনৰ ক্ষেত্ৰত অভিজ্ঞতা থকা তিনিজন ব্যক্তিৰ কম নোহোৱা এখন তালিকাৰ পৰা কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু যদি কুলাধ্যক্ষই তালিকাত অন্তৰ্ভুক্ত ব্যক্তিসমূহৰ যোগ্যো এজনক সংমোদন নকৰে, তেতিয়া তেওঁ নতুন তালিকা বিচাৰিব পাৰে।

(২) খণ্ড (১)ত নিৰ্দেশিত সমিতি, তিনিজন ব্যক্তিৰে গঠিত হ'ব, যাৰ ভিতৰত এজনো বিশ্ববিদ্যালয়ৰ বা শৈক্ষিক পৰিষদৰ কৰ্মচাৰী নহয় বা সভা কাৰ্যনিৰ্বাহক পৰিষদ, পৰিকল্পনা বোৰ্ডৰ সদস্য নহয় বা বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃত বা বিশ্ববিদ্যালয়ৰ লৈতে সহযুক্ত এটা শিক্ষা প্ৰতিষ্ঠানৰ লৈতে জড়িত কোনো প্ৰাধিকৰণৰ এজন সদস্য নহয় আৰু তিনিজন ব্যক্তিৰ ভিতৰত এজনক, কাৰ্যনিৰ্বাহক পৰিষদৰ দ্বাৰা, এজনক সভাৰ দ্বাৰা আৰু এজনক কুলাধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু কুলাধ্যক্ষই মনোনীত কৰা ব্যক্তিজন সমিতিৰ আহ্বায়ক হ'ব।

(৩) উপাচাৰ্য্য, বিশ্ববিদ্যালয়ৰ এজন সৰ্বকালিক বেতনভোগী পদাধিকাৰী হ'ব।

(৪) উপাচাৰ্যই, তেওঁৰ পদৰ ওপৰত তেওঁৰ প্ৰবিষ্টিৰ তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব, বা যি পৰ্যন্ত তেওঁৰ পয়সত্তি বছৰ প্ৰাপ্ত নহয়, যিটোৱেই আগতেই হয়, আৰু তেওঁ পুনৰ নিয়োজনৰ বাবে যোগ্য নহ'ব ঃ

পৰন্তু উক্ত পাঁচ বছৰ কালৰ অৱসান সত্বেও, তেওঁ পদ চলাই থাকিব যি পৰ্য্যন্ত তেওঁৰ উত্তৰাধিকাৰীক নিয়োজিত কৰা নহয় আৰু তেওঁৰ পদত প্ৰবিষ্ট নহয়ঃ

উপৰন্তু কুলাধ্যক্ষই, তেওঁৰ অৱধিৰ অৱসানৰ পিচত, তেওঁৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা দৰে এবছৰৰ এটা মুঠ কালৰ অনধিক এনে কালৰ বাবে পদ চলাই থাকিবলৈ কোনো উপাচাৰ্য্যক নিৰ্দেশ দিব পাৰে।

(৫) উপাচাৰ্য্যক সেৱাৰ পৰিভূতি আৰু আন চৰ্তাৱলী নিম্নলিখিত দৰে হ'ব ঃ—

(I) উপাচাৰ্য্যক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সময়ে সময়ে, নিৰ্ধাৰিত কৰা হাৰত ঘৰ ভাৰা ভাত্তাৰ ব্যতিৰেকে, এটা মাহেকীয়া বেতন আৰু ভাত্তা দিয়া হ'ব আৰু তেওঁ ভাৰা

আদায় নিদিয়াকৈ, তেওঁৰ পদাৰধিত এটা সুসজ্জিত আৱাসগৃহ ব্যৱহাৰ কৰিবলৈ হক্‌দাৰ হ'ব আৰু এনে আৱাসগৃহৰ পৰিচালনাৰ সম্বন্ধত উপাচাৰ্যৰ ওপৰত কোনো প্ৰভাৱ নাথাকিব।

(II) উপাচাৰ্য্যজন, কাৰ্য্যনিৰ্বাহক পৰিষদে, সময়ে সময়ে কুলাধ্যক্ষৰ সংমোদনসহ নিৰ্ধাৰিত কৰা এনে অৱসৰকালীন সুবিধা আৰু ভাট্টাসমূহৰ বাবে হক্‌দাৰ হ'ব ঃ

পৰন্তু কোনো বিশ্ববিদ্যালয় বা ইয়াৰ দ্বাৰা পৰিচালিত বা শাখাভুক্ত এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ বা কোনো আন বিশ্ববিদ্যালয় বা এনে আন বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা শাখাভুক্ত কোনো শিক্ষা প্ৰতিষ্ঠানৰ কৰ্মচাৰী যেতিয়া উপাচাৰ্য্যৰূপে নিয়োজিত হয় তেওঁ সদস্য হোৱা কোনো ভৱিষ্যনিধিলৈ নিৰন্তন বৰঙণি দিবলৈ অনুমতি প্ৰাপ্ত হ'ব আৰু বিশ্ববিদ্যালয়ে সদৃশ হাৰত সেই ভৱিষ্যনিধিত এনে ব্যক্তিজনৰ হিচাপ বহীত বৰঙণি দিব যি হাৰত ব্যক্তিজনে উপাচাৰ্য্য ৰূপে তেওঁৰ নিয়োজনৰ অব্যৱহৃত পূৰ্বে বৰঙণি দিছিল ঃ

উপৰন্তু য'ত এনে কৰ্মচাৰী, কোনো পেঞ্চন আঁচনিৰ এজন সদস্য হৈ আছে, বিশ্ববিদ্যালয়ে এনে আঁচনিলৈ আৱশ্যকীয় বৰঙণি যোগাব।

(III) উপাচাৰ্য্য, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কৰা দৰে এনে হাৰত ভ্ৰমণ বানচৰ বাবে হ'ক্‌দাৰ হ'ব।

(IV) উপাচাৰ্য্য, এটা পঞ্জিকা বৰ্ষত ত্ৰিশ দিনৰ হাৰত সম্পূৰ্ণ বেতন ছুটীৰ বাবে হ'ক্‌দাৰ হ'ব আৰু ছুটী, প্ৰত্যেক বছৰত জানুৱাৰী আৰু জুলাইৰ প্ৰথম দিনত প্ৰত্যেক পোন্ধৰ দিনত দুটা ছমহীয়া কিস্তিত অগ্ৰিমভাবে তেওঁৰ খাতাত জমা হ'ব ঃ

পৰন্তু যদি উপাচাৰ্য্যই, কোনো অৰ্ধ বৰ্ষৰ প্ৰচলনৰ ভিতৰত উপাচাৰ্য্যৰ পদৰ দায়িত্ব গ্ৰহণ কৰে বা ত্যাগ কৰে ছুটী, সেৱাৰ প্ৰত্যেক সম্পূৰ্ণ মাহৰ বাবে দুই বা অৰ্ধ দিনৰ হাৰত সমানুপাতিকভাৱে জমা কৰা হ'ব।

(V) উপখণ্ড (iv) ত নিৰ্দেশিত ছুটীৰ অতিৰিক্তত উপাচাৰ্য্যই, সেৱাৰ প্ৰত্যেক সম্পূৰ্ণ বৰ্ষৰ বাবে বিশ দিনৰ হাৰত অৰ্ধ বেতন ছুটীৰ বাবে হ'ক্‌দাৰ হ'ব। এই অৰ্ধ ছুটী বেতন ছুটী, চিকিৎসা প্ৰমাণ পত্ৰৰ ওপৰত সম্পূৰ্ণ বেতনত পৰিবৰ্তিত ছুটী ৰূপে উপভোগ কৰিব পাৰে। যেতিয়া পৰিবৰ্তিত ছুটী উপভোগ কৰা হয়, অৰ্ধ বেতন ছুটীৰ পৰিমাণৰ দুগুণ, দেয় অৰ্ধ বেতন ছুটীৰ বিৰুদ্ধে দেনা হ'ব।

(৬) যদি উপাচাৰ্য্যৰ পদ, মৃত্যু, ইস্তাফা বা অন্যথাৰ কাৰণে ৰিক্ত হয়, বা যদিহে তেওঁ ভগ্ন স্বাস্থ্য বা আন কোনো কাৰণে তেওঁ কৰ্তব্য সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া প্ৰতি উপাচাৰ্যই, উপাচাৰ্য্যৰ কৰ্তব্য সম্পদান কৰিব ঃ

পৰন্তু যদি প্ৰতি উপাচাৰ্য্য উপলব্ধ নহয়, তেতিয়া জ্যেষ্ঠতম অধ্যাপকজনে, এজন নতুন উপাচাৰ্যই পদ গ্ৰহণ নকৰা পৰ্য্যন্ত বা যথাস্থিতি বিদ্যমান উপাচাৰ্য্যই তেওঁৰ পদৰ কৰ্তব্য পালন নকৰা পৰ্যন্ত উপাচাৰ্য্যৰ কৰ্তব্য সম্পদান কৰিব।

*উপাচাৰ্যৰ ক্ষমতা আৰু কৰ্তব্য।*

৩। (১) উপাচাৰ্য্য, কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ, পৰিকল্পনা বোৰ্ড শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ড আৰু বিত্ত সমিতিৰ পদেন অধ্যক্ষ হ'ব আৰু আচাৰ্য্যৰ অনুপস্থিতিত, উপাধি প্ৰদানৰ বাবে অনুষ্ঠিত কৰা সমাবৰ্তনত সভাপতিত্ব কৰিব।

(২) উপাচাৰ্য্য, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰ বা আন নিকায়ৰ কোনো সভাত উপস্থিত থাকিবলৈ আৰু সম্বোধন কৰাৰ বাবে হ'ক্‌দাৰ হ'ব, কিন্তু তাত মতদান কৰাৰ বাবে হ'ক্‌দাৰ নহ'ব যিপৰ্য্যন্ত তেওঁ এনে প্ৰাধিকাৰ বা নিকায়ৰ এজন সদস্য নহয়।

(৩) এই অধিনিয়ম, পৰিনিয়ম অধ্যাদেশ আৰু বিনিয়মণসমূহ সম্যকভাৱে নিৰীক্ষিত হোৱা বুলি লক্ষ্য ৰখাটো উপাচাৰ্য্যৰ কৰ্তব্য হ'ব আৰু তেওঁৰ এনে নিৰীক্ষণ অভিনিশ্চিত কৰিবলৈ আৱশ্যকীয় সকলো ক্ষমতা থাকিব।

(৪) উপাচাৰ্য্যই, বিশ্ববিদ্যালয় কাৰ্য্যকলাপৰ ওপৰত নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰিব আৰু বিশ্ববিদ্যালয়ৰ সকলো প্ৰাধিকাৰী বিনিশ্চয়ক প্ৰভাৱী কৰিব।

(৫) উপাচাৰ্য্যৰ, বিশ্ববিদ্যালয়ত সঠিক অনুশাসন ৰক্ষা বাবে আৱশ্যকীয় সকলো ক্ষমতা থাকিব আৰু তেওঁ উচিত গণ্য কৰাৰ দৰে এনে ব্যক্তি বা ব্যক্তিসমূহলৈ এনে কোনো ক্ষমতা আৰোপ কৰিব পাৰে।

(৬) উপাচাৰ্য্যৰ, কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ পৰিকল্পনা বোৰ্ড আৰু বিত্তীয় সমিতিৰ সভা আহ্বান কৰিবলৈ বা আহ্বান কাৰিত কৰিবলৈ ক্ষমতা থাকিব।

(৭) উপাচাৰ্য্যৰ, কাৰ্য্যনিৰ্বাহক পৰিষদ সংমোদন সহ, ছয় মাহৰ এটা কালৰ বাবে এনে ব্যক্তিসমূহক এটা হ্ৰস্বকালিক নিযুক্তি দিবলৈ ক্ষমতা থাকিব যি দৰে তেওঁ বিশ্ববিদ্যালয়ৰ কাৰ্য্যকৰণৰ বাবে আৱশ্যকীয় বুলি বিবেচনা কৰে।

*প্ৰতি উপাচাৰ্য্য* ৪। (১) প্ৰত্যেক প্ৰতি উপাচাৰ্য্যক, উপাচাৰ্য্যৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু যেতিয়া উপাচাৰ্যৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা গ্ৰহণ কৰা নহয়, বিষয়টো কুলাধ্যক্ষলৈ নিৰ্দেশিত কৰা হ'ব, যিয়ে উপাচাৰ্য্যৰ দ্বাৰা চুপাৰিছ কৰা ব্যক্তিজনক নিযুক্তি দিব পাৰে বা কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আন ব্যক্তিক চুপাৰিছ কৰিবলৈ উপাচাৰ্য্যক ক'ব পাৰে ঃ

উপৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে, উপাচাৰ্য্যৰ চুপাৰিছত, এজন অধ্যাপক ৰূপে তেওঁৰ নিজ কৰ্তব্যসমূহৰ অতিৰিক্তত এজন প্ৰতি উপাচাৰ্য্যৰ কৰ্তব্যসমূহৰ নিৰ্বহন কৰিবলৈ এজন অধ্যাপকক নিযুক্তি দিব পাৰে।

(২) এজন প্ৰতি উপাচাৰ্য্যৰ পদাৱধি কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিনিশ্চয় কৰা দৰে এনে হ'ব কিন্তু ই কোনো ক্ষেত্ৰতে পাঁচ বছৰৰ অধিক নহ'ব বা যি পৰ্য্যন্ত উপাচাৰ্য্যৰ পদাৱধি অৱসান নহয়, যিটোৱেই আগতেই হয় ঃ

পৰন্তু পদাৱধিৰ অৱসান হোৱা এজন প্ৰতি উপাচাৰ্য্যৰ, পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব ঃ

উপৰন্তু কোনো ক্ষেত্ৰত, এজন প্ৰতি উপাচাৰ্য্যই, পয়ষষ্ঠি বছৰৰ প্ৰাপ্তিত অৱসৰ ল'বঃ

অধিকন্তু পৰিনিয়ম ২ ৰ খণ্ড (৬)ৰ অধীনত উপাচাৰ্য্যৰ কৰ্তব্যসমূহৰ নিৰ্বহনৰ সময়ত প্ৰতি উপাচাৰ্য্যই, প্ৰতিউপাচাৰ্য ৰূপে তেওঁৰ পদাৱধিৰ অৱসান সত্বেও পদত থাকিব যি পৰ্যন্ত এজন নতুন উপাচাৰ্য বা যথাস্থিতি উপাচাৰ্যই পদ গ্ৰহণ নকৰে ঃ

অধিকন্তু যেতিয়া উপাচাৰ্য্যৰ পদৰিক্ত হয় আৰু উপাচাৰ্য্যৰ কৃত্যসমূহ সম্পাদন কৰিবলৈ কোনো প্ৰতি উপাচাৰ্য্য নাথাকে, তেতিয়া কাৰ্য্যনিৰ্বাহক পৰিষদে, এজন প্ৰতি উপাচাৰ্যক নিযুক্তি দিব পাৰে আৰু এনেদৰে নিয়োজিত প্ৰতি উপাচাৰ্য্যই, পদ ধাৰণ নকৰিব যেতিয়াই এজন উপাচাৰ্য্য নিয়োজিত হয় আৰু তেওঁৰ পদত প্ৰবিষ্ট হয়।

(৩) (ক) এজন প্ৰতি উপাচাৰ্য্যৰ আন পৰিভূতি আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী অধ্যাদেশৰ দ্বাৰা প্ৰণীত কৰা দৰে এনে হ'ব।

(খ) প্ৰতি উপাচাৰ্য্যৰ বেতন, কুলাধ্যক্ষৰ সংমোদনসহ কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিনিশ্চয় কৰা হ'ব।

(গ) প্ৰতি উপাচাৰ্য্য, ভাড়া আদায় বিনা সমগ্ৰ পদাৱধিত এটা সু-সজ্জিত আৱাসগৃহ ব্যৱহাৰ কৰিবলৈ হক্‌দাৰ হ'ব আৰু এনে আৱাসগৃহৰ সংৰক্ষণৰ সম্বন্ধত ব্যক্তিগতভাৱে প্ৰতি উপাচাৰ্য্যৰ ওপৰত প্ৰভাৰ আৰোপ কৰা নহ'ব।

(ঘ) উপখণ্ড (খ)ত বিনিৰ্দিষ্ট বেতনৰ অতিৰিক্তত এজন প্ৰতি উপাচাৰ্য্য, সময়ে সময়ে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ গ্ৰাহ্য হোৱাৰ দৰে এনে ছুটী, সুবিধা আৰু আন ভাত্তালৈ হক্‌দাৰ হ'ব।

(ঙ) প্ৰতি উপাচাৰ্য্য, সময়ে সময়ে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কৰা দৰে এনে অৱসানকালীন সুবিধাৰ বাবে হকদাৰ হ'ব।

(চ) প্ৰতি উপাচাৰ্য্যই, তেওঁৰ অৱধিৰ সমাপ্তি পৰ্য্যাপ্ত বিশ্ববিদ্যালয়ৰ বৰঙণিমূলক ভবিষ্যনিধিলৈ মঞ্জুৰী দিবলৈ হক্‌দাৰ হ'ব ঃ

পৰন্তু, বিশ্ববিদ্যালয় বা এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ কৰ্মচাৰী বা কোনো আন বিশ্ববিদ্যালয়ৰ বা এনে আন বিশ্ববিদ্যালয়ত পৰিচালিত বা শাখাভুক্ত শিক্ষা প্ৰতিষ্ঠানৰ কৰ্মচাৰীক যেতিয়া প্ৰতি উপাচাৰ্য্য ৰূপে নিযুক্তি দিয়া হয়, এনে ব্যক্তিৰ বেতনক বিবেচনাত লোৱাৰ পিছত তেওঁৰ বেতন নিৰ্ধাৰণ কৰা হ'ব।

(৪) প্ৰতি উপাচাৰ্য্যই, উপাচাৰ্য্যৰ দ্বাৰা সময়ে সময়ে এই মৰ্মে বিনিৰ্দিষ্ট কৰাৰ দৰে এনে বিষয়ৰ সম্বন্ধত আৰু উপাচাৰ্য্যক সহযোগ কৰিব উপাচাৰ্য্যৰ দ্বাৰা তেওঁলৈ সমনুদেশিত আৰু আৰোপিত কৰাৰ দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্যও সম্পাদন কৰিব।

পঞ্জীয়ক ৫। (১) প্ৰত্যেক পঞ্জীয়কক, এই প্ৰয়োজনৰ বাবে গঠিত এখন বাছনি সমিতিৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহ পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ পূৰ্ণকালিক বেতনভোগী পদাধিকাৰী হ'ব ঃ

পৰন্তু, সভাৰ মনোনীত ব্যক্তিকো বাছনি সমিতিত অন্তৰ্ভুক্ত কৰা হ'ব।

(২) তেওঁক পাঁচ বছৰৰ এটা অৱধিৰ বাবে নিযুক্তি দিয়া হ'ব আৰু এটা অধিক অৱধিৰ বাবে পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৩) পঞ্জীয়কৰ পৰিলুব্ধি আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী অধ্যাদেশৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে হ'ব ঃ

পৰন্তু, পঞ্জীয়কৰ বাষষ্ঠি বছৰ বয়সত অৱসৰ হ'ব।

(৪) যেতিয়া পঞ্জীয়কৰ পদ ৰিক্ত হয় বা যেতিয়া পঞ্জীয়কে অসুস্থতাৰ কাৰণৰ বাবে অনুপস্থিত থাকে বা আন কোনো কাৰণত তেওঁ কাৰ্য্যালয়ৰ কৰ্তব্যসমূহ সম্পাদন কৰিবলৈ অসমৰ্থ হয় তেতিয়া কাৰ্য্যালয়ৰ কৰ্তব্যসমূহ, উপাচাৰ্য্যই এই প্ৰয়োজনৰ বাবে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৫) (ক) পঞ্জীয়কৰ, কাৰ্য্যনিৰ্বাহক পৰিষদৰ আদেশত বিনিৰ্দিষ্ট কৰা দৰে, শিক্ষক আৰু শৈক্ষিক কৰ্মীবৃন্দক বাদ দি এনে কৰ্মচাৰীবৃন্দৰ বিৰুদ্ধে এনে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ লম্বিত অনুসন্ধান নিলম্বন কৰিবলৈ, তেওঁলোকক সতৰ্ক কৰিবলৈ বা তেওঁলোকৰ ওপৰত তিৰস্কাৰ, শাস্তি আৰোপ কৰিবলৈ বেতন বৃদ্ধি বন্ধ ৰাখিবলৈ ক্ষমতা থাকিব ঃ

পৰন্তু, এনে কোনো শাস্তি আৰোপণ কৰা নহ'ব যি পৰ্য্যন্ত সংলিষ্ট ব্যক্তিক, তেওঁৰ সম্বন্ধত গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ এটা যুক্তিসংগত সুযোগ দিয়া হয়।

(খ) উপখণ্ড (ক)ত বিনিৰ্দিষ্ট শাস্তিসমূহৰ কোনোটোৰ আৰোপকৰণত পঞ্জীয়কৰ কোনো আদেশৰ বিৰুদ্ধে উপাচাৰ্যলৈ এটা আপীল চলিব।

(গ) কোনো ক্ষেত্ৰত, য'ত এটা অনুসন্ধানে প্ৰকট কৰে যে পঞ্জীয়কৰ ক্ষমতাৰ বাহিৰত এটা শাস্তি বিচৰা হৈছে তাত, পঞ্জীয়কে, অনুসন্ধানৰ সমাপ্তিত তেওঁৰ চুপাৰিছসহ একেলগে উপাচাৰ্যলৈ এটা প্ৰতিবেদন দিব ঃ

পৃৰন্তু এজন কৰ্মচাৰীৰ ওপৰত কোনো শাস্তিৰ আৰোপকৰণত উপাচাৰ্য্যৰ এটা আদেশৰ বিৰুদ্ধে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ এটা আপীল চলিব।

(৬) কাৰ্য্যনিৰ্বাহক পৰিষদে, নিম্নলিখিত সামৰ্থ্যৰ এক বা ততোধিকত পদেন সদস্যৰূপে কাৰ্য্য কৰিবলৈ কোনো পঞ্জীয়কক পদাভিহিত কৰিব, অৰ্থ্যাৎ ঃ—

(I) সভাৰ সচিব ;

(II) কাৰ্য্যনিৰ্বাহক পৰিষদৰ সচিব ;

(III) শৈক্ষিক পৰিষদৰ সচিব ;

(IV) শাখাভুক্তৰণ আৰু স্বীকৃতি বোৰ্ডৰ সচিব ; আৰু

(V) পৰিকল্পনা বোৰ্ডৰ সচিব।

(৭) সংশ্লিষ্ট প্ৰাধিকাৰীৰ সম্পৰ্কত এনেদৰে পদাভিহিত পঞ্জীয়কৰ নিম্নলিখিত কৰ্তব্য হ'ব—

(ক) কাৰ্য্যনিৰ্বাহক পৰিষদে তেওঁৰ প্ৰভাৰত চোপৰ্দ কৰা দৰে বিশ্ববিদ্যালয়ৰ অভিলেখ, সাধাৰণ মোহৰ আৰু এনে আন সম্পত্তিৰ অভিৰক্ষণ কৰিব ;

(খ) ইয়াৰ দ্বাৰা নিয়োজিত সেই প্ৰাধিকাৰী আৰু সমিতিসমূহৰ বৈঠক আহ্বান কৰা সকলো সূচনা জাৰি কৰিব ;

(গ) ইয়াৰ দ্বাৰা নিয়োজিত সেই প্ৰাধিকাৰী আৰু সমিতিসমূহৰ সকলো বৈঠকৰ কাৰ্য্য বিৱৰণী ৰাখিব ;

(ঘ) সভাৰ কাৰ্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ পৰিকল্পনা বোৰ্ড আৰু শাখাভুক্তকৰণ আৰু স্বীকৃতি বোৰ্ডৰ চৰকাৰী পত্ৰ- ব্যৱহাৰ কৰিব ;

(ঙ) অধ্যাদেশৰ দ্বাৰা বিহিত ৰীতিৰ অনুসৰণত বিশ্ববিদ্যালয় পৰীক্ষাসমূহৰ বন্দবস্ত আৰু অধীক্ষণ কৰিব ;

(চ) যেতিয়া সেইবোৰ জাৰী কৰা হয়, বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰীসমূহৰ বৈঠকৰ কাৰ্য্যসূচীৰ প্ৰতিলিপি আৰু এনে বৈঠকৰ কাৰ্য্যবিৱৰণী কুলাধ্যক্ষলৈ যোগান ধৰিব ;

(ছ) বিশ্ববিদ্যালয়ৰ দ্বাৰা বা বিৰুদ্ধে বাদ বা কাৰ্য্যবাহীত প্ৰতিনিধিত্ব কৰিব, মোক্তাৰ নামাত স্বাক্ষৰ কৰিব আৰু ওকালতিৰ পৰীক্ষা কৰিব বা এই প্ৰয়োজনৰ বাবে তেওঁৰ প্ৰতিনিধিক প্ৰতিনিযুক্ত কৰিব।

(জ) পৰিনিয়ম অধ্যাদেশ বা বিনিয়মসমূহত বিনিৰ্দিষ্ট কৰা বা কাৰ্য্য নিৰ্বাহক পৰিষদ বা উপাচাৰ্য্যৰ দ্বাৰা সময়ে সময়ে অপেক্ষিত কৰা এনে আন কৰ্তব্যসমূহ সম্পাদন কৰিব।

*বিত্ত পদাধিকাৰী*

৬। (১) বিত্ত পদাধিকাৰীজনক, এই প্ৰয়োজনৰ বাবে গঠিত এখন বাছনি সমিতিৰ চুপাৰিছ কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ এজন পূৰ্ণকালিক বেতনভোগী পদাধিকাৰী হ'ব।

(২) তেওঁক পাঁচ বছৰৰ এটা অৱধিৰ বাবে নিয়োজিত কৰা হ'ব আৰু তেওঁ এক বা ততোধিক অৱধিৰ বাবে পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৩) বিত্ত পদাধিকাৰীৰ পৰিভূতি আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী অধ্যাদেশৰ দ্বাৰা প্ৰণীত কৰা দৰে এনে হ'ব ঃ

পৰন্তু এজন বিত্ত পদাধিকাৰী, বা বাষষ্ঠি বছৰ বয়সৰ প্ৰাপ্তিৰ অৱসৰ হ'ব।

(৪) যেতিয়া বিত্ত পদাধিকাৰীৰ পদৰিক্ত হয় বা যেতিয়া বিত্ত পদাধিকাৰীয়ে অসুস্থতাৰ কাৰণৰ বাবে অনুপস্থিত থাকে বা আন কোনো কাৰণত তেওঁ কাৰ্য্যালয়ৰ কৰ্তব্যসমূহ সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া কাৰ্য্যালয়ৰ কৰ্তব্যসমূহ উপাচাৰ্য্যই এই প্ৰয়োজনৰ বাবে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৫) বিত্ত পদাধিকাৰীজন বিত্ত সমিতিৰ পদেন সচিব হ'ব কিন্তু এনে সমিতিৰ এজন সদস্য হোৱা বুলি গণ্য নহ'ব।

(৬) বিত্ত পদাধিকাৰীয়ে———

(ক) বিশ্ববিদ্যালয়ৰ নিধিৰ ওপৰত সাধাৰণ অধীক্ষণ কাৰ্য্যকৰী কৰিব ; আৰু ইয়াৰ বিত্তীয় আঁচনিৰ সম্বন্ধত ইয়াক পৰামৰ্শ দিব ;

(খ) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা তেওঁলৈ সমনুদেশিত কৰা দৰে বা পৰিনিয়ম বা অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা দৰে এনে আন বিত্তীয় কৃত্যসমূহ সম্পাদন কৰিবঃ

পৰন্তু বিত্ত পদাধিকাৰীয়ে কাৰ্য্যনিৰ্বাহক পৰিষদৰ পূৰ্ব্ব সংমোদনৰ বিনা কোনো ব্যয় নকৰিব বা এক লাখ টকাৰ অধিক কোনো বিনিয়োজন নকৰিব।

(৭) কাৰ্য্যনিৰ্বাহক পৰিষদৰ নিয়ন্ত্ৰণৰ সাপেক্ষে, বিত্ত পদাধিকাৰীয়ে———

(ক) ন্যাস আৰু স্থায়ী নিধি সম্পত্তিক অন্তৰ্ভুক্ত কৰি বিশ্ববিদ্যালয়ৰ সম্পত্তিৰ আৰু বিনিয়োগণ ধাৰণ আৰু পৰিচালনা কৰিব ;

(খ) এবছৰৰ বাবে আৱৰ্তী আৰু অনাৱৰ্ত্তী ব্যয়ৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত সীমা বৃদ্ধি হোৱা নাই বুলি আৰু সকলো ধন যাৰ বাবে সেইবোৰ মঞ্জুৰ বা আবণ্টিত কৰা হৈছে সেই প্ৰয়োজনৰ বাবে ব্যয় কৰা হৈছে বুলি সুনিশ্চিত কৰিব ;

(গ) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু বাজেট প্ৰস্তুতকৰণৰ বাবে আৰু বিত্ত সমিতিৰ দ্বাৰা সেইবোৰ বিবেচনা কৰাৰ পিচত কাৰ্য্যনিৰ্বাহক পৰিষদলৈ সেইবোৰৰ উপস্থাপনৰ বাবে দায়ী হ'ব ;

(ঘ) নগদ আৰু বাহিৰ অৱস্থা আৰু বিনিয়োগৰ অৱস্থাৰ ওপৰত নিৰন্তৰ দৃষ্টি ৰাখিব ;

(ঙ) ৰাজহ সংগ্ৰহৰ উন্নতিক দৃষ্টি ৰাখিব আৰু নিয়োজিত সংগ্ৰহৰ পদ্ধতিৰ ওপৰত পৰামৰ্শ দিব ;

(চ) ভৱন, ভূমি আচবাব পত্র আৰু সা-সৰঞ্জামৰ পঞ্জী যথা অদ্যৱধি সংৰক্ষিত কৰা হৈছে বুলি আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত সকলো কাৰ্য্যালয়, বিশেষ কেন্দ্ৰ, বিশেষজ্ঞ গৱেষণাগাৰ, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহত সা-সৰঞ্জাম আৰু আন উপভোগ্য সামগ্ৰীৰ সম্ভাৰ অনুসন্ধানৰ পৰিচালনা হোৱা বুলি সুনিশ্চিত কৰিব ;

(ছ) অপ্ৰাধিকৃত ব্যয় বা কোনো আন বিত্তীয় অধিনিয়মক উপাচাৰ্য্যৰ দৃষ্টিলৈ আনিব আৰু দোষত পৰা ব্যক্তিসমূহৰ বিৰুদ্ধে সমুচিত কাৰ্য্য ব্যৱস্থাৰ পৰামৰ্শ দিব, আৰু ;

(জ) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত কোনো কাৰ্য্যালয় কেন্দ্ৰ গৱেষণাগাৰ, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ পৰা কোনো তথ্য বিচাৰিব যিবোৰক তেওঁ, তেওঁৰ কৰ্তব্যৰ সম্প্ৰাদনৰ বাবে আৱশ্যকীয় বিবেচনা কৰে।

(ৰ) বিশ্ববিদ্যালয়ক দিব লগীয়া কোনো ধনৰ বাবে বিত্ত পদাধিকাৰী বা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা এই মৰ্মে সম্যকভাৱে প্ৰাধিকৃত ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা দিয়া কোনো ৰচিদ, এনে ধনৰ আদায়ৰ বাবে পৰ্য্যাপ্ত উন্মোচন হ'ব।

*অধ্যয়ন কেন্দ্ৰৰ ডীন।*

৭। (১) অধ্যয়নৰ কেন্দ্ৰৰ প্ৰত্যেক ডীনক, তিনি বছৰৰ এটা কালৰ বাবে, বিদ্যালয়ত অধ্যাপকসমূহৰ মাজৰ পৰা উপাচাৰ্য্যৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু তেওঁ পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব ঃ

পৰন্তু ষাঠি বছৰ বয়স প্ৰাপ্ত কৰা ডীনে এনেদৰে পদ ধাৰণ নকৰিব।

উপৰন্তু কোনো সময়ত যদিহে এখন বিদ্যালয়ত কোনো অধ্যাপক নাথাকে তেতিয়া উপাচাৰ্য্য বা এই মৰ্মে উপাচাৰ্য্যৰ দ্বাৰা প্ৰাধিকৃত এজন ডীনে সেই বিদ্যালয়ৰ ডীনৰ ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব।

(২) যেতিয়া ডীনৰ পদৰিক্তি হয় বা যেতিয়া ডীন, অসুস্থতাৰ কাৰণৰ বাবে অনুপস্থিত থাকে বা কোনো আন কাৰণত তেওঁৰ কাৰ্য্যালয়ৰ কৰ্তব্যসমূহৰ সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া কাৰ্য্যালয়ৰ কৰ্তব্যসমূহ, উপাচাৰ্য্যই এই প্ৰয়োজনৰ বাবে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৩) ডীন বিদ্যালয়ৰ মুৰব্বী হ'ব আৰু বিদ্যালয়ত শিক্ষণ আৰু গৱেষণাৰ মানদণ্ডৰ পৰিচালন আৰু সংৰক্ষণৰ বাবে দায়ী হ'ব আৰু অধ্যাদেশৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে আন কৃত্যসমূহ থাকিব।

(৪) ডীনৰ, অধ্যয়ন বোৰ্ড বা যথাস্থিতি বিদ্যালয়ৰ সমিতিৰ কোনো বৈঠকত উপস্থিত থাকিবলৈ আৰু ব্যক্ত কৰিবলৈ অধিকাৰ থাকিব। কিন্তু তাত তেওঁ মতদানৰ অধিকাৰ নাথাকিব যি পৰ্য্যন্ত তেওঁ তাৰ এজন সদস্য নহয়।

*বিভাগৰ মুৰব্বী*

৮। (১) বিভাগসমূহৰ ক্ষেত্ৰত, য'ত এজনতকৈ অধিক অধ্যাপক থাকে বিভাগৰ মুৰব্বীজনক চক্ৰানুসাৰে অধ্যাপকসমূহৰ মাজৰ পৰা উপাচাৰ্য্যৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) বিভাগসমূহৰ ক্ষেত্ৰত য'ত কেৱল এজন অধ্যাপক থাকে, তাত কাৰ্য্য নিৰ্বাহক পৰিষদৰ, এজন অধ্যাপক বা এজন ৰীডাৰক বিভাগৰ মুৰব্বী ৰূপে, উপাচাৰ্য্যৰ চুপাৰিছত নিযুক্তি দিবলৈ বিকল্প থাকিব ঃ

পৰন্তু এজন অধ্যাপক বা ৰীডাৰে বিভাগৰ মুৰব্বী ৰূপে নিযুক্তিৰ প্ৰস্তাৱ অস্বীকাৰ কৰিব পাৰিব।

(৩) বিভাগৰ মুৰব্বী ৰূপে নিয়োজিত এজন ব্যক্তিয়ে তিনি বছৰৰ এটা কালৰ বাবে এনেদৰে

পদ ধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৪) এটা বিভাগৰ এজন মুৰব্বীয়ে, তেওঁৰ পদাৱধিৰ যিকোনো সময়ত পদত্যাগ কৰিব পাৰে।

(৫) এটা বিভাগৰ এজন মুৰব্বীয়ে অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে কৰ্তব্য সম্পাদন কৰিব।

*কুলানুশাসক*

৯। (১) প্ৰত্যেক কুলানুশাসকক উপাচাৰ্য্যৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু উপাচাৰ্য্যৰ দ্বাৰা তেওঁলৈ সমনুদেশিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্যসমূহক সম্পাদন কৰিব।

(২) প্ৰত্যেক কুলানুশাসকে দুই বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

*গ্ৰন্থাগাৰিক*

১০। (১) গ্ৰন্থাগাৰিকজনক, কাৰ্য্য নিৰ্বাহক পৰিষদৰ দ্বাৰা, এই প্ৰয়োজনৰ বাবে গঠিত বাছনি সমিতিৰ চুপাৰিছত নিয়োজিত কৰা হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ এজন পূৰ্ণকালিক পদাধিকাৰী হ'ব।

(২) গ্ৰন্থাগাৰিকজনে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা তেওঁলৈ সমনুদেশিত কৰা এনে ক্ষমতাসমূহক কাৰ্যকৰী কৰিব আৰু এনে কৰ্তব্যসমূহ সম্পাদন কৰিব।

*কাৰ্য্যনিৰ্বাহক পৰিষদৰ সদস্য পদ গঠন থূল আৰু অৱধি।*

১১। (১) কাৰ্য্যনিৰ্বাহক পৰিষদ, নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব অৰ্থ্যৎ ঃ—

(ক) উপাচাৰ্য্য, যি পদেন অধ্যক্ষ, হ'ব ;

(খ) প্ৰতি উপাচাৰ্য্য পদেন ;

(গ) ভাৰত চৰকাৰৰ নৌ-পৰিবহন, পথ পৰিবহন, আৰু ৰাজপথ (নৌ পৰিবহন বিভাগ) মন্ত্ৰালয়ৰ সচিব বা এজন যুটীয়া সচিবৰ পদ মৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ঘ) নৌ পৰিবহনৰ মহা সঞ্চালক বা এজন যুটীয়া সচিবৰ পদ মৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ঙ) নতুন দিল্লীৰ ভাৰতীয় বন্দৰ সন্থাৰ অধ্যক্ষ ;

(চ) বিত্তীয় পৰামৰ্শদাতা, নৌ পৰিবহন মন্ত্ৰালয়, পথ পৰিবহন আৰু ৰাজপথ (নৌ পৰিবহন বিভাগ) ভাৰত চৰকাৰ বা এজন যুটীয়া সচিবৰ পদ মৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ছ) কমেও দহজন ব্যক্তিৰ এখন তালিকাৰ পৰা উপাচাৰ্য্যৰ চুপাৰিছত, সামুদ্ৰিক শিক্ষা, উদ্যোগ, বিজ্ঞান বা কাৰিকৰী বিদ্যা আৰু আন সম্পৰ্কিত বিষয়সমূহৰ সম্বন্ধত বিশেষ জ্ঞান থকা/আৰু ব্যৱহাৰিক অভিজ্ঞতা থকা কুলাধ্যক্ষৰ দ্বাৰা মনোনীত কৰা পাঁচজন সদস্য;

(জ) কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ক প্ৰতিনিধিত্ব কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত হোৱা যুটীয়া সচিবৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা এজন সদস্য ;

(ঝ) জ্যেষ্ঠতাৰ আধাৰত চক্ৰানুসাৰে উপাচাৰ্য্যৰ দ্বাৰা মনোনীত অধ্যয়ন কেন্দ্ৰৰ এজন ডীন ;

(ঞ) জ্যেষ্ঠতাৰ আধাৰত চক্ৰানুসাৰে উপাচাৰ্য্যৰ দ্বাৰা মনোনীত দুজন সঞ্চালক ;

(ট) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত শাখাভুক্ত মহাবিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ তিনিজন অধ্যক্ষ ;

(ঠ) কোনো কাৰিকৰী বিশ্ববিদ্যালয়ৰ বৰ্তমান বা পূৰ্বৰ এজন উপাচাৰ্য্য ; আৰু

(ড) ৰাজ্য চৰকাৰৰ এজন প্ৰতিনিধি য'ত বিশ্ববিদ্যালয় অৱস্থিত হয়।

(২) পঞ্জীয়কজন, কাৰ্য্যনিৰ্বাহক পৰিষদৰ পদেন সচিব হ'ব।

(৩) কাৰ্য্যনিৰ্বাহক পৰিষদৰ সাতজন সদস্যই, কাৰ্য্যনিৰ্বাহক পৰিষদৰ এখন বৈঠকৰ বাবে এটা থুল গঠন কৰিব।

(৪) পদেন সদস্যৰ ব্যতিৰেকে কাৰ্য্যনিৰ্বাহক পৰিষদৰ সদস্য সমূহে তিনিবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব।

(৫) এবছৰত, কাৰ্য্যনিৰ্বাহক পৰিষদৰ চাৰিখনতকৈ কম বৈঠক নহ'ব আৰু ব্যৱসায়ৰ পৰিচালনাৰ বাবে প্ৰক্ৰিয়াৰ নিয়মাৱলী আৰু আৱশ্যক হোৱা এনে বৈঠকৰ সম্পৰ্কত এনে আন বিষয় পৰিনিয়মৰ দ্বাৰা বিহিত কৰাৰ দৰে এনে হ'ব।

*কাৰ্য্যনিৰ্বাহক পৰিষদৰ ক্ষমতা আৰু কৃত্য।*

১২। (১) কাৰ্য্যনিৰ্বাহক পৰিষদৰ, বিশ্ববিদ্যালয়ৰ ৰাজহ আৰু সম্পত্তিৰ ব্যৱস্থাপন আৰু প্ৰশাসনৰ আৰু অন্যথা উপবন্ধিত নোহোৱা বিশ্ববিদ্যালয়ৰ সকলো প্ৰশাসনিক কাম-কাজৰ পৰিচালনাৰ ক্ষমতা থাকিব।

(২) এই অধিনিয়মৰ পৰিনিয়ম আৰু অধ্যাদেশৰ সাপেক্ষে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ ইফালে ন্যস্ত কৰা আন সকলো ক্ষমতাৰ অতিৰিক্তত, নিম্নলিখিত ক্ষমতাসমূহ থাকিব, অৰ্থাৎ -

(i) শিক্ষণ আৰু শৈক্ষিক পদসমূহৰ সৃষ্টি কৰিব, এনে পদসমূহৰ সংখ্যা আৰু পৰিভূতি নিৰ্ধাৰণ কৰিব আৰু অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু আন শৈক্ষিক কৰ্মীবৃন্দ আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষৰ কৰ্তব্য আৰু সেৱাৰ চৰ্তাৱলী, পৰিভাষিত কৰিব ঃ

পৰন্তু শৈক্ষিক পৰিষদৰ চুপাৰিছ বিবেচনা কৰাৰ পিছত অন্যথা শিক্ষক বা শৈক্ষিক কৰ্মীবৃন্দৰ সংখ্যা, অৰ্হতা আৰু পৰিভূতিৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা কোনো কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা নহ'ব ;

(ii) আৱশ্যকীয় হোৱা এনে অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু আন শৈক্ষিক কৰ্মীবৃন্দ আৰু এই প্ৰয়োজনৰ বাবে গঠিত বাছনি সমিতিৰ চুপাৰিছত বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষক নিযুক্তি দিব আৰু তাত থকা অস্থায়ী পদৰিক্তি পূৰণ কৰিব ;

(iii) প্ৰশাসনিক, মন্ত্ৰালয়ক আৰু আন আৱশ্যকীয় পদসমূহৰ সৃষ্টি কৰিব আৰু অধ্যাদেশৰ দ্বাৰা বিহিত ৰীতিত তাত নিযুক্তি দিব ;

(iv) আচাৰ্য্য আৰু উপাচাৰ্য্যৰ ব্যতিৰেকে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰীৰ অনুপস্থিতিৰ ছুটী মঞ্জুৰ কৰিব আৰু তেওঁৰ অনুপস্থিতিৰ কালত এনে পদাধিকাৰীৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবে আৱশ্যকীয় বন্দোবস্ত কৰিব;

(v) পৰিনিয়ম আৰু অধ্যাদেশৰ অনুসৰণত কৰ্মচাৰীবৃন্দৰ মাজত অনুশাসন বিনিয়মিত আৰু বলৱৎ কৰিব ;

(vi) বিশ্ববিদ্যালয়ৰ বিত্ত, হিচাপ, বিনিয়োগ, সম্পত্তি, ব্যৱসায় আৰু আন সকলো প্ৰশাসনিক কাৰ্য্যকলাপৰ পৰিচালনা আৰু বিনিয়মিত কৰিব আৰু সেই প্ৰয়োজনৰ বাবে ই উচিত ভৱাদৰে, এনে এজেন্ট নিযুক্তি দিব ;

(vii) বিত্ত সমিতিৰ চুপাৰিছত এবছৰৰ বাবে মুঠ আৱৰ্ত্তী আৰু মুঠ অনাৱৰ্ত্তী ব্যয়ৰ ওপৰত সীমা নিৰ্ধাৰণ কৰিব;

(viii) কোনো অপ্ৰযোজ্য আয়ক অন্তৰ্ভুক্ত কৰি বিশ্ববিদ্যালয়ৰ কোনো ধনৰাশি সময়ে সময়ে, ই উচিত ভবা দৰে এনে জমানিধি, অংশক প্ৰতিভূতিত বা সময়ে সময়ে এনে বিনিয়োগৰ পৰিবৰ্তনৰ সদৃশ ক্ষমতাৰ সৈতে, ভাৰতৰ স্থাৱৰ সম্পত্তিৰ ক্ৰয়ত বিনিয়োগ কৰিব;

(ix) বিশ্ববিদ্যালয়ৰ হকে কোনো অস্থাৱৰ বা স্থাৱৰ সম্পত্তিৰ অন্তৰণ কৰিব বা অন্তৰণ স্বীকাৰ কৰিব ;

(x) বিশ্ববিদ্যালয়ৰ কাৰ্য্য সম্পন্ন কৰাৰ বাবে আৱশ্যকীয় ভৱন, চৌহদ, আচবাব, আৰু যন্ত্ৰপাতি আৰু আন উপায়ৰ উপবন্ধ কৰিব ;

(xi) বিশ্ববিদ্যালয়ৰ হ'কে সংবিদাৰ প্ৰবিষ্টি, পৰিবৰ্তন, সম্পন্ন আৰু নাকচ কৰিব;

(xii) কোনো কাৰণত ক্ষোভিত বুলি অনুভৱ কৰা বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰসকলৰ আপত্তি গ্ৰহণ কৰিব, ন্যায় নিৰ্ণয় কৰিব আৰু যদি উচিত চিন্তা কৰে, উপশম কৰিব ;

(xiii) পৰীক্ষাৰ্থী আৰু মদাৰেটৰ (পৰীক্ষা নিয়ন্ত্ৰক)ক নিযুক্তি দিব আৰু যদি আৱশ্যকীয় হয়, তেওঁলোকৰ অপসাৰণ কৰিব আৰু কাৰ্য্যনিৰ্বাহক পৰিষদৰ সৈতে পৰামৰ্শ কৰাৰ পিচত, তেওঁলোকৰ মাচুল, পৰিভূতি আৰু ভ্ৰমণ আৰু আন ভাত্তাসমূহ নিৰ্ধাৰণ কৰিব;

(xiv) বিশ্ববিদ্যালয়ৰ বাবে এটা সাধাৰণ মোহৰৰ বাছনি কৰিব আৰু এনে মোহৰৰ অভিৰক্ষা আৰু ব্যৱহাৰৰ বাবে উপবন্ধ কৰিব ;

(xv) মহিলা ছাত্ৰীসকলৰ আৱাসগৃহ আৰু অনুশাসনৰ বাবে আৱশ্যক হোৱা এনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব ;

(xvi) ই উচিত বুলি গণ্য কৰাৰ দৰে বিশ্ববিদ্যালয়ৰ বা ইয়াৰ দ্বাৰা নিয়োজিত কোনো কমিটীৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, প্ৰতি উপাচাৰ্য্য ডীন, পঞ্জীয়ক বিত্ত পদাধিকাৰী বা কি এনে আন কৰ্মচাৰী বা প্ৰাধিকাৰীলৈ বা ই উচিত গণ্য কৰাৰ দৰে ইয়াৰ দ্বাৰা নিযুক্তি দিয়া এখন সমিতিলৈ, ইয়াৰ ক্ষমতাসমূহৰ যিকোনোটোক আৰোপ কৰিব ;

(xvii)বৃত্তিভোগী সদস্যপদ, বৃত্তি, ছাত্ৰ পদ সহকাৰী পদ মেডেল আৰু পুৰস্কাৰ সংস্থিত কৰিব ;

(xviii) অভ্যাগত অধ্যাপক, অৱসৰপ্ৰাপ্ত অধ্যাপক, পৰামৰ্শকাৰী, আৰু বিদ্বান ব্যক্তিৰ নিয়োজনৰ বাবে উপবন্ধ কৰিব আৰু এনে নিয়োজনৰ নিবন্ধন আৰু চৰ্তাৱলী নিৰ্ধাৰণ কৰিব ; আৰু

(xix) এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা ইয়ালৈ প্ৰদত্ত বা আৰোপিত কৰা দৰে এনে আন ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে আন কৰ্তব্যসমূহ সম্পাদন কৰিব ;

সভাৰ বৈঠক

১৩। (১) সভাৰ এখন বাৰ্ষিক বৈঠক, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কৰা এটা তাৰিখত অনুষ্ঠিত কৰা হ'ব যি পৰ্যন্ত কোনো বছৰৰ সম্বন্ধত সভাৰ দ্বাৰা আন কোনো তাৰিখ নিৰ্ধাৰণ কৰা নহয় ;

(২) সভাৰ এখন বাৰ্ষিক বৈঠকত, ৰচিদ আৰু ব্যয়, হিচাপ পৰীক্ষা কৰা উদ্‌বৃত্ত পত্ৰ আৰু পৰৱৰ্তী বৰ্ষৰ বিত্তীয় আনুমানিক হিচাপৰ এটা বিৱৰণীসহ একেলগে পূৰ্বৱৰ্তী বৰ্ষত বিশ্ববিদ্যালয়ৰ কাৰ্য্যকলাপৰ ওপৰত এটা প্ৰতিবেদন, উপস্থাপিত কৰিব।

(৩) খণ্ড (২)ত নিৰ্দেশিত ৰচিদ আৰু ব্যয়, উদ্‌বৃত্ত পত্ৰ আৰু বিত্তীয় আনুমানিক হিচাপৰ বিৱৰণীৰ এটা প্ৰতিলিপি, বাৰ্ষিক বৈঠকৰ তাৰিখৰ কমেও সাত দিন পূৰ্বে সভাৰ প্ৰত্যেক সদস্যলৈ প্ৰেৰণ কৰা হ'ব।

(৪) সভাৰ বাৰজন সদস্যই সভাৰ এখন বৈঠকৰ বাবে এটা থুল গঠন কৰিব।

(৫) সভাৰ বিশেষ বৈঠকসমূহ, কাৰ্য্যনিৰ্বাহক পৰিষদ বা উপাচাৰ্য্যৰ দ্বাৰা আহ্বান কৰা হ'ব বা যদি উপাচাৰ্য্য নাথাকে, তেতিয়া প্ৰতি উপাচাৰ্য্য বা যদি প্ৰতি উপাচাৰ্য্য নাথাকে, পঞ্জীয়কৰ দ্বাৰা আহ্বান কৰা হ'ব।

(৬) সভা, নিম্নলিখিত সদস্যসমূহৰে গঠিত হ'ব ; অৰ্থ্যাৎ ঃ—

পদেন সদস্যসমূহ ঃ

(i) উপাচাৰ্য্য ;

(ii) প্ৰতি উপাচাৰ্য্য ;

(iii) অধ্যয়ন কেন্দ্ৰৰ ডীন ;

(iv) শিক্ষণ বিভাগসমূহৰ মুৰব্বী, যি ডীন নহয় ;

(v) ছাত্ৰ কল্যাণৰ ডীন ;

(vi) পঞ্জীয়ক ;

(vii) গ্ৰন্থাগাৰক ;

(viii) কুলানুশাসক ;

(ix) বিত্ত পদাধিকাৰী।

শিক্ষকসকলৰ প্ৰতিনিধিবৰ্গ ঃ

(x) শিক্ষা বিভাগৰ মুৰব্বী নোহোৱা সকলো অধ্যাপক ;

(xi) শিক্ষা বিভাগৰ মুৰব্বী নোহোৱা দুজন ৰিডাৰক জ্যেষ্ঠতাৰ ভিত্তিত চক্ৰানুসাৰে উপাচাৰ্য্যৰ দ্বাৰা নিযুক্তি দিয়া হ'ব ;

(xii) উপাচাৰ্য্যৰ দ্বাৰা জ্যেষ্ঠতাৰ ভিত্তিত চক্ৰানুসাৰে নিযুক্তি দিয়া দুজন প্ৰৱক্তা ;

অ-শিক্ষণ কৰ্মীবৃন্দৰ প্ৰতিনিধিবৰ্গ ঃ

(xiii) অ-শিক্ষণ কৰ্মীবৃন্দৰ দুজন সদস্যৰ এজনক 'খ' শ্ৰেণীৰ কৰ্মীৰ ভিতৰৰ পৰা আৰু আনজনক বাকীবোৰৰ মাজৰ পৰা উপাচাৰ্য্যৰ দ্বাৰা মনোনীত কৰা হ'ব।

বিশ্ববিদ্যালয়ৰ শাখাভুক্ত শিক্ষা প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ ঃ

(xiv) শাখাভুক্তকৰণ শিক্ষা প্ৰতিষ্ঠানৰ পৰা উপাচাৰ্য্যৰ দ্বাৰা মনোনীত এজন প্ৰতিনিধি, শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বী হ'ব।

সংসদৰ প্ৰতিনিধিসমূহ ঃ

(xv) সংসদৰ পাঁচজন প্ৰতিনিধি যাৰ ভিতৰত তিনিজনক লোকসভাৰ অধ্যক্ষৰ দ্বাৰা আৰু দুজনক তাৰ সদস্যসমূহৰ মাজৰ পৰা ৰাজ্য সভাৰ সভাপতিৰ দ্বাৰা মনোনীত কৰা হ'ব ; সেয়ে হ'লেও, মন্ত্ৰী বা লোকসভাৰ অধ্যক্ষ বা উপ-অধ্যক্ষ বা ৰাজ্য সভাৰ উপ-সভাপতি হোৱা সংসদৰ এজন সদস্যৰ পৰিণাম স্বৰূপত বিশ্ববিদ্যালয়ৰ সভালৈ উদ্যোগক প্ৰতিনিধিত্ব কৰা ব্যক্তিসমূহ ঃ

তেওঁ / তাইৰ মনোনয়ন বা নিৰ্বাচনৰ অৱসান হোৱা বুলি গণ্য কৰা হ'ব।

**উদ্যোগ-প্ৰতিনিধিত্ব কৰা ব্যক্তিসকল ঃ**

(xvi) কুলাধ্যক্ষৰ দ্বাৰা সামুদ্ৰিক উদ্যোগক প্ৰতিনিধিত্ব কৰা এঘাৰজন ব্যক্তিক যাৰ ভিতৰত প্ৰত্যেকজনক ভাৰতীয় ৰাষ্ট্ৰীয় পোত মালিকানা সংস্থা, পোত মালিকানাৰ সামুদ্ৰিক সন্থা আৰু পোত পৰিচালক সংস্থা, পোত পৰিচালনা সংস্থা মালিকানা প্ৰতিনিধি আৰু পোত নিৰ্মাণ উদ্যোগ, ড্ৰেজিং উদ্যোগ, উপকুল উদ্যোগ, সামুদ্ৰিক ব্যক্তিক প্ৰতিনিধিত্ব কৰা সংঘ ভাৰতৰ আদৰ্শ পৰিবহন প্ৰৱৰ্তকৰ সংস্থা, ভাৰতীয় পোত পঞ্জী, বৃহৎ আৰু ক্ষুদ্ৰ পোতৰ পৰা মনোনীত কৰা হ'ব;

(xvii) সামুদ্ৰিক ৰাজ্যৰ দহজন প্ৰতিনিধি যাৰ ভিতৰত প্ৰত্যেকজনক ৰাজ্য বা সংঘ ৰাজ্য ক্ষেত্ৰৰ দ্বাৰা মনোনীত কৰা হ'ব।

আন সদস্যসমূহ ঃ

(xviii) কাৰ্য্যনিৰ্বাহক পৰিষদৰ সদস্যসমূহ যিজন সভাৰ প্ৰাধিকৃত সদস্য নহয়।

(৭) পদেন সদস্যসমূহৰ ব্যতিৰেকে সভাৰ সকলো সদস্যই তিনি বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব ;

পৰন্তু সংসদৰ এজন সদস্যই তিনি বছৰৰ বাবে বা যেতিয়ালৈকে তেওঁ প্ৰতিনিধিত্ব কৰা সদনৰ এজন সদস্য ৰূপে থাকে তেতিয়ালৈকে পদ ধাৰণ কৰিব, যিটোৱেই কম হয়,

*শৈক্ষিক পৰিষদৰ সদস্য পদ, গঠন, খুল আৰু পদাধিকাৰ কাল।*

১৪। শৈক্ষিক অৱধি —

(১) শৈক্ষিক পৰিষদ নিম্নলিখিত সদস্যসমূহৰে গঠিত হ'ব, অৰ্থাৎ ঃ—

(ক) উপাচাৰ্য্য, যিজন পদেন অধ্যক্ষ হ'ব ;

(খ) প্ৰতি উপাচাৰ্য্য ;

(গ) মুখ্য ভূ-মাপক, পোত পৰিবহনৰ মহানিৰ্দেশালয়, পোত পৰিবহন, পথ পৰিবহন আৰু ৰাজপথৰ মন্ত্ৰালয় (পোত পৰিবহন বিভাগ) ভাৰত চৰকাৰ, বা তেওঁৰ মনোনীত;

(ঘ) সামুদ্ৰিক পৰামৰ্শদাতা, পোত পৰিবহন, মহা সঞ্চালকালয়, পোত পৰিবহন, পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয় (পোত পৰিবহন বিভাগ) ভাৰত চৰকাৰ, বা তেওঁৰ মনোনীত ব্যক্তি ;

(ঙ) অধ্যয়ন কেন্দ্ৰৰ ডীন ;

(চ) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত চৌহদৰ সকলো সঞ্চালক ;

(ছ) বিশ্ববিদ্যালয়ৰ শিক্ষণ বিভাগৰ সকলো মুৰব্বী ;

(জ) উপাচাৰ্য্যৰ দ্বাৰা চক্ৰানুসাৰে জ্যেষ্ঠতাৰ আধাৰত মনোনীত প্ৰত্যেক বিশ্ববিদ্যালয়ৰ শিক্ষণ বিভাগৰ এজন অধ্যাপক ;

(ঝ) উপাচাৰ্য্যৰ দ্বাৰা মনোনীত সামুদ্ৰিক অধ্যয়ন আৰু সম্পৰ্কিত বিষয়সমূহৰ ক্ষেত্ৰত তিনিজন প্ৰসিদ্ধ বিশেষজ্ঞ ; আৰু

(ঞ) স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়ৰ দুজন অধ্যক্ষ ;

(২) পঞ্জীয়ক, শৈক্ষিক পৰিষদৰ পদেন সচিব হ'ব, কিন্তু ভোটৰ অধিকাৰ নাথাকিব।

(৩) শৈক্ষিক পৰিষদৰ নজন সদস্যই, শৈক্ষিক পৰিষদৰ এখন সভাৰ বাবে এটা থূল গঠন কৰিব।

(৪) পদেন সদস্যৰ ব্যতিৰেকে শৈক্ষিক পৰিষদৰ সদস্যসমূহে, তিনি বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব।

(৫) শৈক্ষিক পৰিষদ, এটা বছৰত কমেও দুবাৰ মিলিত হ'ব।

*শৈক্ষিক পৰিষদৰ ক্ষমতা।*

১৫। অধিনিয়ম, পৰিনিয়ম আৰু অধ্যাদেশৰ সাপেক্ষে, শৈক্ষিক পৰিষদে ইয়াত ন্যস্ত কৰা আন সকলো ক্ষমতাৰ অতিৰিক্ত নিম্নলিখিত ক্ষমতাসমূহ থাকিব, অৰ্থাৎ ঃ—

(ক) বিশ্ববিদ্যালয়ৰ শৈক্ষিক নীতিৰ ওপৰত সাধাৰণ পৰ্য্যবেক্ষণ কাৰ্য্যকৰী কৰা আৰু শিক্ষণ পদ্ধতি, মহাৱিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ মাজত সমন্বয়মূলক শিক্ষা, গৱেষণাৰ মূল্যাংকণৰ বা শৈক্ষিক মানদণ্ডৰ বিকাশৰ সম্বন্ধত নিৰ্দেশনা দিয়া ;

(খ) এটা আন্তঃবিদ্যালয়ৰ আধাৰত যোজনা লোৱাৰ বাবে, কোনো আন্তঃবিদ্যালয়ৰ মাজত সমন্বয় অনা, সমিতি বা বোৰ্ড স্থাপন কৰা বা নিযুক্তি দিয়া ;

(গ) ইয়াৰ নিজা উদ্যমৰ ওপৰত বা এখন বিদ্যালয় বা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা এটা নিৰ্দেশনাৰ ওপৰত সাধাৰণ শৈক্ষিক হিত থকা বিষয়সমূহক বিবেচনা কৰা বা নিজস্ব আৰু তাৰ ওপৰত সমুচিত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা ;

(ঘ) বিশ্ববিদ্যালয় শৈক্ষিক কাৰ্য্যক্ৰম, অনুশাসন, আৱাস, নামভৰ্তিকৰণ, বৃত্তিভোগী সদস্য পদ, সহায়কাৰী পদ, গৱেষণা সহায়কাৰী পদ, আৰু ছাত্ৰ বৃত্তি, মাচুল, ৰেহাই, সামূহিক জীৱন, আৰু উপস্থিতিৰ সম্বন্ধত পৰিনিয়ম আৰু অধ্যাদেশৰ সৈতে সুসংগত এনে বিনিয়মাৱলী আৰু নিয়মাৱলী প্ৰণয়ন কৰা ;

(ঙ) কাৰ্য্য নিৰ্বাহক পৰিষদ, শিক্ষক আৰু আন শৈক্ষিক কৰ্মচাৰীবৃন্দৰ সংখ্যা, অৰ্হতা আৰু পৰিভূতিৰ অনুমোদন জনোৱা ;

(চ) কাৰ্য্যনিৰ্বাহক পৰিষদ, পৰীক্ষক আৰু পৰীক্ষা নিয়ন্ত্ৰকক অনুমোদন জনোৱা ;

(ছ) সন্মানপূৰ্বক উপাধি প্ৰদানৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদ, ব্যক্তিসমূহক অনুমোদন জনোৱা ; আৰু

(জ) আচাৰ্য্য পদৰ স্থাপন কৰা কাৰ্য্যনিৰ্বাহক পৰিষদক অনুমোদন জনোৱা।

*পৰিকল্পনা বোৰ্ডৰ সদস্য পদ, গঠন থূল আৰু পদাধিকাৰ কাল।*

১৬। (১) পৰিকল্পনা বোৰ্ড নিম্নলিখিত সদস্যসমূহৰে গঠিত হ'ব, অৰ্থ্যাৎ ঃ—

(ক) উপাচাৰ্য্য, যি পদেন অধ্যক্ষ হ'ব ;

(খ) প্ৰতি উপাচাৰ্য্য ;

(গ) সচিব, ভাৰত চৰকাৰৰ, নৌ পৰিবহন বিভাগৰ সচিব বা এজন যুটীয়া সচিবৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ঘ) ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা, মন্ত্ৰালয়ৰ, সচিব বা এজন যুটীয়া সচিবৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ঙ) ভাৰত চৰকাৰৰ নৌ পৰিবহন বিভাগৰ মহা সঞ্চালক ;

(চ) ভাৰত চৰকাৰৰ নৌ পৰিবহন বিভাগৰ, বিত্তীয় পৰামৰ্শদাতা বা এজন যুটীয়া সচিবৰ পদ মৰ্য্যাদাৰ নিম্নতৰ নোহোৱা তেওঁৰ মনোনীত ব্যক্তি ;

(ছ) কমেও ছয়জন ব্যক্তিৰ এখন তালিকাৰ পৰা উপাচাৰ্য্যৰ চুপাৰিছৰ ওপৰত সামুদ্ৰিক,

শিক্ষা উদ্যোগ, বিজ্ঞান বা কাৰিকৰী বিদ্যা আৰু আন সম্পৰ্কিত বিষয়সমূহৰ সম্বন্ধত বিশেষ জ্ঞান আৰু/বা ব্যৱহাৰিক অভিজ্ঞতা থকা কুলাধ্যক্ষৰ দ্বাৰা মনোনীত কৰা দুজন সদস্য ;

(জ) জ্যেষ্ঠতাৰ আধাৰত চক্ৰানুক্ৰমে উপাচাৰ্য্যৰ দ্বাৰা মনোনীত অধ্যয়ন কেন্দ্ৰৰ এজন ডীন ;

(ঝ) জ্যেষ্ঠতাৰ আধাৰত চক্ৰানুক্ৰমে উপাচাৰ্য্যৰ দ্বাৰা মনোনীত বিশ্ববিদ্যালয়ৰ চৌহদৰ এজন সঞ্চালক ;

(ঞ) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা চক্ৰানুক্ৰমে মনোনীত নামভুক্তকৰণ মহাবিদ্যালয়ৰ এজন অধ্যক্ষ ;

(ট) কোনো কাৰিকৰী বিশ্ববিদ্যালয়ৰ বৰ্তমান বা পূৰ্বৰ এজন উপাচাৰ্য্য ঃ

পৰন্তু উপৰোক্ত (ঙ)ৰ পৰা (ঝ) লৈ এই উপখণ্ডৰ অধীনত মনোনীত হোৱা সদস্যক য'তদূৰ প্ৰয়োগ সাধ্য হয়, বিভিন্ন বিভাগৰ পৰা অনা হ'ব।

(২) পঞ্জীয়কজন, পৰিকল্পনা বোৰ্ডৰ পদেন সচিব হ'ব।

(৩) পৰিকল্পনা বোৰ্ডৰ বৈঠকসমূহৰ পৰিচালনা আৰু এনে বৈঠকসমূহৰ বাবে অপেক্ষিত থুল, অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা হ'ব।

(৪) পদেন সদস্যসমূহৰ ব্যতিৰেকে পৰিকল্পনা বোৰ্ডৰ সদস্যসমূহে, তিনি বছৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব।

*পৰিকল্পনা বোৰ্ড* ১৭। (১) পৰিকল্পনা বোৰ্ডখন, বিশ্ববিদ্যালয়ৰ মূল পৰিকল্পনা নিকায় হ'ব আৰু নিম্নলিখিতৰ বাবে দায়ী হ'ব —

(ক) বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদত্ত শিক্ষাগত কাৰ্য্যক্ৰমৰ পুনৰীক্ষণ কৰা ;

(খ) বিশ্ববিদ্যালয়ত শিক্ষাৰ গাঁথনি ব্যৱস্থা কৰা যাতে সমাজত উপযোগী কাৰ্য্যৰ বাবে ব্যক্তিত্ব আৰু কাৰ্য্যকুশলতাৰ বাবে সমুচিত হোৱা বিভিন্ন বিষয়সমূহৰ সংযোজন প্ৰদান কৰিবলৈ ছাত্ৰসমূহলৈ সুযোগৰ উপবন্ধ কৰা ; তেওঁ/তাইৰ মনোনয়ন বা নিৰ্বাচনৰ অৱসান হোৱা বুলি গণ্য কৰা হ'ব।

(গ) মূল্য অভিবিন্যাস শিক্ষাৰ সহায়কাৰী কোনো পৰিস্থিতি আৰু পৰিৱেশ সৃষ্টি কৰা ; আৰু

(ঘ) নতুন শিক্ষা আৰু শিক্ষণ পদ্ধতিৰ উন্নতি কৰা যিয়ে শিক্ষামূলক বক্তৃতা, শিক্ষা অধ্যয়ন চক্ৰ, প্ৰামাণ্য যুক্তি, নিজস্ব অধ্যয়ন আৰু সামুহিক প্ৰয়োগিক যোজনাক সংযোগ কৰিব।

(২) পৰিকল্পনা বোৰ্ডৰ, তেওঁলোক ইয়াৰ দ্বাৰা অনুমোদিত কাৰ্য্যপৰিধিৰ আছে বুলি সুনিশ্চিত কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ উন্নয়নৰ ওপৰত পৰামৰ্শ দিয়াৰ আৰু কাৰ্যক্ৰমণিকাৰ বৰ্ধিত প্ৰয়োগক পুনৰীক্ষণ কৰাৰ ক্ষমতা থাকিব আৰু তাৰ সৈতে জড়িত কোনো বিষয়ৰ ওপৰত কাৰ্যনিৰ্বাহক পৰিষদ আৰু শৈক্ষিক পৰিষদক পৰামৰ্শ দিবলৈ ক্ষমতাও থাকিব।

(৩) শৈক্ষিক পৰিষদ আৰু কাৰ্য্যনিৰ্বাহক পৰিষদৰ পৰিকল্পনা বোৰ্ডৰ চুপাৰিছসমূহক বিবেচনা কৰিবলৈ বাধ্য হ'ব আৰু ইয়াৰ দ্বাৰা গৃহীত এনে চুপাৰিছসমূহক প্ৰয়োগ কৰিব।

(৪) খণ্ড (৩)ৰ অধীনত কাৰ্য্যনিৰ্বাহক পৰিষদ বা শৈক্ষিক পৰিষদৰ দ্বাৰা স্বীকৃত পৰিকল্পনা বোৰ্ডৰ চুপাৰিছসমূহক পৰামৰ্শৰ বাবে, কুলাধ্যক্ষক ওচৰলৈ নোহোৱা কাৰ্য্যনিৰ্বাহক

পৰিষদ বা শৈক্ষিক পৰিষদৰ চুপাৰিছৰ সৈতে উপাচাৰ্য্যৰ দ্বাৰা দাখিল কৰা হ'ব আৰু কুলাধ্যক্ষৰ পৰামৰ্শক, কাৰ্য্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰয়োগ কৰা হ'ব।

(৫) পৰিকল্পনা বোৰ্ডে, বিশ্ববিদ্যালয়ৰ কাৰ্য্যক্ৰমণিকাৰ পৰিকল্পনা আৰু নিৰীক্ষণৰ বাবে আৱশ্যকীয় হোৱা এনে সমিতিসমূহ গঠন কৰিব পাৰে।

*অধ্যয়ন কেন্দ্ৰ আৰু বিভাগসমূহ।*

১৮। (১) বিশ্ববিদ্যালয়ৰ, অধ্যাদেশসমূহৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা দৰে এনে অধ্যয়ন কেন্দ্ৰ থাকিব।

(২) প্ৰত্যেক বিদ্যালয়ৰ এখন বিদ্যালয় বোৰ্ড থাকিব আৰু প্ৰথম বিদ্যালয় বোৰ্ডৰ সদস্যসমূহক, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু তিনি বছৰৰ এটা কালৰ বাবে পদ ধাৰণ কৰিব।

(৩) এখন বিদ্যালয় বোৰ্ডৰ ক্ষমতা আৰু কৃত্যসমূহক অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা হ'ব।

(৪) এখন বিদ্যালয় বোৰ্ডৰ বৈঠকৰ পৰিচালনা আৰু এনে বৈঠকসমূহৰ বাবে অপেক্ষিত থূল, অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা হ'ব।

(৫) (ক) প্ৰত্যেক বিদ্যালয়, অধ্যাদেশসমূহৰ দ্বাৰা ইয়ালৈ সমনুদেশিত কৰা দৰে এনে বিভাগসমূহেৰে গঠিত হ'ব।

(খ) কোনো বিভাগ, পৰিনিয়মৰ দ্বাৰা ব্যতিৰেকে স্থাপিত বা ৰদ্ কৰা নহ'ব ঃ

পৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে, শৈক্ষিক পৰিষদৰ চুপাৰিছত অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিব পাৰে য'লৈ কাৰ্য্যনিৰ্বাহক পৰিষদে আৱশ্যকীয় বিবেচনা কৰা দৰে এনে শিক্ষকসমূহক সমনুদেশিত কৰিব পাৰে।

(গ) প্ৰত্যেক বিভাগ নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব অৰ্থাৎ ঃ—

(i) বিভাগৰ শিক্ষকসমূহ ;

(ii) বিভাগত গৱেষণা চলোৱা ব্যক্তিসমূহ ;

(iii) বিদ্যালয়ৰ ডীন ;

(iv) বিভাগৰ সংলগ্ন সন্মানিক অধ্যাপক, যদি কোনো থাকে ; আৰু

(v) অধ্যাদেশসমূহৰ উপৰন্ধাৱলীৰ অনুসৰণত বিভাগৰ সদস্য হ'ব পৰা এনে আন ব্যক্তিসমূহ ।

*অধ্যয়ন বোৰ্ড।*

১৯। (১) প্ৰত্যেক বিভাগৰ এখন স্নাতকোত্তৰ অধ্যয়ন বোৰ্ড আৰু এখন প্ৰাক্ স্নাতক অধ্যয়ন বোৰ্ড থাকিব।

(২) এখন স্নাতকোত্তৰ অধ্যয়ন বোৰ্ডৰ গঠন আৰু ইয়াৰ সদস্যসমূহৰ পদাৱধি অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা হ'ব।

(৩) স্নাতকোত্তৰ অধ্যয়ন বোৰ্ডৰ কৃত্যসমূহ, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা ৰীতিত, বিভিন্ন উপাধিৰ বাবে গৱেষণা আৰু গৱেষণামুলক উপাধিৰ আন অপেক্ষাবোৰৰ বাবে বিষয়সমূহৰ অনুমোদন দিব আৰু নিম্নলিখিত সমূহক সংশ্লিষ্ট বিদ্যালয় বোৰ্ডক চুপাৰিছ কৰিব —

(ক) গৱেষণামূলক উপাধিক বৰ্হিভূত কৰি স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে অধ্যয়নৰ পাঠ্যক্ৰম আৰু পৰীক্ষাৰ্থীৰ নিয়োজন ;

(খ) গৱেষণাৰ পৰ্য্যবেক্ষকৰ নিযুক্তি ; আৰু

(গ) স্নাতকোত্তৰ শিক্ষণ আৰু গৱেষণাৰ মানদণ্ডৰ উন্নতিৰ বাবে উপায় ঃ

পৰন্তু এখন স্নাতকোত্তৰ অধ্যয়ন বোৰ্ডৰ উপৰোক্ত কৃত্যসমূহক, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তৎকালীন পিচত তিনি বছৰৰ এটা কালৰ ভিতৰত, বিভাগৰ দ্বাৰা সম্পাদন কৰা হ'ব ;

(৪) প্ৰাক্ স্নাতক, স্নাতকোত্তৰ আৰু কাৰিকৰী অধ্যয়ন বোৰ্ডৰ গঠন আৰু কৃত্যসমূহ আৰু ইয়াৰ সদস্যসমূহৰ অৱধি অধ্যাদেশসমূহৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিত্ত সমিতি*

২০। (১) বিত্ত সমিতি নিম্নলিখিত সদস্যসমূহৰে গঠিত হ'ব, অৰ্থ্যাৎ ঃ—

(i) উপাচাৰ্য্য ;

(ii) প্ৰতি উপাচাৰ্য্য ;

(iii) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত তিনিজন ব্যক্তি যাৰ ভিতৰত কমেও এজনক, কাৰ্য্যনিৰ্বাহক পৰিষদৰ এজন সদস্য হ'ব ;

(iv) কুলাধ্যক্ষৰ দ্বাৰা মনোনীত তিনিজন সদস্য; আৰু

(v) সভাৰ দ্বাৰা মনোনীত হোৱা কমেও এজন ব্যক্তি।

(২) বিত্ত সমিতিৰ পাঁচজন সদস্যই, বিত্ত সমিতিৰ এখন বৈঠকৰ বাবে এটা থূল গঠন কৰিব।

(৩) পদেন সদস্যৰ ব্যতিৰেকে বিত্ত কমিটিৰ সকলো সদস্যই তিনি বছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব।

(৪) বিত্ত সমিতিৰ এজন সদস্যৰ, অসম্মতিৰ এটা টোকা অভিলিখিত কৰিবলৈ অধিকাৰ থাকিব যদি তেওঁ বিত্ত সমিতিৰ কোনো বিনিশ্চয়ৰ সৈতে সন্মত নহয়।

(৫) হিচাপসমূহৰ পৰীক্ষণ আৰু ব্যয়ৰ প্ৰস্তাৱৰ পৰিনিৰীক্ষণৰ কৰিবলৈ বিত্ত সমিতি, প্ৰত্যেক বছৰত কমেও তিনিবাৰ বহিব।

(৬) পদ সৃষ্টি সম্পৰ্কিত সকলো প্ৰস্তাৱ আৰু বাজেটত অন্তৰ্ভূক্ত নোহোৱা সকলো বিষয়ক, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা সেইবোৰ বিবেচিত হোৱাৰ পূৰ্বে বিত্ত সমিতিৰ দ্বাৰা পৰীক্ষা কৰাটো উচিত।

(৭) বিত্ত পদাধিকাৰীৰ দ্বাৰা প্ৰস্তুত কৰা বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু বিত্তীয় প্ৰাক্কলন বিবেচনা আৰু মতামতৰ বাবে বিত্ত সমিতিত উত্থাপন কৰা হ'ব আৰু তাৰ পিছত অনুমোদনৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদত দাখিল কৰা হ'ব।

(৮) বিত্ত সমিতিয়ে, বিশ্ববিদ্যালয়ৰ আয় আৰু সম্পদাৰ আধাৰত (যিয়ে উৎপাদনশীল কাৰ্য্যৰ ক্ষেত্ৰত ঋণৰ আগম অৰ্ন্তভুক্ত কৰিব পাৰে) এই বৰ্ষৰ বাবে মুঠ আৱৰ্ত্তী ব্যয় আৰু মুঠ অনাৱৰ্ত্তী ব্যয়ৰ বাবে সীমাৰ চুপাৰিছ কৰিব।

*বাছনি সমিতি*

২১। (১) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ অধ্যাপক, ৰীডাৰ, প্ৰবক্তা, পঞ্জীয়ক, বিত্ত পদাধিকাৰী, গ্ৰন্থাগাৰক আৰু অধ্যক্ষৰ পদসমূহৰ নিযুক্তিৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ চুপাৰিছ কৰাৰ বাবে এখন বাছনি সমিতি থাকিব।

(২) নিম্নলিখিত তালিকাৰ স্তম্ভ ১ত বিনিৰ্দিষ্ট পদসমূহৰ নিযুক্তিৰ বাবে থকা বাছনি সমিতিখন, উপাচাৰ্য্য, প্ৰতি উপাচাৰ্য্য, কুলাধ্যক্ষৰ এজন মনোনীত ব্যক্তি আৰু উক্ত তালিকাৰ স্তম্ভ ২ৰ তদনুৰূপ প্ৰৱিষ্টিত বিনিৰ্দিষ্ট ব্যক্তিসমূহেৰে গঠিত হ'ব ঃ

## তালিকা

| ১ | ২ |
|---|---|
| অধ্যাপক | (i) সংশ্লিষ্ট বিভাগৰ মুৰব্বী, যদি তেওঁ এজন অধ্যাপক হয়। |
| | (ii) উপাচাৰ্য্যৰ দ্বাৰা মনোনীত হোৱা এজন অধ্যাপক। |
| | (iii) যি বিষয়ত অধ্যাপকজন জড়িত থাকিব, সেই বিষয়ত জ্ঞান বা আগ্ৰহ থকাৰ বাবে শৈক্ষিক পৰিষদৰ দ্বাৰা চুপাৰিছ কৰা নামসমূহৰ এখন তালিকাৰ পৰা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত হোৱা বিশ্ববিদ্যালয়ৰ সেৱাত নথকা তিনিজন ব্যক্তি। |
| ৰীডাৰ/ প্ৰবক্তা | (i) সংশ্লিষ্ট বিভাগৰ মুৰব্বী। |
| | (ii) উপাচাৰ্য্যৰ দ্বাৰা মনোনীত হোৱা এজন অধ্যাপক। |
| | (iii) যি বিষয়ত ৰীডাৰ বা এজন প্ৰবক্তা জড়িত থাকিব, সেই বিষয়ত তেওঁলোকৰ বিশেষ জ্ঞান বা আগ্ৰহৰ বাবে শৈক্ষিক পৰিষদৰ দ্বাৰা চুপাৰিছ কৰা নামসমূহৰ এখন তালিকাৰ পৰা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত হোৱা বিশ্ববিদ্যালয়ৰ সেৱাত নথকা দুজন ব্যক্তি। |
| পঞ্জীয়ক, বিত্ত পদাধিকাৰী। | (i) ইয়াৰ দ্বাৰা মনোনীত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দুজন সদস্য ; |
| | (ii) বিশ্ববিদ্যালয়ৰ সেৱাত নথকা এজন ব্যক্তিক কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব। |
| গ্ৰন্থাগাৰ | (i) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত হোৱা গ্ৰন্থাগাৰ/বিজ্ঞান/গ্ৰন্থাগাৰ প্ৰশাসনৰ বিষয় বিশেষ জ্ঞান থকা বিশ্ববিদ্যালয়ৰ সেৱাত নথকা দুজন ব্যক্তি; |
| | (ii) বিশ্ববিদ্যালয়ৰ সেৱাত নথকা এজন ব্যক্তিক কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত, কৰা হ'ব। |
| বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ। | (iii) বিশ্ববিদ্যালয়ৰ সেৱাত নথকা তিনিজন ব্যক্তি যাৰ ভিতৰত দুজনক কাৰ্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু এজনক শিক্ষা এটা বিষয়ত তেওঁলোকৰ বিশেষ জ্ঞান বা আগ্ৰহ থকাৰ বাবে শৈক্ষিক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব, যি বিষয়ত শিক্ষণক, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ দ্বাৰা উপৱন্ধ কৰা হয়। |

টোকা ঃ ১। যেতিয়া নিযুক্তিটো এটা আন্তঃবিষয়ক যোজনাৰ বাবে কৰা হয়, যোজনাৰ মুৰব্বীজনক সংশ্লিষ্ট বিভাগৰ মুৰব্বী বুলি গণ্য কৰা হ'ব।

২। মনোনীত হোৱা অধ্যাপকজন, বৈশিষ্ট্য থকা তাৰ সংশ্লিষ্ট অধ্যাপক হ'ব যাৰ বাবে বাছনি কৰা হৈছে আৰু উপাচাৰ্যই, অধ্যাপকক মনোনীত কৰাৰ পূৰ্বে বিভাগৰ মুৰব্বী আৰু বিদ্যালয়ৰ ডীনৰ সৈতে পৰামৰ্শ কৰিব।

৩। উপাচাৰ্যই বা তেওঁৰ অনুপস্থিতিত প্ৰতি উপাচাৰ্যই এখন বাছনি সমিতিৰ বৈঠকত সভাপতিত্ব কৰিব ;

পৰন্তু বাছনি সমিতিৰ বৈঠকখন, কুলাধ্যক্ষৰ মনোনীত ব্যক্তি আৰু খণ্ড (২)ৰ অধীনত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তিসমূহৰ পূৰ্ব সন্মতিৰ পিচত আৰু মৌন সন্মতিৰ সাপেক্ষে নিৰ্দ্ধাৰিত কৰা হ'ব ঃ

উপৰন্তু বাছনি সমিতিৰ কাৰ্য্যবাহীসমূহ বৈধ নহব, যিপৰ্য্যন্ত .....................

(ক) য'ত কুলাধ্যক্ষৰ মনোনীত ব্যক্তি আৰু কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তিসমূহৰ সংখ্যা মুঠতে চাৰিজন হয়, তাৰে কমেও তিনিজনে বৈঠকত উপস্থিত নাথাকে ; আৰু

(খ) য'ত কুলাধ্যক্ষৰ মনোনীত ব্যক্তি আৰু কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তিসমূহৰ সংখ্যা মুঠতে তিনিজন হয়, তাৰে কমেও দুজনে বৈঠকত উপস্থিত নাথাকে।

৪। এখন বাছনি সমিতিৰ বৈঠক উপাচাৰ্য্যৰ দ্বাৰা বা তেওঁৰ অনুপস্থিতিত প্ৰতি উপাচাৰ্য্যৰ দ্বাৰা আহ্বান কৰা হ'ব।

৫। চুপাৰিছ কৰাত এখন বাছনি সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া, অধ্যাদেশত প্ৰণীত কৰা হ'ব।

৬। যদিহে কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে, এখন বাছনি সমিতিৰ দ্বাৰা কৰা চুপাৰিছসমূহ স্বীকাৰ কৰিবলৈ অসমৰ্থ হয় তেতিয়া ই ইয়াৰ কাৰণসমূহ অভিলেখিত কৰিব আৰু চূড়ান্ত আদেশৰ বাবে গোচৰটো কুলাধ্যক্ষলৈ দাখিল কৰিব।

৭। অস্থায়ী পদসমূহৰ নিযুক্তি তলত সূচোৱা কৰা ৰীতিত দিয়া হ'ব।

(i) যদি অস্থায়ী পদৰিক্তি, এটা শৈক্ষিক বৰ্ষতকৈ এটা দীৰ্ঘ কালৰ বাবে হয়, পূৰ্ব্বগামী খণ্ডসমূহত সূচিত কৰা প্ৰক্ৰিয়াৰ অনুসৰণত বাছনি সমিতিৰ পৰামৰ্শৰ ওপৰত পূৰণ কৰা হ'ব ঃ

পৰন্তু যদি উপাচাৰ্য্যই কাৰ্য্যৰ হিতত পদৰিক্তি পূৰণ কৰাটো আৱশ্যকীয় বুলি সন্তুষ্ট হয় তেতিয়া ছয়মাহৰ অনধিক এটা কালৰ বাবে উপখণ্ড (ii) ত নিৰ্দ্দেশিত এখন স্থানীয় বাছনি সমিতিৰ দ্বাৰা সম্পূৰ্ণ ৰূপে অস্থায়ীৰ আধাৰত নিযুক্তি দিব পাৰে।

(ii) যদি অস্থায়ী পদৰিক্তি এবছৰৰ অনধিক এটা কালৰ বাবে হয়, তেতিয়া এনে পদৰিক্তিৰ নিযুক্তি সংশ্লিষ্ট বিদ্যালয়ৰ ডীন আৰু বিভাগৰ মুৰব্বী আৰু উপাচাৰ্য্যৰ মনোনীত ব্যক্তিৰে গঠিত এখন স্থানীয় বাছনি সমিতিৰ চুপাৰিছৰ ওপৰত দিয়া হ'ব ঃ

পৰন্তু যদি একেজন ব্যক্তিয়ে ডীন আৰু বিভাগৰ মুৰব্বী পদসমূহ ধাৰণ কৰে, তেতিয়া বাছনি সমিতিয়ে উপাচাৰ্য্যৰ দুজন মনোনীত ব্যক্তিক অন্তৰ্ভুক্ত কৰিব পাৰে ঃ

উপৰন্তু যদিহে মৃত্যু বা কোনো আন কাৰণত শৈক্ষিক পদসমূহত হঠাৎ আকস্মিক পদৰিক্তি হয়, ডীনে সংশ্লিষ্ট বিভাগৰ মুৰব্বীৰ পৰামৰ্শত এমাহৰ বাবে এটা অস্থায়ী নিযুক্তি দিব আৰু এনে নিযুক্তিৰ বিষয়ে উপাচাৰ্য্য আৰু পঞ্জীয়কলৈ প্ৰতিবেদন দিব পাৰে।

(iii) অস্থায়ীৰূপে নিযুক্ত নোহোৱা কোনো শিক্ষক যদিহে তেওঁ পৰিনিয়মৰ অধীনত নিযুক্তিৰ বাবে নিয়মীয়া বাছনি সমিতিৰ দ্বাৰা অনুমোদিত নহয়, এনে অস্থায়ী নিয়োজনৰ ওপৰত সেৱাত থাকিব, যিপৰ্য্যন্ত তেওঁ, এটা অস্থায়ী বা যথাস্থিতি, স্থায়ী নিযুক্তিৰ বাবে এটা স্থানীয় বাছনি সমিতিৰ দ্বাৰা পৰৱৰ্ত্তী ৰূপে নিৰ্বাচিত নহয়।

*নিযুক্তিৰ বিশেষ পদ্ধতি।*

২২। (১) পৰিনিয়ম ২১ত কোনো কথা থকা সত্বেও, এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত, ই উচিত গণ্য কৰাদৰে, বিশ্ববিদ্যালয়ৰ অধ্যাপক বা ৰীডাৰ বা যথাস্থিতি কোনো আন শৈক্ষিক পদৰ গ্ৰহণ কৰিবলৈ উচ্চ শৈক্ষিক উপাধি আৰু বৃত্তিক যোগ্যতা থকা এজন ব্যক্তিক আমন্ত্ৰণ কৰিব পাৰে, আৰু এনেদৰে কৰিবলৈ সন্মত হোৱা ব্যক্তিক, পদত নিযুক্ত কৰিব পাৰে।

(২) কাৰ্য্যনিৰ্বাহিক পৰিষদে, অধ্যাদেশত প্ৰণয়ন কৰা ৰীতিৰ অনুসৰণত এটা যুটীয়া আঁচনিৰ গ্ৰহণৰ বাবে কোনো আন বিশ্ববিদ্যালয়ত বা সংগঠনত কৰ্মৰত এজন শিক্ষক বা কোনো আন শৈক্ষিক কৰ্মচাৰীবৃন্দক নিযুক্তি দিব পাৰে।

*এটা নিৰ্দ্ধাৰিত পদাধিকাৰ কালৰ বাবে নিযুক্তি।*

২৩। কাৰ্যানিৰ্বাহিক পৰিষদে, ই উচিত গণ্য কৰা দৰে এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত এটা নিৰ্দ্ধাৰিত পদাধিকাৰ কালৰ বাবে পৰিনিয়ম ২১ত প্ৰণীত প্ৰক্ৰিয়াৰ অনুসৰণত বাছনি কৰা এজন ব্যক্তিক নিযুক্তি দিব পাৰে।

*স্বীকৃতিপ্ৰাপ্ত শিক্ষক।*

২৪।(১) স্বীকৃতিপ্ৰাপ্ত শিক্ষকসকলৰ অৰ্হতা অধ্যাদেশৰ দ্বাৰা বিহিত কৰাদৰে এনে হ'ব।

(২) শিক্ষকসকলৰ স্বীকৃতিৰ বাবে সকলো আবেদন, অধ্যাদেশত প্ৰণীত কৰা দৰে এনে ৰীতিত দিয়া হ'ব।

(৩) কোনো শিক্ষক, অধ্যাদেশত প্ৰণীত কৰা ৰীতিত প্ৰয়োজনৰ বাবে গঠিত এখন বাছনি সমিতিৰ চুপাৰিছ ব্যতিৰেকে এজন শিক্ষকৰূপে স্বীকৃতপ্ৰাপ্ত নহব।

(৪) এজন শিক্ষকৰ স্বীকৃতিৰ কাল এই মৰ্ম্মে প্ৰণীত অধ্যাদেশৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হ'ব।

(৫) শৈক্ষিক পৰিষদে, উপস্থিত থকা আৰু ভোট দিয়া সদস্যসমূহৰ দুই তৃতীয়াংশৰ কম নোহোৱা এটা সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা পাৰিত বিশেষ সংকল্প প্ৰস্তাৱৰ দ্বাৰা, এজন শিক্ষকৰ পৰা স্বকৃতি প্ৰত্যাহাৰ কৰিব পাৰে ঃ

পৰন্তু কোনো এনে সংকল্প প্ৰস্তাৱ পাৰিত নহব যি পৰ্যন্ত কিয় এনে সংকল্প প্ৰস্তাব পাৰিত কৰা নহব জাননীত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত কাৰণ দৰ্শাবলৈ তেওঁক আহ্বান কৰি সংশ্লিষ্ট ব্যক্তিলৈ এখন জাননী দিয়া নহয় আৰু যি পৰ্য্যন্ত তেওঁৰ আপত্তিসমূহ যদি কিবা থাকে আৰু সেইবোৰৰ সমৰ্থনত তেওঁ উত্থাপন কৰা কোনো সাক্ষ্য শৈক্ষিক পৰিষদৰ দ্বাৰা বিবেচনা কৰা নহয়।

(৬) খণ্ড (৫)ৰ অধীনত প্ৰত্যাহাৰৰ এটা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে তেওঁক এনে আদেশৰ জনোৱা তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত কাৰ্য্যনিৰ্বাহিক পৰিষদত আপীল কৰিব পাৰে, যিয়ে তাৰ ওপৰত এনে আদেশসমূহ পাৰিত কৰিব পাৰে যিদৰে ই উচিত বুলি ভাবে।

*সমিতি*

২৫।(১) বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীয়ে ই উ চিত গণ্য কৰা দৰে অনেক স্থায়ী, বিশেষ বা অন্বেষণ সমিতিৰ নিযুক্তি দিব পাৰে আৰু এনে প্ৰাধিকাৰৰ সদস্য নোহোৱা ব্যক্তিসমূহৰ এনে সমিতিত, নিযুক্তি দিব পাৰে।

(২) খণ্ড (১)ৰ অধীনত নিয়োজিত এনে কোনো সমিতিয়ে নিযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা প্ৰচাৎৱৰ্ত্তী দৃঢ়কৰণৰ সাপেক্ষে ইয়ালৈ আৰোপিত কোনো বিষয়ৰ সৈতে জড়িত হ'ব পাৰে।

*শিক্ষক, ইত্যাদিৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি ঃ*

২৬।(১) বিশ্ববিদ্যালয়ৰ সকলো শিক্ষক আৰু আন শৈক্ষিক কৰ্ম্মীবৃন্দ, প্ৰতিকূল হোৱা কোনো সংবিদাৰ অনুপস্থিতিত, পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মনত বিনিৰ্দ্দিষ্ট কৰা দৰে সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধিৰ দ্বাৰা পৰিচালিত হ'ব।

(২) বিশ্ববিদ্যালয়ৰ শৈক্ষিক কৰ্ম্মীবৃন্দৰ প্ৰত্যেক শিক্ষক আৰু সদস্যক, এটা লিখিত চুক্তিত নিযুক্তি দিয়া হ'ব যাৰ প্ৰ-পত্ৰ, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৩) খণ্ড (২)ত নিৰ্দ্দেশিত প্ৰত্যেক সংবিদাৰ এটা প্ৰতিলিপি পঞ্জীয়কক জমা দিয়া হ'ব।

*আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি।*

২৭। বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু আন শৈক্ষিক কৰ্ম্মীবৃন্দৰ ব্যতিৰেকে, বিশ্ববিদ্যালয়ৰ সকলো কৰ্ম্মচাৰীবৃন্দ, প্ৰতিকূল হোৱা কোনো সংবিদাৰ অনুপস্থিতিত, পৰিনিয়ম অধ্যাদেশ আৰু বিনিয়মনত বিনিৰ্দ্দিষ্ট কৰা দৰে সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধিৰ দ্বাৰা পৰিচালিত হ'ব।

*জ্যেষ্ঠতাৰ সূচী তালিকা।*

২৮। (১) যেতিয়া পৰিনিয়মৰ অনুসৰণত, কোনো ব্যক্তিয়ে জ্যেষ্ঠতাৰ অনুসাৰে চক্ৰানুক্ৰমৰ দ্বাৰা পদ ধাৰণ কৰে বা বিশ্ববিদ্যালয়ৰ এটা প্ৰাধিকাৰৰ এজন সদস্য হয়, এনে জ্যেষ্ঠতা, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে সময়ে সময়ে বিহিত কৰা দৰে তেওঁৰ পদত এনে ব্যক্তিৰ নিৰন্তৰ সেৱা কালৰ অনুসাৰে, আৰু এনে আন নীতি অনুসৰণত অৱধাৰণ কৰা হ'ব।

(২) এই পৰিনিয়মৰ উপৰন্ধাৱলীৰ প্ৰয়োগ হোৱা ব্যক্তিসমূহৰ প্ৰত্যেক শ্ৰেণীৰ সম্বন্ধত খণ্ড (I) ৰ উপাৱন্ধাৱলীৰ অনুসৰণত জ্যেষ্ঠতাৰ এখন সম্পূৰ্ণ আৰু অদ্যাৱধি তালিকা প্ৰস্তুত আৰু সংৰক্ষণ কৰাটো পঞ্জীয়কৰ দায়িত্ব হ'ব।

(৩) যদি দুই বা ততোধিক ব্যক্তিৰ কোনো বিশেষ স্তৰত সমান নিৰন্তৰ সেৱাকাল থাকে বা ব্যক্তি বা ব্যক্তিসমূহৰ অপেক্ষিক জ্যেষ্ঠতা অন্যথা সন্দেহযুক্ত হয়, পঞ্জীয়কে, স্বপ্ৰেৰণৰে আৰু এনে কোনো ব্যক্তিৰ অনুৰোধত, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদত বিষয়টো দাখিল কৰিব ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

*বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ বা অপসাৰণ।*

২৯। ১। যেতিয়া বিশ্ববিদ্যালয়ৰ এজন শিক্ষক শৈক্ষিক কৰ্ম্মীবৃন্দৰ এজন সদস্য বা আন কৰ্ম্মচাৰীৰ বিৰুদ্ধে অসদাচাৰণৰ এটা অভিযোগ থাকে, তেতিয়া উপাচাৰ্যাই, শিক্ষক বা শৈক্ষিক কৰ্ম্মীবৃন্দৰ সদস্য আৰু আন কৰ্ম্মচাৰীৰ ক্ষেত্ৰত (ইয়াত ইয়াৰ পিছত নিযুক্তি প্ৰাধিকাৰী ৰূপে নিৰ্দ্দেশিত) নিযুক্তি দিবলৈ সমৰ্থবান হোৱা প্ৰাধিকাৰীয়ে, লিখিত আদেশৰ দ্বাৰা শিক্ষক শৈক্ষিক কৰ্ম্মীবৃন্দ বা যথাস্থিতি, আন কৰ্ম্মচাৰীক নিলম্বিত কৰিব পাৰে আৰু শীঘ্ৰে কি পৰিস্থিতিত এনে আদেশ দিয়া হৈছিল, তাৰ প্ৰতিবেদন কাৰ্যনিৰ্ব্বাহিক পৰিষদক দিব ঃ

পৰন্তু কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ গোচৰৰ পৰিস্থিতিয়ে শিক্ষক বা শৈক্ষিক কৰ্ম্মীবৃন্দৰ নিলম্বনক প্ৰতিপন্ন নকৰে বুলি যদি এটা অভিমত হয় তেতিয়া তেওঁ এনে আদেশ প্ৰত্যাহাৰ কৰিব পাৰে।

২। কৰ্ম্মচাৰীবৃন্দৰ নিযুক্তিৰ সংবিদাৰ অৱধিত বা সেৱাৰ আন কোনো নিবন্ধন আৰু চৰ্ত্তাৱলীত কোনো কথা থকা সত্বেও, শিক্ষক আৰু আন শৈক্ষিক কৰ্মীবৃন্দৰ সম্বন্ধত কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ আৰু আন কৰ্ম্মচাৰীৰ সম্বন্ধত নিযুক্তি প্ৰাধিকাৰীৰ অসদাচাৰণৰ আধাৰত এজন শিক্ষক বা শৈক্ষিক কৰ্ম্মীবৃন্দৰ এজন সদস্য বা যথাস্থিতি আন কৰ্ম্মচাৰীবৃন্দক অপসাৰণ কৰাৰ ক্ষমতা থাকিব।

৩। উপৰোক্তৰ ব্যতিৰেকে, কাৰ্যনিৰ্ব্বাহিক পৰিষদ বা যথাস্থিতি নিযুক্তি প্ৰাধিকাৰী, শিক্ষক শৈক্ষিক কৰ্ম্মীবৃন্দৰ, সদস্য বা আন কৰ্ম্মচাৰীক, কোনো সৎ কাৰণৰ আৰু তিনিমাহৰ সূচনা দিয়াৰ পিচত বা ইয়াৰ পৰিবৰ্ত্তে তিনিমাহৰ বেতনৰ আদায়ৰ ব্যতিৰেকে, অপসাৰণৰ বাবে হ'কদাৰ নহব।

৪। কোনো শিক্ষক, শৈক্ষিক কৰ্ম্মীবৃন্দৰ সদস্য বা আন কৰ্ম্মচাৰীক খণ্ড (২) বা খণ্ড (৩) ৰ অধীনত, অপসাৰিত কৰা নহব যি পৰ্য্যন্ত তেওঁক তেওঁৰ সম্বন্ধত গ্ৰহণ কৰিবলগীয়া প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থাৰ বিৰুদ্ধে কাৰণ দৰ্শাবৰ এটা যুক্তি সঙ্গত সুযোগ দিয়া নহয়।

৫। শিক্ষক শৈক্ষিক কৰ্ম্মীবৃন্দৰ সদস্য বা আন কৰ্ম্মচাৰীৰ অপসাৰণ, অপসাৰণৰ আদেশ দিয়া তাৰিখৰ পৰা প্ৰভাৱী হ'ব ঃ

পৰন্তু যেতিয়া শিক্ষক, শৈক্ষিক কৰ্ম্মীবৃন্দৰ সদস্য বা আন কৰ্ম্মচাৰীৰ তেওঁৰ অপসাৰণৰ সময়ত নিলম্বত আছিল, এনে অপসাৰণ, তেওঁক নিলম্বন কৰা তাৰিখৰ পৰা প্ৰভাৱী হ'ব।

(৬) এই পৰিনিয়মৰ পূৰ্ব্বগামী উপাবন্ধাৱলীত কোনো কথা থকা সত্বেও, এজন শিক্ষক, শৈক্ষিক কৰ্ম্মীবৃন্দৰ সদস্য বা আন কৰ্ম্মচাৰীয়ে, ........

(ক) যদি তেওঁ এজন স্থায়ী কৰ্ম্মচাৰী হয়, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ বা যথাস্থিতি নিযুক্তি প্ৰাধিকাৰীক কেৱল তিনিমাহৰ এখন লিখিত সূচনা দিয়াৰ পিচত। বা ইয়াৰ পৰিৱৰ্ত্তে তিনি মাহৰ বেতন দিয়াৰ পিচত, পদত্যাগ কৰিব পাৰে ; আৰু

(খ) যদি তেওঁ এজন স্থায়ী কৰ্ম্মচাৰী নহয়, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ বা যথাস্থিতি নিযুক্তি পদাধিকাৰীক কেৱল এমাহৰ এখন লিখিত সূচনা দিয়াৰ পিচত ইয়াৰ পৰিবৰ্তে এমাহৰ বেতন দিয়াৰ পিচত পদত্যাগ কৰিব পাৰে ঃ

পৰন্তু এনে পদত্যাগ, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ বা যথাস্থিতি নিযুক্তি প্ৰাধিকাৰীৰ দ্বাৰা গৃহীত হোৱা তাৰিখত প্ৰভাৱী হ'ব।

*সন্মানিক উপাধি*

৩০। (১) কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে, শৈক্ষিক পৰিষদৰ চুপাৰিছত আৰু উপস্থিত থকা আৰু মতদান কৰা সদস্য সমূহৰ দুই তৃতীয়াংশতকৈ কম নোহোৱা এটা সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা পাৰিত এটা সংকল্পৰ প্ৰস্তাৱৰ দ্বাৰা, সন্মানিক উপাধি প্ৰদানৰ বাবে কুলাধ্যক্ষলৈ প্ৰস্তাৱ দিব পাৰে ঃ

পৰন্তু জৰুৰীকালীন ক্ষেত্ৰত, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে, ইয়াৰ স্বপ্ৰেৰণাৰে, এনে প্ৰস্তাৱ দিব পাৰে।

(২) কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে, কুলাধ্যক্ষৰ পূৰ্ব্ব সংমোদনৰ সহ উপস্থিত থকা আৰু মতদান কৰা সদস্যসমূহৰ দুই তৃতীয়াংশতকৈ কম নোহোৱা এটা সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা পাৰিত এটা সংকল্প প্ৰস্তাৱৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদত্ত কোনো সন্মানিক উপাধি প্ৰত্যাহাৰ কৰিব পাৰে।

*উপাধি, ইত্যাদিৰ প্ৰত্যাহাৰকৰণ।*

৩১। কাৰ্য্যনিৰ্বাহক পৰিষদে, উপস্থিত আৰু মতদান কৰা সদস্যসমূহৰ দুই, তৃতীয়াংশতকৈ কম নোহোৱা এটা সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা পাৰিত এটা বিশেষ সংকল্প প্ৰস্তাৱৰ দ্বাৰা ভাল আৰু পৰ্য্যাপ্তকাৰণত বিশ্ববিদ্যালয়ৰ দ্বাৰা কোনো ব্যক্তিক প্ৰদান কৰা কোনো উপাধি বা শিক্ষা সম্বন্ধীয় উপাধি বা মঞ্জুৰ কৰা কোনো প্ৰমাণপত্ৰ বা ডিপ্লোমা প্ৰত্যাহৰ কৰিব পাৰে ঃ

পৰন্তু কিয় এনে সংকল্প প্ৰস্তাৱ পাৰিত কৰা নহব সূচনাত বিনিৰ্দ্দিষ্ট কৰা এনে সময়ৰ ভিতৰত তেওঁক কাৰণ দৰ্শাবলৈ তেওঁক এখন লিখিত সূচনা নিদিয়া পৰ্য্যন্ত আৰু তেওঁ, আপত্তিসমূহ, যদি কিবা থাকে আৰু সেইবোৰক সমৰ্থনত তেওঁ দাখিল কৰিব পৰা কোনো সাক্ষ্য কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা বিবেচিত কৰা নকৰা পৰ্য্যন্ত এনে সংকল্প প্ৰস্তাৱ পাৰিত কৰা নহব।

*বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা।*

৩২।(১) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ সম্পৰ্কত অনুশাসন আৰু অনুশাসনমূলক কাৰ্য্য সম্পৰ্কিত সকলো ক্ষমতা উপাচাৰ্য্যত ন্যস্ত হ'ব।

(২) উপাচাৰ্য্যই, তেওঁ উচিত গণ্য কৰা তেওঁৰ ক্ষমতাসমূহৰ সকলো বা যিকোনোটোৰ এই মৰ্ম্মে তেওঁ বিনিৰ্দ্দিষ্ট কৰা দৰে এজন কুলানুশাসকলৈ আৰু এনে আন পদাধিকাৰীলৈ আৰোপণ কৰিব পাৰে।

(৩) অনুশাসন ৰক্ষাৰ সম্পৰ্কত তেওঁৰ ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ আৰু অনুশাসন ৰক্ষাৰ বাবে তেওঁ সমুচিত বুলি ভৱাদৰে এনে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰাত, উপাচাৰ্য্যই তেওঁ ক্ষমতাৰ প্ৰয়োগত আদেশৰ দ্বাৰা এটা বিনিৰ্দ্দিষ্ট কালৰ বাবে কোনো ছাত্ৰক বিতাড়িত বা বহিস্কাৰ কৰিব, বা এটা উক্ত

কালৰ বাবে বিশ্ববিদ্যালয়ৰ কোনো মহাবিদ্যালয়, প্ৰতিষ্ঠান বা বিভাগত অধ্যয়নৰ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰিব নোৱাৰিব, বা আদেশত বিনিৰ্দ্দিষ্ট কৰা এটা ধনৰাশিৰ বাবে জৰিমনাসহ দণ্ডিত হ'ব বা এক বা ততোধিক বছৰৰ বাবে মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান বা বিভাগক বা এখন বিদ্যালয়ক বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এটা পৰীক্ষা বা পৰীক্ষাসমূহৰ লোৱাৰ বাবে বাৰিত হ'ব বা সংশ্লিষ্ট তেওঁ বা তেওঁলোকে অৱতীৰ্ন হোৱা পৰীক্ষা বা পৰীক্ষাসমূহত ছাত্ৰ বা ছাত্ৰসকলৰ ফলাফল বাতিল কৰা হ'ব।

(৪) মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ কেন্দ্ৰৰ ডীন আৰু বিশ্ববিদ্যালয়ৰ শিক্ষণ বিভাগৰ মুৰব্বীৰ, এনে মহাবিদ্যালয় শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় আৰু শিক্ষণ বিভাগসমূহৰ সঠিক পৰিচালনাৰ বাবে আৱশ্যকীয় হোৱা বিশ্ববিদ্যালয়ত তেওঁলোকৰ নিজ নিজ মহাবিদ্যালয় শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় আৰু শিক্ষণ বিভাগ সমূহত ছাত্ৰসকলৰ ওপৰত এনে সকলো অনুশাসনমূলক ক্ষমতা প্ৰয়োগৰ প্ৰাধিকাৰ থাকিব।

(৫) খণ্ড (৪)ত বিনিৰ্দ্দিষ্ট উপাচাৰ্য্য, অধ্যক্ষ আৰু আন ব্যক্তিসমূহৰ ক্ষমতাৰ প্ৰতিকূল নোহোৱাকৈ, বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুশাসনৰ সবিশেষ নিয়মাৱলী আৰু সঠিক পৰিচালনা কৰা হ'ব। মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠাসমূহৰ অধ্যক্ষ, অধ্যয়ন কেন্দ্ৰৰ ডীন আৰু বিদ্যালয়ৰ শিক্ষণ বিভাগৰ মুৰব্বীসমূহেও উপৰোক্ত প্ৰয়োজনাৰ্থে তেওঁলোকে আৱশ্যকীয় গণ্য কৰাদৰে অনুপূৰক নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(৬) নামভৰ্ত্তিৰ সময়ত, প্ৰত্যেক ছাত্ৰক, তেওঁ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু আন প্ৰাধিকাৰীসমূহৰ অনুশাসনমূলক অধিকাৰিতা নিজেই সমৰ্পিত হ'বলৈ এখন ঘোষণা পত্ৰত স্বাক্ষৰ কৰিবলৈ, অপেক্ষিত কৰা হ'ব।

*মহাবিদ্যালয় ইত্যাদিৰ, ছাত্ৰ সকলৰ মাজত অনুশাসনৰ ৰক্ষা কৰা।*

৩৩। বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত নোহোৱা এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰসকলৰ সম্পৰ্কত অনুশাসন আৰু অনুশাসনমূলক কাৰ্য্যব্যৱস্থা সম্পৰ্কিত সকলো ক্ষমতা, অধ্যাদেশৰ দ্বাৰা বিহিত প্ৰক্ৰিয়াৰ অনুসৰণত মহাবিদ্যালয় বা যথাস্থিতি শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষত ন্যস্ত হ'ব।

*বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত মহাবিদ্যালয়, ইত্যাদিৰ স্বীকৃতি।*

৩৪। (১) বিশ্ববিদ্যালয়ৰ অধিকাৰিতাৰ ভিতৰত অৱস্থিত মহাবিদ্যালয় আৰু আন শিক্ষা প্ৰতিষ্ঠানসমূহ, বিশ্ববিদ্যালয়ৰ এনে বিশেষাধিকাৰ স্বীকৃত হ'ব পাৰে যিদৰে কাৰ্য্যনিৰ্ব্বাহিক পৰিষদে নিম্নলিখিত চৰ্ত্তাৱলীৰ ওপৰত বিনিশ্চয় কৰে, অৰ্থাৎ -

(i) প্ৰত্যেক এনে মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা অনুমোদিত পোন্ধৰজন অনধিক ব্যক্তিৰে গঠিত এখন নিয়মিত ৰূপে গঠিত শাসকীয় নিকায় থাকিব আৰু তাৰ ভিতৰত বিশ্ববিদ্যালয়ৰ দুজন শিক্ষকক কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু শিক্ষণ কৰ্ম্মীবৃন্দৰ তিনিজন প্ৰতিনিধি যাৰ মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ অন্তৰ্ভুক্ত কৰি এজন হ'ব, শাসকীয় নিকায়ৰ সদস্যসমূহৰ নিযুক্তি প্ৰক্ৰিয়া আৰু এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ ব্যৱস্থাপনাক প্ৰভাৱী কৰা আন বিষয় সমূহক, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব ঃ

পৰন্তু উক্ত চৰ্ত্ত চৰকাৰৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠান সমূহৰ ক্ষেত্ৰত প্ৰয়োগ নহব যাৰ, যিনহওঁক, পোন্ধৰজনৰ অনধিক ব্যক্তিৰ গঠিত এখন উপদেষ্টা সমিতি থাকিব যিটো আনবোৰৰ মাজৰ পৰা, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষক অন্তৰ্ভুক্ত কৰি তিনিজন শিক্ষক আৰু বিশ্ববিদ্যালয়ৰ দুজন শিক্ষকক কাৰ্য্যনিৰ্ব্বাহিক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব।

(ii) প্ৰত্যেক এনে মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানে নিম্নলিখিত বিষয়সমূহত কাৰ্য্যনিৰ্ব্বাহিক পৰিষদক সন্তুষ্ট কৰিব, অৰ্থাৎ ঃ ...........

(ক) শিক্ষণৰ বাবে ইয়াৰ সা-সুবিধা আৰু সৰঞ্জামৰ উপযোগিতা আৰু পৰ্য্যাপ্ততা;

(খ) ইয়াৰ শিক্ষণ কৰ্ম্মীবৃন্দৰ অৰ্হতা আৰু পৰ্য্যাপ্ততা আৰু তেওঁলোকৰ সেৱাৰ চৰ্ত্তাৱলী ;

(গ) ছাত্ৰসকলৰ আৱাসগৃহ, কল্যাণ, অনুশাসন আৰু নিৰীক্ষণৰ বাবে ব্যৱস্থাপনা ;

(ঘ) মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ নিৰন্তৰ পৰিচালনাৰ বাবে বিত্তীয় উপবন্ধ পৰ্য্যাপ্ত কৰা ; আৰু

(ঙ) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মানদণ্ডৰ সংৰক্ষণৰ বাবে আৱশ্যকীয় এনে আন বিষয়সমূহ।

(iii) শৈক্ষিক পৰিষদৰ দ্বাৰা এইপ্ৰয়োজনৰ বাবে নিয়োজিত এখন পৰিদৰ্শন সমিতিৰ প্ৰতিবেদনৰ বিবেচনা কৰাৰ পিচত শৈক্ষিক পৰিষদে দিয়া চুপাৰিছৰ ব্যতিৰেকে, বিশ্ববিদ্যালয়ৰ কোনো বিশেষাধিকাৰত কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানক স্বীকৃত কৰা নহ'ব।

(iv) বিশ্ববিদ্যালয়ৰ কোনো বিশেষাধিকাৰত স্বীকৃত হ'বলৈ ইচ্ছুক মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানক, লিখিতভাৱে এনে কৰিবলৈ তেওঁলোকৰ অভিপ্ৰায় জনাবলৈ আপেক্ষিত কৰা হ'ব যাতে পূৰ্ব্ববৰ্ত্তী বছৰৰ ১৫ আগষ্টতকৈ পলম নোহোৱাকৈ পঞ্জীয়কক দিয়া হয় য'ৰ পৰা অনুমতিৰ আবেদন কৰিছিল, তাৰ প্ৰভাৱ থাকে।

(v) এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানে, কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ আৰু শৈক্ষিক পৰিষদ পূৰ্ব্ব সন্মতিৰ বিনা, কোনো বিষয় বা অধ্যয়নৰ পাঠ্যক্ৰমত শিক্ষণক নিলম্বন নকৰিব যিটো ইয়াক শিক্ষা আৰু শিক্ষণলৈ প্ৰাধিকৃত কৰে।

(২) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত স্বীকৃত শিক্ষণ কৰ্ম্মীবৃন্দ আৰু মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষৰ নিযুক্তি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা ৰীতিত দিয়া হ'ব ঃ

পৰন্তু এই খণ্ডত থকা কোনো কথাই চৰকাৰৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহত প্ৰয়োগ নহ'ব।

(৩) খণ্ড (২)ত নিৰ্দ্দেশিত প্ৰত্যেক মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰশাসনিক আৰু অ-শৈক্ষিক কৰ্ম্মীবৃন্দৰ সেৱাৰ চৰ্ত্তাৱলী, অধ্যাদেশত প্ৰণীত কৰা দৰে এনে হ'ব ঃ

পৰন্তু এই খণ্ডৰ কোনো কথাই চৰকাৰৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহত প্ৰয়োগ নহ'ব।

(৪) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত স্বীকৃত প্ৰত্যেক মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানক, শৈক্ষিক পৰিষদৰ দ্বাৰা নিয়োজিত এখন সমিতিৰ দ্বাৰা প্ৰত্যেক দুটা শৈক্ষিক বৰ্ষত কমেও এবাৰ নিৰীক্ষণ কৰা হ'ব, আৰু সমিতিৰ প্ৰতিবেদন শৈক্ষিক পৰিষদলৈ দাখিল কৰা হ'ব, যিয়ে সেই একেবোৰক, এনে চুপাৰিছসহ কাৰ্য্যকৰী পৰিষদলৈ প্ৰেৰণ কৰিব যিদৰে প্ৰণীত কৰিবলৈ ই উচিত গণ্য কৰে।

(৫) কাৰ্য্যনিৰ্বাহিক পৰিষদে শৈক্ষিক পৰিষদৰ প্ৰতিবেদন আৰু চুপাৰিছ সমূহ যদি কিবা থাকে, বিবেচনা কৰাৰ পিচত, উচিত কাৰ্য্যব্যৱস্থাৰ বাবে ই যোগ্য বুলি গণ্য কৰাদৰে এনে মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ শাসকীয় নিকায়লৈ এনে মন্তব্যসহ, যদি কিবা থাকে, প্ৰতিবেদনৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব।

(৬) কাৰ্য্যনিৰ্ব্বাহক পৰিষদে, শৈক্ষিক পৰিষদৰ সৈতে পৰামৰ্শ কৰাৰ পিচত, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠান এনে বিশেষাধিকাৰত স্বীকৃত হোৱাৰ পৰিপূৰ্ণতাৰ ওপৰত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানে চৰ্ত্তাৱলীৰ যি কোনোটোক সন্তুষ্ট নকৰে বুলি যি কোনো সময়ত ই বিবেচনা কৰাত এখন মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানলৈ মঞ্জুৰকৃত কোনো বিশেষাধিকাৰ প্ৰত্যাহাৰ কৰিব পাৰে ঃ

পৰন্তু কোনো বিশেষাধিকাৰ এনেদৰে প্ৰত্যাহাৰ কৰাৰ পূৰ্ব্বে, সংশ্লিষ্ট মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ শাসকীয় নিকায়ক, কিয় এনে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা নহব, সেই বিষয়ে কাৰ্য্যনিৰ্ব্বাহক পৰিষদলৈ প্ৰতিনিধিত্ব কৰিবলৈ এটা সুযোগ দিয়া হ'ব।

(৭) খণ্ড (১)ত বৰ্ণিত চৰ্ত্তাৱলীৰ সাপেক্ষে, অধ্যাদেশে নিম্নলিখিত সমূহক বিহিত কৰিব পাৰে -

(i) আৱশ্যকীয় বুলি বিবেচিত হোৱা এনে আন চৰ্ত্তাৱলী;

(ii) বিশ্ববিদ্যালয়ৰ বিশেষাধিকাৰত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানসমূহৰ স্বীকৃতিৰ বাবে আৰু সেই বিশেষাধিকাৰত প্ৰত্যাহাৰৰ বাবে প্ৰক্ৰিয়া;

(৮) শাখাভুক্তকৰণ বোৰ্ডৰ গঠন আৰু ইয়াৰ সদস্যসমূহৰ পদাবধি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

*সমাৱৰ্তন*

৩৫। উপাধি প্ৰদান কৰাৰ বাবে বা আন প্ৰয়োজনৰ বাবে বিশ্ববিদ্যালয় সমাৱৰ্তন, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত অনুষ্ঠিত হ'ব।

*বৈঠকৰ কাৰ্য্যকৰী অধ্যক্ষ।*

৩৬। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা এনে প্ৰাধিকাৰীৰ কোনো সমিতিৰ এখন বৈঠকত সভাপতিত্ব কৰিবলৈ যেতিয়া সভাপতি বা অধ্যক্ষৰ বাবে কোনো উপবন্ধ কৰা নহয় বা যেতিয়া এনেদৰে উপবন্ধ কৰা সভাপতি বা অধ্যক্ষ অনুপস্থিত থাকে, তেতিয়া উপস্থিত থকা সদস্যসমূহে তেওঁলোকৰ মাজৰ পৰা এজনক এনে বৈঠকত সভাপতিত্ব কৰিবলৈ নিৰ্বাচিত কৰিব।

*ইস্তফা*

৩৭। সভাৰ এজন পদেন সদস্যৰ ব্যতিৰেকে কোনো সদস্য, বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ বা কোনো আন প্ৰাধিকাৰী বা এনে প্ৰাধিকাৰীৰ কোনো সমিতিয়ে পঞ্জীয়কক সম্বোধিত কৰি পত্ৰৰ দ্বাৰা পদত্যাগ কৰিব পাৰে আৰু এনে পত্ৰ পঞ্জীয়কৰ দ্বাৰা গ্ৰহণ কৰাৰ লগে লগে পদত্যাগ প্ৰভাৱী হ'ব।

*অনৰ্হতা*

৩৮। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰীসমূহৰ যি কোনোটোৰ এজন সদস্যৰূপে মনোনীত হোৱাৰ বাবে অনৰ্হ হ'ব ঃ-

(১) (i) যদি তেওঁ বিকৃত মস্তিস্কৰ হয় ;

(ii) যদি তেওঁ এজন অনুন্মুক্ত দেউলীয়া হয়, আৰু

(iii) যদিহে তেওঁ নৈতিক ভ্ৰষ্টতাত জড়িত এটা অপৰাধত এখন ন্যায়ালয়ৰ দ্বাৰা দোষী সাব্যস্ত হৈছে আৰু ইয়াৰ সম্বন্ধত ছয়মাহৰ কম নোহোৱাকৈ কাৰাবাসেৰে দণ্ডিত হৈছে।

(২) এজন ব্যক্তি খণ্ড (১)ত উল্লিখিত অনৰ্হতাসমূহৰ কোনোটোৰ সাপেক্ষাধীন হয় বা হৈছিল নে নাই বুলি যদিহে কোনো প্ৰশ্নৰ উদ্ভৱ হয়, প্ৰশ্নটো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰা হ'ব আৰু তেওঁৰ বিনিশ্চয় চূড়ান্ত হ'ব আৰু কোনো বাদ বা কাৰ্য্যবাহী এনে বিনিশ্চয়ৰ বিৰুদ্ধে কোনো চিভিল ন্যায়ালয়ত নচলিব।

*সদস্য পদ আৰু কাৰ্যালয়ৰ বাবে আৱাসৰ চৰ্ত।*

৩৯। পৰিনিয়মত কোনো কথা থকা সত্বেও, ভাৰতত সাধাৰণতে আৱাসী নোহোৱা এজন ব্যক্তি বিশ্ববিদ্যালয়ৰ এজন পদাধিকাৰী বা বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ এজন সদস্য হ'বলৈ যোগ্য হ'ব।

*আন নিকায় সদস্য পদৰ ওপৰ দ্বাৰা প্ৰাধিকাৰীসমূহৰ সদস্য পদ।*

৪০। পৰিনিয়মত কোনো কথা থকা সত্বেও, এটা বিশেষ প্ৰাধিকাৰী বা নিকায়ৰ এজন সদস্য ৰূপে বা এটা বিশেষ নিযুক্তিৰ ধাৰক ৰূপে তেওঁৰ সামৰ্থ্যত বিশ্ববিদ্যালয়ৰ পদ ধাৰণ কৰা বা বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰ বা নিকায়ৰ এজন সদস্য হোৱা, এজন ব্যক্তিয়ে, তেওঁ সেই বিশেষ প্ৰাধিকাৰ বা নিকায় এজন সদস্য বা যথাস্থিতি সেই বিশেষ নিযুক্তিৰ এজন ধাৰক ৰূপে এজন সদস্য হৈ থকা সময়লৈকে কেৱল এনে পদ বা সদস্যতা ধাৰণ কৰিব।

*প্ৰাক্তন ছাত্ৰ সংস্থা*

৪১। (১) বিশ্ববিদ্যালয়ৰ বাবে এখন প্ৰাক্তন ছাত্ৰ সংস্থা থাকিব।

(২) প্ৰাক্তন ছাত্ৰ সংস্থা সদস্যতাৰ বাবে বৰঙণি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৩) প্ৰাক্তন ছাত্ৰ সংস্থা কোনো সদস্যই নিৰ্বাচনৰ বাবে ভোটদান বা পদপ্ৰাথীৰ হকদাৰ নহ'ব বিপৰ্য্যন্ত তেওঁ নিৰ্বাচনৰ তাৰিখৰ পূৰ্বে কমেও এবছৰৰ বাবে সংঘৰ এজন সদস্য হোৱা নাই আৰু কমেও পাঁচবছৰৰ অৱস্থিতিত বিশ্ববিদ্যালয়ৰ উপাধি ধাৰক নহয় ঃ

পৰন্তু এবছৰৰ সদস্যতাৰ সম্পূৰ্ণ কৰাৰ সম্পৰ্কিত চৰ্ত, প্ৰথম নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

*ছাত্ৰ পৰিষদ*

৪২। (১) প্ৰত্যেক শৈক্ষিক বৰ্ষৰ বাবে বিশ্ববিদ্যালয়ত এখন ছাত্ৰ পৰিষদ নিম্নলিখিত সমূহেৰে গঠিত কৰা হ'ব —

(i) ছাত্ৰ কল্যাণৰ ডীন, ছাত্ৰ পৰিষদৰ অধ্যক্ষ হ'ব।

(ii) অধ্যয়ন, সুকুমাৰ ক'লা, ক্ৰীড়া আৰু বিস্তাৰ কাৰ্য্যৰ ক্ষেত্ৰত পূৰ্ব্ব শৈক্ষিক বৰ্ষত পুৰস্কাৰ, জয়ী হোৱা সকলো ছাত্ৰ ;

(iii) অধ্যয়নৰ গুণাগুন, ক্ৰীড়া কাৰ্য্যকলাপ আৰু ব্যক্তিৰ সৰ্ব্বাত্মক বিকাশৰ ভিত্তিত শৈক্ষিক পৰিষদৰ দ্বাৰা মনোনীত দহজন ছাত্ৰ ঃ

পৰন্তু বিশ্ববিদ্যালয়ৰ কোনো ছাত্ৰৰ, যদিহে অধ্যক্ষৰ দ্বাৰা এনেদৰে অনুমতিপ্ৰাপ্ত হয়, বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট হোৱা কোনো বিষয় ছাত্ৰ পৰিষদত উত্থাপন কৰাৰ অধিকাৰ থাকিব আৰু তেওঁৰ কোনো বৈঠকত আলোচনাত অংশ গ্ৰহণ কৰাৰ অধিকাৰ থাকিব যেতিয়া বিষয়টো বিবেচনাৰ বাবে গ্ৰহণ কৰা হয়।

(২) সাধাৰণতঃ বিশ্ববিদ্যালয়ৰ কাৰ্য্যকলাপৰ সম্বন্ধত অধ্যয়নৰ কাৰ্য্যক্ৰম ছাত্ৰকল্যাণ আৰু গুৰুত্বপূৰ্ণ আন বিষয়ৰ সম্বন্ধত বিশ্ববিদ্যালয়ৰ সমুচিত প্ৰাধিকাৰীক পৰামৰ্শ দিয়াটো ছাত্ৰ পৰিষদৰ কাৰ্য্য হ'ব আৰু এনে পৰামৰ্শ, ঐক্যমতৰ আধাৰত দিয়া হ'ব।

(৩) এটা শৈক্ষিক বৰ্ষত বিশেষকৈ সেই বৰ্ষৰ আৰম্ভণিত ছাত্ৰ পৰিষদ কমেও এবাৰ বহিব।

*অধ্যাদেশ কেনেকৈ প্ৰণীত কৰা হ'ব।*

৪৩। (১) ধাৰা ৩০ ৰ উপধাৰা (২) ৰ অধীনত প্ৰণীত প্ৰথম অধ্যাদেশক, তলত বিনিৰ্দ্দিষ্ট ৰীতিত কাৰ্য্যনিৰ্বাহিক পৰিষদৰ দ্বাৰা কোনো সময়তে সংশোধিত নিৰসিত বা সংযোজিত কৰা হ'ব পাৰে।

(২) উপধাৰা (১)ৰ খণ্ড (ঢ) ত নামোল্লেখ কৰাৰ ব্যতিৰেকে ধাৰা ৩০ ত নামোল্লেখ কৰা

বিষয়সমূহৰ সম্বন্ধত কোনো অধ্যাদেশ, কাৰ্য্যকৰী পৰিষদৰ দ্বাৰা প্ৰণীত নহ'ব যি পৰ্য্যন্ত এনে অধ্যাদেশৰ এখন খচৰা শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত কৰা নহয়।

(৩) কাৰ্য্যকৰী পৰিষদৰ, খণ্ড (২)ৰ অধীনত শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত কোনো অধ্যাদেশৰ কোনো খচৰা সংশোধন কৰাৰ ক্ষমতা নাথাকিব, কিন্তু প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব পাৰে বা কাৰ্য্যনিৰ্বাহিক পৰিষদে পৰামৰ্শ দিয়া এনে সংশোধন সহ একেলগে খচৰাখনৰ সম্পূৰ্ণভাৱে বা আংশিকভাৱে পুনৰ বিবেচনাৰ বাবে শৈক্ষিক পৰিষদলৈ ঘূৰাই পঠিয়াব পাৰে।

(৪) যেতিয়া কাৰ্য্যনিৰ্বাহিক পৰিষদে, শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত এখন অধ্যাদেশৰ খচৰা প্ৰত্যাহাৰ কৰে বা ঘূৰাই দিয়ে, তেতিয়া শৈক্ষিক পৰিষদে, প্ৰশ্নটো নতুনকৈ বিবেচনা কৰিব পাৰে আৰু যদিহে মূল খচৰাখন, শৈক্ষিক পৰিষদৰ উপস্থিত থকা আৰু মতদান কৰা সদস্যসমূহৰ দুই তৃতীয়াংশৰ কম নোহোৱা সদস্যসমূহৰ মুঠ সংখ্যাৰ আধাতকৈ বেছি এটা সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা পুনৰ প্ৰতিজ্ঞান কৰা হয়, খচৰাখনক কাৰ্য্যনিৰ্বাহিক পৰিষদলৈ ঘূৰাই পঠিয়াব পাৰে যিয়ে ইয়াক গ্ৰহণ কৰিব বা ইয়াক কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

(৫) কাৰ্য্যনিৰ্বাহিক পৰিষদৰ দ্বাৰা প্ৰণীত প্ৰত্যেক অধ্যাদেশ, তৎকালিন ভাৱে প্ৰভাৱী হ'ব।

(৬) কাৰ্য্যনিৰ্বাহিক পৰিষদৰ দ্বাৰা প্ৰণীত প্ৰত্যেক অধ্যাদেশক, ইয়াৰ গ্ৰহণৰ তাৰিখৰ পৰা দুসপ্তাহৰ ভিতৰত কুলাধ্যক্ষলৈ দাখিল কৰা হ'ব। কুলাধ্যক্ষৰ, অধ্যাদেশৰ গ্ৰহণৰ চাৰি সপ্তাহৰ ভিতৰত এনে কোনো অধ্যাদেশৰ প্ৰৱৰ্ত্তনৰ নিলম্বন কৰিবলৈ বিশ্ববিদ্যালয়ক নিৰ্দ্দেশ দিয়াৰ ক্ষমতা থাকিব আৰু তেওঁ, সম্ভৱ শীঘ্ৰে, প্ৰস্তাৱিত অধ্যাদেশৰ ওপৰত থকা তেওঁৰ আপত্তিৰ বিষয়ে কাৰ্য্যনিৰ্বাহিক পৰিষদৰ সূচনা দিব। কুলাধ্যক্ষই, বিশ্ববিদ্যালয়ৰ মতামত প্ৰাপ্তকৰাৰ পিচত, অধ্যাদেশৰ নিলম্বনৰ আদেশ প্ৰত্যাহাৰ কৰিব পাৰে বা অধ্যাদেশৰ নামাঞ্জুৰ কৰিব পাৰে, আৰু তেওঁ বিনিশ্চয় চূড়ান্ত হ'ব।

*বিনিয়মাৱলী* ৪৪। (১) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰীয়ে, নিম্নলিখিত বিষয় সমূহৰ বাবে অধিনিয়ম, পৰিনিয়ম আৰু অধ্যাদেশৰ সৈতে সুসঙ্গত হোৱা বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে, অৰ্থাৎ ঃ-

(i) তেওঁলোকৰ বৈঠকসমূহত পালন কৰা প্ৰক্ৰিয়া প্ৰণীত কৰা তাৰ এটা থূল গঠন কৰিবলৈ অপেক্ষা কৰা সদস্যসমূহৰ সংখ্যা ;

(ii) বিনিয়মাৱলীৰ দ্বাৰা বিহিত কৰা সকলো বিষয়ৰ উপবন্ধ কৰা যিবোৰক অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা অপেক্ষিত কৰা হয় ; আৰু

(iii) তেওঁলোকৰ দ্বাৰা নিয়োজিত আন প্ৰাধিকাৰী বা সমিতিসমূহৰ একমাত্ৰ সংশ্লিষ্ট হোৱা আন সকলো বিষয়ৰ উপবন্ধ কৰা আৰু যিবোৰক অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা উপবন্ধিত কৰা নহয়।

(২) বিশ্ববিদ্যালয়ৰ প্ৰত্যেক প্ৰাধিকাৰীয়ে, বৈঠকৰ তাৰিখ আৰু বৈঠকত বিবেচনা কৰা কাৰ্য্যকলাপৰ বিষয়ে এনে প্ৰাধিকাৰীৰ সদস্যসমূহলৈ সূচনা দিয়াৰ আৰু বৈঠকসমূহৰ প্ৰক্ৰিয়াৰ এটা অভিলেখ ৰখাৰ উপবন্ধ কৰি বিনিয়মাৱলী প্ৰণয়ন কৰিব।

(৩) কাৰ্য্যনিৰ্বাহিক পৰিষদে, ই বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতিত পৰিনিয়মৰ অধীনত প্ৰণীত কোনো বিনিয়মাৱলী সংশোধন বা এনে কোনো বিনিয়মাৱলীৰ ৰদ্‌কৰণৰ নিৰ্দ্দেশ দিব পাৰে।

*ক্ষমতাৰ আৰোপণ*

৪৫। অধিনিয়ম, আৰু পৰিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীয়ে তেওঁ বা ইয়াৰ নিজা নিজা নিয়ন্ত্ৰানাধীনত থকা কোনো আন পদাধিকাৰী বা প্ৰাধিকাৰী বা ব্যক্তিলৈ তেওঁ ইয়াৰ ক্ষমতা আৰোপিত কৰিব পাৰে আৰু চৰ্তৰ সাপেক্ষে, এনেদৰে আৰোপিত ক্ষমতাৰ কাৰ্যকৰীকৰণৰ বাবে সৰ্ব্বমুঠ দায়িত্ব, এনে ক্ষমতা আৰোপণ কৰা পদাধিকাৰী বা প্ৰাধিকাৰীত নিৰন্তৰ ন্যস্ত হৈ থাকিব।

*সমতুল্য সমিতি*

৪৬। (১) সামুদ্ৰিক অনুশাসনত অৰ্থতাৰ উল্লেখনীয় প্ৰকৃতি, নৌপৰিবহন, পথ পৰিবহন আৰু ঘাইপথৰ উদ্দেশ্যে ভাৰত চৰকাৰে, প্ৰস্তাৱিত বিশ্ববিদ্যালয়ত সমানুপাতিক পদ সহ বৰ্তমানে ভাৰতীয় সামুদ্ৰিক অধ্যয়ন শিক্ষা প্ৰতিষ্ঠানৰ অধীনত চাৰিখন চৰকাৰী সামুদ্ৰিক শিক্ষা প্ৰতিষ্ঠান (সামুদ্ৰিক অভিযান্ত্ৰিক আৰু গৱেষণা সংস্থা, কলকাতা, আৰু মুম্বাই, লালবাহাদুৰ শাস্ত্ৰী উচ্চ সামুদ্ৰিক অধ্যয়ন আৰু গৱেষণা মহাবিদ্যালয়, মুম্বাই, প্ৰশিক্ষণ চাণক্য, নাভি মুম্বাই)ত থকা বিদ্যমান শিক্ষক পদৰ আপেক্ষিকতাক বিবেচনা কৰাৰ উদ্দেশ্যে এখন 'সমতুল' সমিতি গঠন কৰিছে।

পৰিবহন আৰু ৰাজআলি ই সমিতিৰ চুপাৰিছ নিম্নলিখিত তালিকাত দিয়া হ'ল ঃ

তালিকা

| ১ | ২ |
|---|---|
| বৰ্ত্তমান পদসমূহৰ নাম আৰু বেতনৰ নিৰিখ আৰু চৰকাৰী অধিসূচনাত থকা নামভৰ্ত্তিৰ নিয়মাৱলী। | বিশ্ববিদ্যালয়ত পদৰ স্বীকৃতিৰ বাবে 'সমতুল্য সমিতি'ৰ দ্বাৰা কৰা চুপাৰিছ। |
| কেপ্টেইন অধীক্ষক/অধ্যক্ষ/সঞ্চালক (১৮৪০০-৫০০-২২৪০০ টকা) | অধ্যাপক |
| উপাধ্যক্ষ/উপ/মূখ্য পদাধিকাৰী/জ্যেষ্ঠ অভিযন্তা পদাধিকাৰী/জ্যেষ্ঠ সামুদ্ৰিক পদাধিকাৰী (১৪৩০০-৪০০-১৮৩০০ টকা) | সহযোগী অধ্যাপক |
| অভিযন্তা পদাধিকাৰী/সামুদ্ৰিক পদাধিকাৰী (১২০০০-৩৭৫-১৬৪০০ টকা) | সহকাৰী অধ্যাপক |
| জ্যেষ্ঠ প্ৰবক্তা (১২০০০-৩৭৫-১৬৫০০ টকা) | সহকাৰী অধ্যাপক |
| জ্যেষ্ঠ প্ৰবক্তা (এম ই আৰ আই) | জ্যেষ্ঠ প্ৰবক্তা |
| প্ৰবক্তা (৮০০০-২৭৫-১৩৫০০ টকা) | প্ৰবক্তা |

(২) সামুদ্রিক অনুশাসনত স্নাতকোত্তৰ আৰু ড'কটেৰল অধ্যয়নৰ অনুপস্থিতিত শিক্ষা প্ৰতিষ্ঠানসমূহৰ বিদ্যমান, পদসমূহ, সমুচিত নিৰিখত বিশ্ববিদ্যালয় পদসমূহৰ সমানুপাতিক বুলি গণ্য হ'ব।

(৩) ভৱিষ্যতৰ প্ৰত্যক্ষ ভৰ্ত্তিকৰণৰ বাবে থকা অৰ্হতাসমূহক, বিশ্ববিদ্যালয়ৰ দ্বাৰা গঠিত কৰা পৃথক অধ্যাদেশৰ দ্বাৰা পৰিচালিত কৰা হ'ব।

*মাচুল সমূহৰ পুনৰীক্ষণ।*

৪৭। মাচুলসমূহক, প্ৰত্যেক তিনি বছৰৰ পিচত পুনৰীক্ষণ কৰা হ'ব।

---o---

# The Indian Maritime University Act, 2008

# ভাৰতীয় সামুদ্রিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮

## Glossary of Terms

## পৰিভাষা

| Section | English Term | Assamese Equivalent |
|---|---|---|
| 2 (i) | Court | সভা |
| 2 (f) | Offshore Campus | সমুদ্ৰাভিমুখী চৌহদ |
| 4 (i) | Oceanography | সমুদ্ৰ বিজ্ঞান |
| 4 (iv) | Catalyst | উৎপ্ৰেৰক |
| 5 | Emeritus Professor | প্ৰতিষ্ঠিত অধ্যাপক |
| 5 (vi) | Sea-farer | নাৱিক |
| 5 (viii) | Extra-mural studies | নিৱেশ বাহ্য অধ্যয়ন |
| 8 (i) (a) | Instrumentality | সাধনোপায় |
| 35 | Umpire | মধ্যস্থলোক |
| Sch 2 (5) (v) | Commuted leave | পৰিবৰ্তিত ছুটী |
| " 12 (2) (xiii) | Moderator | মদাৰেটৰ |
| " 22 | Professional altoinment | বৃত্তিক যোগ্যতা |
| " 41 | Alumni Association | পূৰ্ব ছাত্ৰ সংস্থা |
| " 46 | Equivalence Committee | সমতুল্য সমিতি |

ৰাষ্ট্ৰপতিয়ে ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৮ (২০০৮ৰ অধিনিয়ম সংখ্যা ২২)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The Indian Maritime University Act, 2008 (Act No. 22 of 2008) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*